Library copy
A.L.A.

Assam Legislative Assembly Debates

OFFICIAL REPORT

FIRST SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

VOL. I

No. 5

The 28th March 1978

1979

PRINTED AT THE ASSAM GOVERNMENT PRESS, GAUHATI

Price Rs. 4.00

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY 1978

(Budget Session)

Volume I

No. 5

Dated the 28th March, 1978

Contents. Page

1.	Supplementary Statement of Expenditure charged on the Consolidated Fund of the State for 1977-78.	..	185—190
2.	Voting on Supplementary Demands for Grants, 1977-78.	..	190—235
3.	The Assam Appropriation (No. 1) Bill, 1978.	...	235—239
4.	Miscellaneous	...	239—240
5.	Motions	...	240—242
6.	Laying of Report	...	242

Proceedings of the First Session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic Republic Constitution of India.

The House met in the Assembly Chamber, Dispur Gauhati on Tuesday, the 28th March, 1978 with the Hon. Speaker in the Chair, 12 (twelve) Ministers, 4 (fowr) Ministers of State, 4 (four) Parliamentary Secretries and 102 (one hundred and two) Members present.

SUPPLEMENTARY STATEMENT OF EXPENDITURE CHARGED ON THE CONSOLIDATED FUND OF THE STATE FOR 1977-78

Mr. SPEAKER—Item No.1:

Shri Santi Ranjan Dasgupta—Mr. Speaker, Sir, participating on the item No.1 under Supplementary Demand under charged head of expenditure on the Consolidated Fund of the State, I want to draw the attention of the hon. House and you, Sir, about the amounting expenditure under charged head, which is to the tune of Rs.56 crores. Under the Statement (b) of the Supplemeintary Demand, the additional amount now required is Rs. 38 lakhs. The total demand under the charged head is Rs. 56 crores ; about this Rs.56 crores, the Assembly can only discuss but the members cannot vote, and this Rs. 56 crores represent nearly ¼th of the total revenue of the State. Sir, I find that in the year 1971-72 (i. e., March, 72), the total expenditure under charged head was to the tune of Rs.21 crores and it has gone up to Rs 56 crores within a lapse of 6 years of time. If the ¼th of the total revenue is spent on the charged item of expenditure only and for which this Assembly has no right to vote, how this State can survive with such expenditure burden over its head ? I find, Sir, on the interest account alone during 1972 March, it was to the tune of Rs 16.84 crores which has gone up to Rs.29 crores. Of course, the previous Finance Minister is fully responsible for such a deplorable condition. During March, 1972 the total debt position of the State was to the tune of Rs. 400 crores and this has gone up to Rs.638 crores by this time and I particularly darw the attention of the new Cabinet and particularly the Finance Minister and say if this trend of expenditure under the charged head is not arrested or it cannot be controlled or if the total debt position cannot be capitalised through the Central help, our State, I think, will be in a very deplorable financial condition. Here there is nothing much for the House to do under the charged head ; we can simply discuss, but this House can neither vote nor has got any control over this expenditure. The State Government will have to spend money by way of interest and the amount of Rs.26 crores against payment of capital money. But there is nothing much that we can do. I again draw the attention of the Finance Minister to go into the details of such position and see how things have gone so worse within last 6 years, and financial matters require special supervision so that no extra money could be spent or there is no extravagent expenditure or there is no amount spent like this so that we suffer more than the present position. So, may I

request the Finance Minister to look into this. In the year 1974-75 in the budget speech the former Chief Minister or the Finance Minister. Shri Sarat Chandar Sinha said that the 6th Finance Commission had awarded towards the capitalisation of the total loan amount to the tune of Rs. 162 crores. So, what has happened to that amount ? Whether the Government of Assam has received that amount so far from the Government of India, and if that amount has not yet been received, the Government of Assam must get this amount. The Finance Minister is to enquire about this sum. I do not want to take much time of the House ; this is only to draw the attention of the present Cabinet and particularly the Finance Minister and all the Hon'ble members of the House. I want to point out that there is a mounting debt on this State over our head and the interest the State Government is to pay every year is to the tune of Rs.29 crores. Rs.56 crores which is under charged head and which this Assembly has neither any power to vote nor can reject this expenditure. For the loan amount which is increased day by day, greater burden would be on our shoulder to arrest this position. So, again and again, I request the Finance Minister to have very careful look into the financial position of the State.

শ্ৰীপ্ৰেমধৰ বৰা ঃ—অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য শ্ৰীদাসগুপ্ত ডাঙৰীয়াই ঠিকেই কৈছে। দুখীয়া কৃষি প্ৰধান ৰাজ্যখনত ধাৰৰ বোজা বাঢ়ি গৈ এতিয়া প্ৰায় ৪৩৮ কোটি টকা পাইছেগৈ। এই ধাৰৰ সুত প্ৰায় ২৯ কোটি টকা হৈছে। এই ৪৩৮ কোটি ধাৰৰ টকা ডেৰ কোটি মানুহৰ পৰিসংখ্যা হিচাবে জনমূৰি হিচাবে ভগাই লওঁ তেন্তে চাৰিশ টকাকৈ জনমূৰি হিচাবি ধাৰৰ বোজা হয় আৰু ৩০ কোটি টকাৰ সুত ডেৰকোটি মানুহৰ পৰিসংখ্যা হিচাবে ভাগ কৰিলে জনমূৰি ভাবে ২০ টকা হয়। এই ৪২০ টকা জনমূৰি ধাৰৰ ধাৰৰ বোজা ৩০ বছৰীয়া শাসনৰ পিচত পাঁচটা পৰিকল্পনা হল তাৰ পিচতো ধাৰ লাগিল, এই কথাটো বৰ চিন্তা কৰিবলগীয়া। মই বিত্তমন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো এতিয়া বিত্তীয় পৰিস্থিতিত উন্নয়ণমূলক কামত আগবাঢ়িবলৈ হলে আমি এতিয়াৰ পৰা ভালকৈ খোজ দিব লাগিব চিন্তা কৰি চলিব লাগিব। বিত্তমন্ত্ৰী ডাঙৰীয়াই এই কথা জনালে সুখী হম যে এই যে ২৯ কোটি টকা ধাৰৰ সুত হিচাবে দিব লগা হৈছে, আমি কোন কোন শিতানত এই সুত দিব লগা হৈছে ?

ইয়াত দেখুৱা এই টকা খিনি বিকভাৰেৰ'ল হয় নে নহয়, কি কামত খৰচ কৰা হৈছে এই সকলো কথা বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে চাব লাগে। ইয়াত আছে আঠ কোটি উনপঞ্চাশ লাখ টকা আৰু পিচত আছে ওঠৰ কোটি সাত লাখ। সুদৰ বাবদ আমি দিব লগীয়া হৈছে প্ৰায় উনত্ৰিশ কোটি টকা। এইটো আইটেম হিচাবে ক'ত কি ভাবে খৰচ কৰিবলগীয়া হ'ল আৰু সুদ কিমানখিনি হয় আৰু কিয় খৰচ কৰিব লগীয়া হল এই গোটেইখিনি কথা চালিজাৰি চোৱা উচিত। কেৱল বাৰে বাৰে এই ধৰণে সুদ দি থাকিলেই সমস্যাৰ শেষ নহয়। বিত্তীয় পৰিস্থিতি অধ্যয়ন নকৰিলে বাজেটৰ চাৰি ভাগৰ এভাগ কনচলিডেটড্ ফাণ্ডত দিয়াৰ কাৰণে মাত মাতিবও নোৱাৰো অথচ আমাৰ উন্নয়ন মূলক কামত ই বিশেষ একো সহায় কৰিব নোৱাৰিব। সেই কাৰণে মই নতুন চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো যাতে এই সুদৰ পৰিমাণ, ক'ত কেনেকৈ খৰচ কৰা হল ইত্যাদি কথা যাতে ঠিকমতে চাই লয়। ৰাজহৰ ক্ষেত্ৰত পোন্ধৰ যোল্ল বছৰ ধৰি চিলিং কেচ বিলক পৰি

আছে ইফালে কন্‌চলিডেটেড ফাণ্ডত খৰচ কৰা হৈছে। এই কথা বিলাক চাব লাগে। ইণ্ডাষ্ট্ৰি লবলৈ হলে তাৰ পৰা লাভালাভ কিমান পোৱা যায় ইত্যাদি কথা চাব লাগিব। এই খিনি কৈয়েই নতুন বিত্তমন্ত্ৰীক এটা আভাস দি মূলধনৰ ধাৰ আৰু সুদৰ ধাৰ এতিয়া চাৰিশ বিশ কোটি টকা হৈছেহি যেতিয়া এই কথাবিলাক উপলব্ধি কৰিবলৈ আওঁৰালয়াই দি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো আৰু ভবিষ্যতৰ বাবে এখনি বিত্তীয় ৰঙীন চবি পৰিস্থিতি আশা ৰ খিলো।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃমাননীয় অধ্যক্ষ মহোদয়, এই চাৰ্জ একাউণ্টৰ কথা দেখি-য়েই মোৰ চাৰ্বাক ঋষিৰ কথা এষাৰ মনত পৰিছে 'ঋণং কৃত্বা পিবেত্ যাবজীবেত্ সুখং জীৱেত্ ভষ্মিভূতস্য দেহস্য পুনৰাগমনং কুতঃ'। তেখেতে ঋণ কৰি হলেও যি খোৱাৰ কথা কৈছিল, তেনেকৈ ঋণ কৰি ঘিঁ খাবলৈ অনা হলেও ভাল আছিল। কিন্তু দেখা যায় এই ছাপন্ন কোটি আঠ লাখ পঞ্চাশ হাজাৰ টকা অবাবদ খৰচ কৰা হৈছে। এইচাৰ্জ হিচাবত যদি বিধান সভাৰ সদস্য সকলে ভোট দিবই নোৱাৰে, মাত মাতিবই নোৱাৰে নিজৰ অধিকাৰ প্ৰয়োগ কৰিবই নোৱাৰে তেতিয়াহলে আমাৰ বিত্তীয় পৰিস্থিতি কেতিয়াও সন্তোষজনক হব নোৱাৰে। এই কাণ্ড কিয় হবলৈ পালে ইয়াৰ মূল কাৰণ চাব লাগিব। নতুন চৰকাৰে ৫ ঘটনা যাতে আৰু ঘটিব নোৱাৰে তাক বিতং ভাৱে চাব আৰু ভবিষ্যতলৈ যাতে এনে খৰচ সীমাবদ্ধ কৰা হয় সেইটো আশা কৰিছো। এই চাৰ্জ একাউণ্ট দেখি এটা কথা মনত পৰিছে। এঠাইত পুৰুষ আৰু মহিলাৰ কাৰণে বেলেগে বেলেগে গা ধোৱা ঠাই ঠিক কৰা হ'ল। মহিলাৰ ফালে পুৰুষ যাতে যাব নোৱাৰি তাৰ ব্যৱস্থা কৰা হ'ল যদিও পাচ জন ডেকা ল'ৰা মহিলাৰ গা ধোৱা ঠাইৰ ফালে বৈ গ'ল। আৰু কথাটো তেতিয়াই ডি, চিক জনোৱা হ'ল কিন্তু ডি, চিয়ে এচ, পিক ব্যৱস্থা লবলৈ জনাই দিলে। এচ, পিয়ে বাৰ জন চিপাহী তাত ৰখাৰ ব্যৱস্থা কৰিলে আৰু যাতে ডেকা ল'ৰা পাঁচজন আঁতৰাব পাৰি তাৰ ব্যৱস্থা কৰিলে। কিন্তু কথা হ'ল এই বাৰজন চিপাহীও ডেকা চিপাহীয়েই আছিল। গতিকে এই পাঁচজন গ'ল বাৰজন থাকিল এনে ব্যৱস্থা যাতে নহয় তালৈ নতুন চৰকাৰে ব্যৱস্থা লব বুলি আশা কৰিলো। আমি যদি এই ধাৰৰ পৰা সুফল লাভ কৰিব নোৱাৰো তেতিয়াহলে ধাৰ লোৱাৰ দৰকাৰ কি। চাৰ্বাক ঋষিৰ নিচিনা যদি ঘিঁ খাবলৈ ধাৰ লব লাগে তাত আপত্তি বেছি নাই কিন্তু কাম নোহোৱাকৈ ধাৰ লোৱাৰ কোনো মানে থাকিব নোৱাৰে। এই কাৰণে আশা কৰিছো বিত্ত বিভাগৰ মন্ত্ৰীয়ে এই ব্যৱস্থা পৰ্য্যবেক্ষণ কৰাৰ কাৰণে সম্ভৱপৰ সকলো ব্যৱস্থা লব আৰু এনে সকলো ধৰণৰ ধাৰৰ ক্ষেত্ৰত ভাল দিহা লব। এইখিনিকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

*শ্ৰীচামচুল হুদ ঃ—মাননীয় অধ্যক্ষ মহোদয়, ইয়াত প্ৰায় সতাৰুন কোটি টকাৰ ধাৰ দেখুৱা হৈছে। এই টকা খিনিৰ ভোট দিয়াৰ বা মাত মতাৰ আমাৰ কোনো অধিকাৰ নাই। অৰ্থাৎ অসমৰ ৰাইজৰ এই ধাৰৰ টকাৰ ওপৰত মাত মতাৰ কোনো অধিকাৰ নাই। খৰচৰ ওপৰত বিধান সভাৰ সদস্য বা অসমৰ ৰাইজৰ মাত মতাৰ অধিকাৰ নাথাকিলেও এই পইচাখিনি কিন্তু ভৰিব লাগিব। সেই কাৰণে মই নতুন চৰকাৰক অনুৰোধ জনাইছো কংগ্ৰেছৰ আমোলত যি হৈছিল হৈ গ'ল একত্ৰিশ বছৰে ৰাইজে তাৰ অভিজ্ঞতা আহৰণ কৰিলে। এতিয়া যাতে আমাৰ বিত্তীয় অৱস্থা শোচনীয় নকৰে তাৰ কাৰণে সম্ভৱপৰ সকলো ব্যৱস্থা লব লাগে। কংগ্ৰেছ চৰকাৰ গুৰিছ জনতা চৰকাৰ হল কিন্তু কোম্পানীয়ে বজাৰত একত্ৰিশ ডিচেম্বৰত এক্ৰা-পায়াৰ হোৱা ঔষধ লেবেল আৰু বটল বদলাই একে ঔষধকে বজাৰত বিক্ৰি কৰাৰ নিচিনা কেৱল লেবেলকে বদলাই দি বটলটোও বদলি নকৰাকৈ বজাৰত উলিয়াই দিয়াৰ প আমাৰ ৰাইজৰ কোনো উপকাৰত নাহিব। মই আশা কৰো যে এই টকাৰ ক্ষেত্ৰত নতুন

* Speech not corrected

চৰকাৰে সম্ভৱপৰ সকলো ব্যৱস্থা লব কিয়নো এই টকাৰ প্ৰতিটো পাই অসমৰ জনসাধাৰণৰ পৰা পোৱা টকা। নিমখ কিনাৰ সময়ত বা দিয়াচলাই কিনাৰ সময়ত দিয়া প্ৰতিটো পইচাই ইয়াৰ মাজত জমা হৈ আছে। গতিকে আমাৰ ৰাইজৰ তথা বিধান সভাৰ সদস্য সকলৰ এই টকা ক'ত কেনেকৈ খৰচ কৰা হ'ল বা হব সেই কথা জনাৰ পৰা অধিকাৰ আছে। এই টকাৰ পৰা জনসাধাৰণৰ কি কাম হব, ফয়দা কিমান হব সেই কথা আমি চাব লাগিব। আশাকৰো জনতা চৰকাৰে সেই দিশটোত গুৰুত্ব আৰোপ কৰিব। বৰ্ত্তমান বিত্তীয় অৱস্থাৰ কথা দেখি মোৰ এটা কথা মনত পৰিছে। এজন বন্ধুৱে আন জন বন্ধুৰ দ্বাৰা পিঠি খজুৱাই ললে আৰু পিঠি খজুৱাই দিয়া বন্ধুৰ উপকাৰৰ বাবে তেওঁৰ ভাগৰ মূৰি খিনিকে খাই থলে। এই ব্যৱস্থা ঠিক তেনেকুৱা ধৰণৰ কথাহে হৈছে। বিধান সভাৰ সদস্য সকলৰ মাত মতাৰ অধিকাৰ নাই ভোট দিয়াৰ অধিকাৰ নাই অথচ অসমৰ প্ৰত্যেক জনসাধাৰণে ইয়াৰ ধাৰৰ বোজা বব লাগিব। এজন নাগৰিক হিচাপে অধ্যক্ষ মহোদয় আপুনিও এই ধাৰৰ পৰা ৰেহাই নাপাব। গতিকে এই ধাৰৰ পৰা কিমান কাম হয় আৰু ফয়দা যি হয় সেই কথাটোহে আচলতে লক্ষ্য ৰাখিবলৈ মই নতুন চৰকাৰক অনুৰোধ জনালো।

এইখিনিতে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

Shri GIASUDDIN AHMED : Mr. Speaker, Sir, regarding the expenditure charged on the Consolidated Fund of India during the current year, I would like to make a few observations. Sir, here the total amount after the additional amount is voted will stand at Rs. 56,64,99620/. Sir, this is something unprecedented, and I would like to appeal to the Government to make a thorough enquiry into every detail of the expenditure that was charged on the Consolidated Fund of India. This is my only submission on this head.

Shri BENOY KUMAR BASUMATARI : Mr. Speaker, Sir, I am a new Member and I am very much surprised to learn that there are some heads of accounts on which this Assembly has no right to vote. If some accounts cannot be voted by the Assembly, I think this is an insult to democracy. We should know about the expenditure and if necessary the whole procedure should be changed.

Shri FAKRUL ISLAM : Some Opposition Members have spoken about the charged accounts. Sir, they should appreciate that our present Government had very little time to look into the matter. I would like that our present Government should see to reduce the amounts under this head. The norm for borrowing money should be that it would be spent only for productive purposes. If money so borrowed is not invested for productive purposes, the people having lower income than Rs. 20 per month will be the worst sufferers. I, therefore, hope that our present Janata Government will look into the matter when the time will come and take proper care of it.

শ্ৰীখগেন বৰবৰুৱা : অধ্যক্ষ মহোদয়, পৃথিবীৰ এনেকুৱা এখন দেশ নাই, যিখন দেশৰ ওচৰত আমাৰ ভাৰতবৰ্ষৰ ধাৰ নাই। ভাৰতবৰ্ষৰ ধাৰ প্ৰায় এতিয়া ৩০ হাজাৰ কোটিৰো ওপৰ হৈছে। আমেৰিকা, ইংলেণ্ড পশ্চিম জাৰমানী, ৰাচিয়া ইত্যাদি ইত্যাদিত। আমাৰ দেশৰ আমাৰ ৰাইজেও কেন্দ্ৰিয় চৰকাৰৰ ওচৰত ধাৰ লৈছে। ধাৰৰ পৰিমানো

ইতিমধ্যে উল্লেখ কৰা গৈছে। কিন্তু আজি অলপ দিনৰ আগতে বাতৰি কাকতত প্ৰকাশ হৈছে যে ইংলেণ্ড আমেৰিকা আদি ডেভেলোপিং কাণ্ট্ৰি যিবিলাক ধাৰ লৈছিল সেই বিলাক ধাৰ যদি মাফত দিব খোজে তেনেহলে আমাৰ নিজৰ চৰকাৰেও কেন্দ্ৰিয় চৰকাৰৰ ওচৰত থকা ধাৰ এৰিদিয়াৰ বাবে কব লাগে আৰু কেন্দ্ৰিয় চৰকাৰেও এৰি দিব লাগে বুলি মই ভাবো। এতিয়া আমাৰো জনতা চৰকাৰ আৰু কেন্দ্ৰতো জনতা চৰকাৰ গতিকে লিংটো ভাল হৈছে। চৰকাৰে যদি এনে প্ৰস্তাৱ লয় তেনেহলে আমাৰ সকলোৱে অৰ্থাত জনতাই হওক বা, কমিনিষ্টেই হওক বা কংগ্ৰেছেই হওক সেইটো সম্মতি জনাব। যিহেতু তেওঁলোকে চিফজাচটিছ, জেনেৰেল মেনেজাৰ আদি উচ্চ পদস্থ সকলো তাৰ পৰা বাচি দিয়ে, আৰু সকলো ধৰণৰ পৰিচালনা কৰে তেনেকৈ আমাৰ দুখীয়া দেশখনৰ সকলো অভাব তেওঁলোকে পূৰাব লাগে।

দ্বিতীয় কথা হৈছে, আমাৰ ৰাজ্যপালৰ পৰিচালনাৰ টকাটো কেৱল আমাৰ চৰকাৰৰ পৰাই হয় নে কেনেকৈ হয়। কাৰণ তেখেত কেইবাখনো ষ্টেটৰ ৰাজ্যপাল, মানুহ চাই ভাগ হৈছে নে এৰিয়া লৈ ভাগ হৈছে। সেইটো ভালকৈ জনাব লাগে। ৰাজ্যপাল নিৰ্ব্বাচনিত আমাৰ হাত নাই, সদনৰো হাত নাই অৱশ্যে কেবিনেটে কি কৰিছে নাজানো। কিন্তু মই ভাবো আমাৰ হাত থকা উচিত। আমাৰ সংবিধান ৪২/৪৩ বাৰ সংসোধনী গতিকে আৰু এবাৰ সংশোধনী হওক কাৰণ ৰাজ্যপাল নিবৰ্বাচনিত আমাৰ হাত থকা নিতান্ত দৰ্কাৰ। এই কথাখিনি মই মুখ্যমন্ত্ৰী মহোদয় আৰু ৰাজহ মন্ত্ৰীৰ ওচৰত দাঙি ধৰিছো।

Shri BANESWAR SAIKIA : Mr. Speaker, Sir, it is quite amusg6 t know that under the charged head for 1977-78 an amount of n5 crores and odd has been charged to the Consolidated Fund of Ind'ia. I find it curious that about 29 crores are to be paid as interest Why that capital was borrowed ; how long that policy would be pursued ? If any amount is to be spent the Legislature must have the right to go into it. We want to know how that money is spent ; for what purpose this huge amount is ear-marked. We are the representative of the people and we should have the right to know how the money is spent.

Mr. Speaker : You have a say in the matter.

Shri BANASWAR SAIKIA : It is curious that the representatives of the people cannot question how the money is speant. This procedure should be stopped and measures should be devised to ruduce random borrowing of capital and purposeless spending . I hope the new Government will go into this matter and suggest new measures.

Shri KESHAB CHANDRA GOGOI (Minister, Finance)— Mr. Speaker, Sir, I thank all the hon.members who have participated in debate and offered their valuable suggestions. Now, in this charged account we have expeneses on Governor, expenses for the High Court judges and the interest required to be paid on loans. Now the present position of the loan, as I have already stated in my Budget, is Rs. 637.99 crores upto 31st March, 1978. Now, some hon.members wanted to kuow how and in what respect the loans have been spent. As you all know, Sir, this Government has taken over the charge only the other day and therefore, it will take some time to investigate this

matter and give the information in the august house. Regarding the expenses on the Governor, Sir, it is distributed amongst all the States concerned under the Presidential order. It is not only our burden, it is the burden of all the States. In my Budget speech, I have also said that remunerative capital assets should be created against such borrowings. Unless this is done the burden will be still havier and our finance as I have already stated, is in a most deplorable state. Original budget provision for interest was Rs,29 crores. Now, we require 36 lakhs 16 thousands and two hundred. This is required because some more loans would be released. The shortfall in interest is mainly due to release of the loans such as, for State plan (Block loan) Rs.1.37 cores, Central plan (B. F. C.) rupees two crores. Centrally sponsored schemes on rural industries Rs. 88.63 lakhs was released and some more short term loan was released for agricultural inputs. For these loan no budget provision was made for payment of interest: We are to pay interest at the rate of 5.¼ to 7.¾ p. c. Now it is a fact that the loans were increasing and it has received our attention. We shall take suitable measures as suggested by the hon.members. I can assure the House that we shall take proper care in taking further loan and making expenses thereon. Thank you, Sir.

Mr. Speaker— Now, item No. 2 : Minister, Finance.

VOTING ON SUPPLEMENTARY DEMANDS FOR GRANTS, 1977-78

Shri KESHAB CHANDRA GOGOI (Minister, Finance) : Sir, on the recommendation of the Governor of Assam, I beg to move that an additional amount of Rs. 21,02,000 be granted to the Minister-in charge to defray certain charges which will come in course of payment during the year ending 31st March, 1978 for the administration of the head "214—Administration of Justice"

* Shri SHAMSUL HUDA : I beg to move my cut motion.
That the total provision of Rs. 21,02,000, under Supplementary Demand No 1, Major Head '214-Administration of Justice", at page 1 of the List of Supplementary Demands, be reduced by Rs. 100, i. e., the amount of the whole supplymentary demand of Rs. 21,02,000 do stand reduced by Rs.100.

অধ্যক্ষ মহোদয়, মই ১ নং কাট মোচনটো সমৰ্থন কৰি দণ্ডায়মান কৰিলে আগবাঢ়িছোঁ। আমাৰ উদ্দেশ্য হৈছে আলোচনা উত্থাপন কৰা আৰু সমালোচনা কৰা। আমাৰ দেশ স্বাধীন হোৱা আজি ৩১ বছৰ হৈ গ'ল, এই দীৰ্ঘকাল কংগ্ৰেছ দলেই দেশখনৰ শাসন ভাৰ চলালে, গতিকেই বিগত কাল চোৱাত যি ভাল বেয়া কাম হৈছে তাৰ বাবে কংগ্ৰেছ চৰকাৰেই দায়ী। মাত্ৰ কেইদিনমান আগতেহে অকংগ্ৰেছী চৰকাৰে দেশৰ শাসন ভাৰ ললে, গতিকে এই কম সময়ৰ ভিতৰত যদি কিবা ব্যতিক্ৰম হয় তেতিয়াহলে ইয়াৰ বাবে দোষাৰোপ কৰিব লগীয়া একো নাই কিন্তু আগৰ চৰকাৰে যি ভুল কৰি গ'ল সেই ভুল যাতে এই নতুন চৰকাৰে নকৰে তাৰ বাবে সতৰ্ক হবলৈ সাৱধান কৰি দিয়াটো উচিত হব। 'এডমিনিষ্ট্ৰেটিভ যাচটিচ'ৰ শিতানত এই যি টকা বিচৰা হৈছে তাৰে কৰ্ম্মচাৰী সকলক দি, এ দিয়া, ইন্টেৰিয়াম ৰিলিফ দিয়া জাজক দিয়াৰ কাৰণে আৰু সাক্ষী সকলক ভ্ৰমণ বানচ দিয়াৰ কাৰণে বিচৰা হৈছে, এই ক্ষেত্ৰত মই এযাৰ কথা কও যে যোৱা ৩১ বছৰে আমি কি দেখিছোঁ। পৃথিবীৰ ভিতৰতে আমাৰ এই ভাৰতবৰ্ষতে অসমত মোকদ্দমা বিলাক নিস্পত্তি নোহোৱাকৈ পৰি আছে আৰু দীঘলীয়া হৈছে। আমাৰ নগাঁৱৰে উকীল এজনৰ কথা কও, তেওঁ এতিয়া যথেষ্ট বুঢ়া হ'ল, তেওঁৰ লগত বহুত

---

*Speech not Corrected

দিনৰে পৰা এটা দীঘলীয়া কেচ পৰি আছে, সেই কেচৰ ফাইল ইমান বেঁছি হ'ল যে এজন মানুহে সেই কেচটো কঢ়িয়াই নিব লাগিব, তেওঁৰ পুতেকো এতিয়া উকীল, বাপেক বুঢ়া হোৱাত এদিন পুতেকে কেচটো হাতত ললে আৰু তেওঁ কেচটো প্ৰায় ২০ বছৰৰ মূৰত নিস্পত্তি কৰিলে, সেই দিনা পুতেকে আহি বাপেকক কলে যে দেউতা মই আজি এটা বৰ ডাঙৰ কাম কৰিলো বাপেকে কলে কি কৰিলি পুতেকে কলে সেই পুৰণা কেচটো শেষ কৰিলো। তেতিয়া বাপেকে কলে যে কিয় তই সেই কেচটো শেষ কৰিলি, সেই কেচটোৰেই মই ডাঙৰ লৰাটোক ডাক্তৰ আৰু দ্বিতীয় টোক ইঞ্জিনীয়াৰ আৰু তোক উকীল কৰিলো, এতিয়া যেতিয়া তই শেষ কৰিলি ভাল কৰিলি। এই ধৰণে আদালতত কেচ, কিছুমানৰ সুবিধাৰ কাৰণে নিস্পত্তি নোহোৱাকৈ পেলাই থয়। এনেকুৱা মোকদ্দমাও চলি আছে যে তাত থকা আসামীৰ কেতিয়াবাই মৃত্যু হ'ল আৰু কোনো-বাই কৰবাত পুৰ্ণজন্মও ললে। এই ধৰণে মোকদ্দমা বিলাক নিস্পত্তি নোহোৱাকৈ পেলাই থোৱাৰ কাৰণে সেইবিলাক তেনেকৈয়ে পৰি থাকে অথচ হাজাৰ হাজাৰ টকা সেই কেচবিলাকত খৰচ হৈ থাকে আৰু আদালতৰ পৰা মানুহে ন্যায় বিচাৰ নাপায়। অকল সেয়েই নহয় কেতিয়াবা বিচাৰ বিভাগৰ লগত কোনো কোনো ক্ষেত্ৰত তদন্ত বিভাগো দায়ী থাকে। বিচাৰ বিভাগৰ হাতলৈ কেচবিলাক দেৰীকৈ অহাৰ কাৰণে বছৰৰ পিচত বছৰ আদালতত আসামী হাজীৰ হৈয়ো বিফল মনোৰথহৈ যাবলগীয়া হয় আৰু কেচবিলাক নিস্পত্তি নোহোৱাকৈ পৰি থাকে। কেতিয়াবা আকো হাকীম ছুটীত থাকে নহয়তো অসুখত পৰে নহয়তো কেতিয়াবা আন কামত আদালতৰ পৰা দূৰত থাকে ফলত সেই মোকদ্দমা উঠাই দিয়াৰ উপক্ৰম হয় আৰু হাজাৰ হাজাৰ টকা খৰচ হৈ থাকে।

মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা মকৰ্দ্দমা সদায়েই হৈ আছে যি বিলাক মকৰ্দ্দমাৰ কাৰণে সমস্ত সম্পত্তি আদি নাইকীয়া হৈ যায়। সেই কাৰণেই মই আমাৰ নতুন চৰকাৰক অনুৰোধ কৰিছো যাতে মোকৰ্দ্দমা বিলাক অতি সোনকালেই নিস্পত্তি কৰাৰ ব্যৱস্থা লয় আৰু কংগ্ৰেছৰ কুখ্যাত ৩১ বছৰীয়া শাসনৰ যাতে আৰু পুনৰাবৃত্তি নহয়। তাৰ কাৰণে অনুৰোধ কৰিছো। তাৰ লগতে আৰু এটা কথা হৈছে যে, সাক্ষী-বিলাকৰ পইচা দিয়াৰ এটা কথা হৈছে। দেখা যায় সাক্ষী বিলাক আহে আৰু তেওঁলোকক ভ্ৰমণ বানচ দিয়া হয়। ১০/১৫ জন সাক্ষী লৈ আহে। অনাৰ পিছত যদি মোকৰ্দ্দমা নুঠে তেতিয়াহলে, সাক্ষীৰ শোভাযাত্ৰা হোৱাৰ বাহিৰে আৰু একো নহয়।ইয়াৰ যাতে পুনৰাবৃত্তি ঘটিব নোৱাৰে তাৰ কাৰণে নতুন চৰকাৰক অনুৰোধ কৰিছোঁ। প্ৰয়োজন হলে আইনৰ সংশোধন কৰি হলেও নিৰ্দ্দিষ্ট দিনৰ ভিতৰত কেছ বিলাক নিস্পত্তি কৰিবৰ কাৰণে ব্যৱস্থা বান্ধি দিব লাগে। দেৱানী আদালতৰ আমি এটা কথা দেখিছোঁ বিশেষকৈ আমাৰ নগাঁৱত যে, পুলিচ আদি আনিবৰ কাৰণে আৰু নানা কাৰণত খৰছ কৰিবৰ কাৰণে কিছু পইচা ৰাইজে এজন মানুহৰ হাতত জমা দিব লাগে। কিন্তু কোন 'হিড্‌ত' জমা দিবলাগে তাৰ কোনো নিৰ্দ্দিষ্ট হেড্‌ নথকাৰ কাৰণে এই ব্যৱস্হাটোৰ কোনো নিৰাপত্তা নাই। গতিকে এইটো পইছা জমাদিবৰ কাৰণে যাতে এটা 'হেড্‌' থিক কৰি দিয়ে তাকে মই নতুন চৰকাৰৰ ওচৰত দৃষ্টি আকৰ্ষণ কৰি মই 'কাট্‌ মোচনটো'ৰ সমৰ্থন কৰিছোঁ।

শ্ৰীনুৰুল হুদা :—মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমানে যে সামাজিক অৰ্থনৈতিক ব্যৱস্হা আছে তাতে বিচাৰ বিভাগে কোন মৌলিক সংস্কাৰ কৰা সম্ভৱপৰ কিনা সেটা সন্দেহজনক। আমি এই বিচাৰ বিভাগ সম্পৰ্কে আলোচনা কৰতে গিয়ে মাত্ৰ ২/১ টি বিষয়েৰ অৱতাৰণা কৰব এবং আপনাৰ মাধ্যমে নতুন মন্ত্ৰীসভাৰ দৃষ্টি আকৰ্ষণ কৰব।

প্ৰথমতঃ আমাৰ কথা হলো যে, হাইকোৰ্টে কিংবা ডিষ্ট্ৰিক্ট এণ্ড সেসন জজ্‌ কিংবা অন্যান্য জুডিসিয়াল অফিসেৰ বহু পদ আসামেৰ বহু যায়গায় আজও শূণ্য ৰয়েছে। যাৰ ফলে যে সমস্যাৰ উদ্ভৱ হয়েছে, যে কথা মাননীয় সদস্য সামসুল হুদা সাহেবও উৎথাপন কৰেছেন এবং বলেছেন যে মানুসেৰ প্ৰকৃত বিচাৰ পেতে অনেক

দেরী হচ্ছে। অবশ্য এর অন্যান্য কারণও আছে। বহু যায়গায় দেখা যায় ম্যাজিষ্ট্রেট নাই। জুডিসিয়েল অফিসার নাই, জুডিসিয়েল ম্যাজিষ্ট্রেট নাই। যেখানে ৪/৩ জন মেজিষ্ট্রেট থাকার কথা সেখানে দেখা যায় ১জন বা ২জন আছেন। এইভাবে আসাম হাইকোর্টেও দুইজন বা তিনিজন জজ্'এর পদ আজপর্য্যন্ত পূরণ করা হয়নি। যদি এইসব পদের জন্য যোগ্য লোক আমাদের না থাকে তবে বাইরের লোক কেন আনা হচ্ছে না সেকথা আমি বুঝতে পারি না। সেজন্য আমি নতুন মন্ত্রীসভার কাছে অনুরোধ করবো যাতে তাঁরা অতি শীঘ্র এই সমস্ত শূণ্য পদে যোগ্য ব্যক্তি নিয়োগ করেণ।

আমার দ্বিতীয় কথা হলো যে, আমরা লক্ষ্য করেছি শিলচর এবং আসামের অন্যান্য যায়গায় জুডিসিয়েল অফিসার, মুনসেফ, জুডিসিয়েল ম্যাজিষ্ট্রেট ইত্যাদি যেসব অফিসার আছেন, যাঁরা বেশী বেতন পান না তাদের সরকারী বাসভবনের বড় অভাব। আমি আমার ব্যক্তিগত অভিজ্ঞতা থেকে বলতে পারি যে, যেসব অফিসার ব্রহ্মপুত্র উপত্যকা থেকে কাছাড়ে বদলী হয়ে যান, সে শিলচর হোক বা করিমগঞ্জেই হোক কিংবা হাইলাকান্দিতেই হোক, এইসব শহরে তাঁরা বেশীদিন থাকতে চান না। তার মূল কারণ হলো সে সব যায়গায় তাদের থাকার কোন সুবিধা নাই। বাড়ী ভাড়া দিতে গিয়ে তাঁদের মাসিক আয়ের শতকরা ৩০/৪০ ভাগ টাকা চলে যায়। সুতরাং এই সব অফিসার যাঁরা মাসে ৬/৭ শত টাকা বেতন পান তাদের পক্ষে সংসারের অন্যান্য খরচ চালিয়ে এত বাড়ী ভাড়া দিয়ে থাকা সম্ভবপর হয়ে উঠেনা। মহোদয়, আমি জানি, শিলচর যে ডাক বাংলো আছে সেখানে মাত্র ৬/৭ জন অফিসারের থাকার যায়গা আছে, সেখানে অনেক অফিসার বছরের পর বছর ধরে থাকছেন। তাদের মধ্যে বেশীর ভাগই জুডিসিয়েল ম্যাজিষ্ট্রেট কিংবা মুন্সেফ। তাছাড়া, মহোদয়, হাইলাকান্দি শহরে আমি শুনেছি, সাব ডিভিসানেল জুডিসিয়েল ম্যাজিষ্ট্রেটের জন্য কোন থাকার যায়গা নাই। এই সমস্ত ব্যাপারে, এই সব অফিসারগণ বহুদিন যাবত্ বার বার উচ্চতম কর্ত্তৃপক্ষের কাছে বহু আবেদন নিবেদন করা সত্বেও আজ পর্য্যন্ত এই সমস্যার কোন সমাধান হয়নি। এমনকি তাঁরা প্রাক্তণ মুখ্যমন্ত্রী ও আইন মন্ত্রী এবং অন্যান্য মন্ত্রীদের কাছে, তাছাড়া হাইকোর্টেও বহু আবেদন নিবেদন করা সত্বেও কোন ফল হয়নি।

মহোদয়, বিচার বিভাগের জন্য যে ব্যয় বরাদ্দের দাবী করা হয়েছে, এ সম্বন্ধে বলতে গিয়ে আমি নতুন মন্ত্রীসভার কাছে অনুরোধ করবো যেন তাঁরা এই সমস্ত অফিসারদের কথা অত্যন্ত সহানুভূতি সহকারে বিচার বিবেচনা করেণ এবং এই বিভাগে যে সমস্ত পদ শূণ্য রয়েছে সেই সমস্ত পদে যেন উপযুক্ত লোকের নিয়োগের ব্যবস্থা অনতিবিলম্ব করেণ। আমি বিস্বাস করিনা যে আমাদের রাজ্যে এই সমস্ত জুডিসিয়েল ম্যাজিষ্ট্রেট পদের জন্য উপযুক্ত প্রার্থীর অভাব হবে। আমাদের রাজ্যে বি, এ, এম, এ ; এম, এস, সি ; ল্য গ্রেজায়ট যাঁরা এখনো প্রচুর বেকার রয়েছেন তাদের এইসব পদে প্রতিযোগীতামূলক পরীক্ষার দ্বারা নিয়োগ করে অত্যন্ত অল্প সংখ্যক হলেও আংশিকভাবে যেন বেকার সমস্যার সমাধান করা হয়। এর ফলে তাড়াতাড়ি মামলা মোকর্দ্দমার নিস্পত্তি হবে এবং জনসাধারণের অসুবিধা আংশিক ভাবে দূর হবে। এই কয়েকটা কথা বলে আমি আপনার মাধ্যমে এই নতুন মন্ত্রীসভার দৃষ্টি আকর্ষণ করলাম।

Mr. SPEAKER—Now, I want to give a chance to the Hon'bl· Member Shri Sirajul Haque.

শ্ৰীচিৰাজুল হক :—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীহুদা ডাঙৰীয়াই উৎথাপন কৰা কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি কব খুজিছো। মাননীয় সদস্য সকলে ন্যায় পালিকাৰ হাকিম আৰু মুন্সিফৰ বাসভবন আৰু বিছাৰৰ পলম হোৱাৰ কথা কৈছে। মই

এটা কথা কব খুজিছো আমাৰ অসমত কোনোবা এজন মানুহে যদি এবিঘা মাটিৰ বেদখলী দেৱানী মোকৰ্দ্দমা কৰিব লগীয়া হয় তেনেহলে সেই এবিঘা মাটিৰ কাৰণে সেই মূল্যৰ ওপৰত যিমান কোৰ্টষ্টাম্প দিব লাগে অধ্যক্ষ মহোদয় আপুনি নিশ্চয় জানে ভাৰতবৰ্ষৰ অন্যান্য প্ৰদেশতকৈ অসমত তাৰ ৰেট বহুতবেছি। এবিঘা মাটিৰ ১000 টকা মূল্যত দেৱানী আদালত কৰিবলৈ হলে এজন গৰীব মানুহে ১৩২.৮৫ পইছা কোৰ্ট ফিছ দিব লাগে। অন্যান্য প্ৰদেশৰ তুলনাত ই বহুত বেছি। বাংলাদেশত কম, উত্তৰ প্ৰদেশত আটাইতকৈ কম, বিহাৰতো কম। ইয়াৰ ফলত ন্যায় বিচাৰটো গৰীবৰ কাৰণে বেছি দামী হৈ পৰিছে আৰু এজন মানুহে এবিঘা মাটিৰ বেদখলী কেচ কৰিবলৈ হলে তাৰে ধনীজনৰ ওচৰত আধাবিঘা আপোচ কৰিবলৈ বাধ্য হয়।

মাননীয় অধ্যক্ষ :—এক্সপ্লানাটৰী নোটত সকলো কথা কোৱা আছে, মাননীয় সদস্য গৰাকীয়ে তাৰ ভিতৰতে কলে ভাল হয়।

শ্ৰীচিৰাজুল হক :—ন্যায়পালিকা সকলক ঘৰবাৰী দিয়া কথাটো বৰ দৰ্কাৰী কথা। বৰপেটাৰ সদৰ মুন্সীফৰ ঘৰবাৰী নথকাৰ কাৰণে কোনোবা বিষয়া তাত বদলি হৈ আহিলে প্ৰথমে হোটেলত আহি থাকিব লাগে। বৰপেটাৰ কেইজনমান মহাজনে হাকিমৰ কাৰণে বিশেষ ঘৰৰ ব্যৱস্থা কৰিছে। তেওঁলোক আহিলে তাত থাকিবই। গতিকে ৰাইজে ভাবে যে জাষ্টিজ এই লোক সকলেহে দিব পাৰে। সেই কাৰণে ৰাইজে উকিল মহৰি বাদ দি মহাজনৰ পিছে পিছে দৌৰা দেখা যায়। গতিকে বিছাৰপতি সকলৰ যিখিনি পদমৰ্যদা সেই পদমৰ্য্যদা বছাই ৰাখিবলৈ হলে তেওঁলোকক পৃথক ঘৰবাৰী দিয়াৰ ব্যৱস্হা কৰিব নহলে প্ৰকৃত বিছাৰ দিয়টো তেওঁলোকৰ পক্ষেও দিগদাৰহৈ পৰে যিহেতু আহিয়ে তেওঁ-লোকে মহাজনৰ ঘৰত আছিলহি। গতিকে মই আপোনাৰ জৰিয়তে নতুন চৰকাৰক টানি অনুৰোধ কৰিলো যাতে অতিসোনকালে এই বিছাৰপতি সকলৰ থকামিলা ঘৰৰ সুবন্দোবস্ত হয়।

দ্বিতীয়তে কেছবিলাক পলম হোৱাৰ কথা বন্ধুবৰ সকলো সদস্যই কৈছে। ইয়াৰ কাৰণো আছে। বৃটিশ চৰকাৰৰ দিনৰে পৰা যিবিলাক চমন ফৰম আছে সেইবিলাকেই এতিয়াও চলি আছে তাৰ নতুনকৈ চপা কৰাৰ ব্যৱস্হা আজিও হোৱা নাই। মোৰ আজি ১১ বছৰীয়া ওকালতি অভিজ্ঞতাৰে দেখিছো এই ফৰমবিলাক নতুন নোহোৱাৰ কাৰণে চৰকাৰৰ যথেষ্ঠ লোকচান হৈছে। ফলত মহৰী বিলাকেও জুলুম পায় আৰু ৰাইজেও ৪ অনাৰ ঠাইত ২ টকা খৰচ ভৰিবলগীয়া হয়। আনহাতে দুখৰ কথা যে আদালতত যিখন হাজিৰা দিয়া কাগজ 'কাৰ্টিচ' পেপাৰ সেইখন পাবলৈ নাই তাৰ সলনি যিখন নীলা কাগজ সেইখন ৪ পইছাৰ ঠাইত ১০ পইছাত কিনি আনিবলগা হয়। (সময়ৰ সংকেট) ইয়াৰ ফলত আমাৰ চৰকাৰ যিভাবে লাভবান হব লাগিছিল সেইধৰণে লাভবান হব পৰা নাই। এই ফৰ্মবিলাক কিছুমান প্ৰতিষ্ঠানক চপা কৰিবলৈ দিয়া হৈছে, তেওঁ-লোকেও সময়মতে দিব নোৱাৰে। এই ফৰম বিলাক যাতে সোনকালে পায় তাৰ বাবে আইন মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো। তাৰ পিচত কিছুমান ফৰমত হাইকোৰ্টলৈ কেছ দিয়া হয় কিন্তু সেই ফৰম বিলাকত দোষত্ৰুটি থকা কাৰণে সেইবিলাক আকৌ ঘূৰাই পঠিওৱা হয় যাৰ কাৰণে এই দেৰী বিলাক হয়। এই কথাটো সচাঁ মই নিজেই জানো কিছুমান কেছ ৩০ বছৰ পৰ্য্যন্ত চলিয়ে আছে। মই নিজে এটা কেছ ১৫ বছৰ মোৰ চিনিয়ৰে চলোৱাৰ পিচতময়ো ১০ বছৰ চলালো। পাৰ্টিয়ে জুলুম পায় আমিও দিগদাৰী পাইছো ফলত আপোচ কৰিবলৈ বাধ্য হৈছো। (সময়ৰ সংকেট)

সেই কাৰণে মই নতুন চৰকাৰক বিনীতভাৱে অনুৰোধ কৰিছো যতে ন্যায় পালিকা আৰু বিচাৰ আদিৰ ক্ষেত্ৰত যিবিলাক টেকনিকেল দিফিকালটি সেইবিলাক আঁতৰ সোনকালে আতৰ কৰি ৰাইজৰ মঙ্গল কৰিব।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (বিত্তমন্ত্ৰী) :—মাননীয় অধ্যক্ষ মহোদয়, মই নিজে ৩০ বছৰকাল ওকালতি কৰি আহিছো। মাননীয় সদস্য সকলে যিখিনি কথাৰ উল্লেখ কৰিছে সেইখিনি ময়ো ভালকৈ জানো। তেখেত সকলে এটা কথা কৈছে 'লছ দিলে' এইটো এটা সমস্যা হৈ পৰিছে। মাননীয় এগৰাকী সদস্যই কৈছে যে 'জাষ্টিজ দিলেইদ ইজ জাষ্টিজ দিনাইদ' এই সকলোবোৰ কথা আমি চিন্তা কৰিব লাগিব। এক পক্ষক দোষাৰোপ কৰিলে ইয়াৰ সমান নহব। যিখিনি খুটিনাতি দাঙি ধৰিছে সেই বিষয়ে চিন্তা কৰিম। তেখেত সকলে আদালতৰ Office গই টকা জমা দিয়াৰ কথা কৈছে। কিছুমান টকা জমা দিয়া আইনত ব্যৱস্থা আছে। ইয়াৰ বাহিৰেও সাক্ষীৰ খৰছ জমা দিয়ে আৰু তাৰ কাৰণে নাজিৰে টকা জমা ৰাখি ৰছিদ দিয়ে আৰু সেই টকা দৰ্কাৰমতে খৰছ হৈ যায়। গতিকে মই ভাবো ইয়াৰ পৰা বিশেষ একো অসুবিধা হোৱা নাই।

হাইকোৰ্টত Judgeship অৰ ভেকেন্টপোষ্টৰ কথা কোৱা হৈছে। আমি মন্ত্ৰী সভাৰ দায়িত্ব লোৱা মাত্ৰ অলপদিন হৈছে গতিকে আমি ঠিক কৰ নোৱাৰিম, এই সম্পৰ্কে পৰীক্ষা কৰি চোৱা হব। নিযুক্তি সম্পৰ্কত হাইকোৰ্টেই Lowr judiciary ৰ সকলো নিযুক্তি দিয়ে। এই সম্পৰ্কত আমাৰ দৃষ্টিগোচৰ কৰিলে আমি নিশ্চয় সেই বিষয়ে আমাৰ কৰিবলগীয়াখিনি কৰিম। সাধাৰণতে নিযুক্তিবিলাক হাইকোৰ্টেই দিয়ে। দণ্ডাদিশ আৰু মুন্সিফৰ আসন খালিৰ ক্ষেত্ৰত আমি যোগাযোগ কৰিম। মাননীয় সদস্য সকলে মেজিষ্ট্ৰেত বিলাকৰ বসভৰনৰ কথা কৈছে। এই কথাটো ময়ো বহুতদিনৰ পৰা অনুভব কৰি আহিছো। ১৯৬৯ চনত মই যেতিয়া অল আসাম লৱাৰচ কনফাৰেঞ্চৰ ৰিচেপচন কমিটিৰ চেয়াৰমেন আছিলো তেতিয়া মোৰ এড্ৰেচত এই কথাটোৰ উল্লেখ আছিল ১৯৭২ চনতো এই সম্পৰ্কে এটা প্ৰস্তাৱ লোৱা হৈছিল যাতে তেওঁলোকক থকা ঘৰৰ সুবিধা দিয়া হয়।
তিনিচুকীয়াত অলপতে জুদিচিয়েল কৰ্ট অপেন কৰা হৈছে। মই ডিব্ৰুগড় বাৰ এচোচিয়েচনৰ সভাপতি আছিলো। তিনিচুকীয়াত জুদিচিয়েল কৰ্ট অপেন কৰোতে মই মাননীয় Chief Justice Mr.Pathakৰ দৃষ্টি আকৰ্ষণ কৰিছিলো যে মেজিষ্ট্ৰেট আৰু Munsiffৰ ঘৰ নিদিলে তেখেত সকলে কাৰ্য্যভাৰ সম্পাদন কৰাত অসুবিধা পাব। মেজিষ্ট্ৰেট আৰু মুন্সিফ সকলে যদি ভাৰা ঘৰত থাকিব লয় তেতিয়া ন্যায় বিচাৰ কৰা নহয় বুলি মানুহে সন্দেহ কৰে। সেই কাৰণে মেজিষ্ট্ৰেটৰ ঘৰ বিলাক সুকীয়া হোৱাত মোৰ দ্বিমত নাই। এই ঘৰ বিলাকৰ সম্বন্ধে আমি চিন্তা কৰিয়েই আছো আৰু যিমান সোনকালে পৰা যায় ব্যৱস্থা কৰিবলৈ চেষ্টা কৰা হব। এইটো অকল তিলচৰৰেই সমস্যা নহয়, এইটো গোটেই অসমৰে সমস্যা।

মোৰ এজন বন্ধুৱে কোৰ্ট ফি সম্পৰ্কে কৈছে। অৱশ্যে এই সম্পৰ্কৰ কথা আমাৰ ইয়াত নাহে। তথাপি এভিকচন কেচ কৰিবলগীয়া হলে ফিজ দিব লাগে। কোৰ্ট ফি আইনখন পুনৰ পৰীক্ষা কৰি চাম। ফৰম সম্পৰ্কত যিবিলাক কথা কৈছে মইও সেই বিলাক অনুভৱ কৰিছো। এই বিলাক যদি চৰকাৰে বিক্ৰি কৰিব পাৰে চৰকাৰৰ আয় হব। এই সম্পৰ্কে আমি চিন্তা কৰিছো, আৰু মই নিজেও এইটো অনুভৱ কৰিছো। এইবিলাক ডিষ্ট্ৰিক্টৰ বাবে বিক্ৰি কৰাৰ কাৰণে বাৰৰ লাভ হয়। যদি এইবিলাক চৰকাৰে বিক্ৰি কৰিব পাৰে চৰকাৰৰ ভৰাললৈও বহুত ধন আহিব। কাৰ্টিজ পেপাৰ সম্বন্ধে যিবিলাক কথা কৈছে সেই বিলাক কথা আমিও চাই আছো। এই পেপাৰ বিলাকত দহ পইচাকৈ বিক্ৰি

কৰে তাৰ আচল মূল্য ৩।৪ পইচাকৈহে পৰে। এই কাৰ্টিজ পেপাৰ সম্বন্ধে আমি চাম আৰু ইয়াৰ এটা সোনকালে ব্যৱস্থা কৰিম। আৰু এটা কথা, মই এটা শুধৰণী কৰিব বিচাৰিছো জুদিচিয়েল মেজিষ্ট্ৰেট আৰু মুন্সিফ চিলেক্ট কৰোতে শতকৰা ৫০ ভাগ হাই-কোৰ্টে নিজে কৰে আৰু বাকী শতকৰা ৫০ ভাগ লোকসেৱা আয়োগে কৰে পোষ্টিং, ট্ৰেন্সফাৰ, প্ৰমোচন আদি বিলাক হাইকোৰ্টে কৰে। অধ্যক্ষ মহোদয়, এইখিনি কৈয়ে মই মাননীয় সদস্যক কৰ্তন প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ কৰিলো।

Mr. SPEAKER : Is the Hon'ble member pleased to withdraw the Cut-motion ?

(Cut-motion withdrawn)

Now, I put the demand that on the recommendation of the Governor of Assam an additional amount of Rs. 21,02,000 be granted to the Minister-incharge to defray certain charges which will come in course of payment during the year ending 31st March, 1978 for the administration of the head "214—Adminitration of Justice".

(Demand passed)

Now item No. 2.

শ্ৰীলক্ষেশ্বৰ গোহাঁই ঃ—অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে ১৯৭৮ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত কেতবোৰ ব্যয় বহন কৰিবলৈ ২২৯—ভূমি ৰাজহ, ৩০৪—অন্যান্য সাধাৰণ অৰ্থনৈতিক সেৱা—।।।—সীমা নিৰ্দ্ধাৰণ ৫০৪—অন্যান্য সাধাৰণ অৰ্থনৈতিক সেৱাৰ বাবে মূলধন ব্যয়ৰ সম্পৰ্কীয় শিতানৰ প্ৰশাসনৰ অৰ্থে ভাৰপ্ৰাপ্ত মন্ত্ৰীক অতিৰিক্ত ১,৩১,৪৬,৩১২ টকা মঞ্জুৰ কৰিব লাগে।

Shri GIASUDDIN AHMED : Mr. Speaker Sir, I beg to move that the total provision of Rs 1,31,46,312 under supplementary Demand No. 2, Major head "229—Land Revenue, 304—Other General Economic Services-III-Land Ceiling, 504 Capital Outlay on Other General Economic Services', at pages 2—4 of the List of Supplementary Demands, be reduced by Rs 100 i. e. the amount of the whole supplementary demand of Rs 1,31,46, 312, do stand reduced by Rs 100. Sir, in moving this Cut-motion I would like to make a few observation. In the explanatory note of the demand it has been stated that " the current years Plan provision of 15,00 lakhs under Land Reforms schemes falls short of the approved outlay of Rs 22,00 lakhs. To make good the short fall a provision of Rs 7,00 lakhs in current year's budget is necessary. The expenditure is of immediate nature. Hence the supplementary demand. " Now. Sir, for the land reform measures this additional amount is required. We may not have any objection to vote for any additional amount for land reform measures if those measures are implemented properly. As our experience shows, the land reform measures that were undertaken were almost on papers. We heard many high sounding words about land reform measures but our bitter experience is this that these measures were not actually properly implemented in the field. Sir, so far land reform measures

are concerned we have Acts—Tenancy Act and the Ceiling Act. We should agree that there are certain progressive provisions in these two Acts But there are some anomolous provisions also found in actual implementation of those measures. The Tenancy Act gives the Adhiers the right of the Tenants. The Adhier conciliation Act was repealed and the rights and privileges of the Adhiers have been guaranteed under the provision of the Tenancy Act. The Adhiers have been regarded as Tenants with occupancy rights. The definition of the word Tenant has been so amended as to include the adhiers also. Therefore, under the provision of this Act adhiers are no longer adhiers. They are tenants. The adhiers must be given the rights and privileges the tenants enjoy under provisions of the Act. I should say this is a progressive measure as compared with the previous Acts. Now Sir, the point is during the settlement operations the names of the adhieres were not recorded as tenants. When the Survey and settlement was made particularly in the District of Goalpara where previously the Goalpara Tenancy Act was in force and in the Karimganj subdivision where the Sylhet Tenancy Act was in force the names of the adhiers were not recorded as tenants. At that time they had no locusstandi as such. But by virtue of the present act since they have been given the rights of tenants their names ought to have been recorded in the record of right. This was not done and till today their fate is hanging in the balance. In fact what happend Sir? The unscrupulous land lords started eviction operation all over the State before the provisions of the Act could be implemented. They have formed a Pattadar Sangha for carrying out eviction operation against the adhires and everywhere the adhieres were harrassed like anything. They were forcibly evicted and against them criminal cases were instituted. Not only that, murders also took place. But unfortunately, the Government, I would like to say with regret, has not taken any steps to combat the situation, though there were provisions for protection of these people. I would therefore appeal to the present Government to start settlement operation for recording the names of these people as tenants in the register without the least delay. That is one thing Sir. We have a Ceiling Act by which surplus over 50 bighas of land would be acquired and there is a programme that all the surplus land thus acquired would be distributed amongst the landless peasants of the State. It is very interesting to note that there is a conflict between the Tenancy Act and the Ceiling Act. Under the provision of the Ceiling Act all the surplus land would be acquired. As soon as the surplus land are acquired these become the Government has property and thereafter the Government can distribute these lands to the deserving persons as per law. Now, I will explain the conflicts by citing one example. Say 'X' is the landlord who has 60 bighas of lands. He has some adhieres or tenants also. Out of the 60 bighas 10 would be considered as surplus which is under the occupation of a tenant. If that 10 bighas are taken away as surplus the tenant would be affected. Hereunder the tenancy Act he is to be given the occupancy right over this ten bighas But under provision of the ceiling Act this becomes Government land. Whether theTenancy Act would prevail or the Ceiling Act would prevail no body knows. This aspect of the matter should be thoroughly examined and a decision taken. I think there should be amendment on these Acts to remove the anomalies. Now, if the total area of lands under a tenant exceeds 50 bighas that is a different thing altogether. I would appel to the Government to take suitable measures for removing these anomalies.

Mr. SPEAKER: The honourable member should restrict himself to the points on which a Cut motion is raised and there should not be a general discussion on this.

Shri GIASUDDIN AHMED: I am referring to the land reforms measures. In the Explanatory notes the land reform measures were referred to and therefore. I think I am within the scope of the cut motion. Now, regarding the acquisition of Ceiling Surplus lands there are large number of anomalies and consequently there are a number of Ceiling cases. There is no provision in the Ceiling Act for filing any appeal to the Government and therefore the Government has no jurisdication to entertain any appeal petition regarding the acquisition of ceiling surplus land. In the Revenue Department of the Secretariat thousands of appeals are pending particularly from the tea gardens these files are rotting in the Department. The present Government should take up suitable measures quickly. Regarding the distribution of Ceiling Surplus land and other waste ands the S. D. C.s were asked to prepare lists of landless people. How the lists were prepared is an interesting story. The Gaon Panchayts or la Mondals were asked to prepare the list. One man who is a big land holder having 100 bighas of land or 500 bighas of lands (Voices : There is a Congresman who is having more 300 bighas of land...............) I want to make a passing reference that these persons who obstruct the implementation of the land reform measures are all pillars of the burguise parties. The obstruction always comes from the vested interests. The lists of the landless people are prepared by the lat Mondals. What happened in muslim areas ? The remour was spread that the landless persons would be regarded as Pak nationals and that list was being prepared to find out such persons So Muslim landless people become panicky and requested lat mondal to exclude them from the list. Therefore they spent money also for exclusion of their names from the list.

On the other hand a rich land holder's son who is not having land in his own name is legally landless-so he approaches the Lat Mondal to include his name as a landless person and thus the list was prepared. So there should be a thorough verification of the list of landless persons for finding out the actual landless persons. There are other matters but I do not like to take much time of the House.

Mr. SPEAKER—Every member should explain why money asked for should not be given and not speak in a general way.

Shri GIASUDDIN AHMED— This is a cut motion, this is a policy cut motion. I do not say that money should not be given. I moved this cut motion to raise a discussion and to criticise certain policy. That is exactly what I have d ne. Thank you.

* শ্ৰীচামছুল হুদা ঃ—মাননীয় অধ্যক্ষ মহোদয়, মই এই কৰ্ত্তন প্ৰস্তাৱ সম্পৰ্কত কেইটা-মান কথা কবলৈ বিচাৰিছো। যদিও সময় বহুত কম তথাপি ভূমি সংস্কাৰৰ খাটৰত এই ৰেভিনিউ বিভাগত কিছুমান গুৰুত্বপূৰ্ণ কথা দিয়া আছে। ৪ নং পৃষ্ঠাত আছে যে, অতিৰিক্ত ৩ লাখ মান টকা লাগে গাঁওবুঢ়া সকলক দৰমহা দিবৰ কাৰণে। আগতে গাঁও-বুঢ়াৰ দৰমহা আছিল ২৫০ টকা এতিয়া এইটো ৫০০ টকা কৰিলে।

* Speech not corrected

অধ্যক্ষ মহোদয়, এই গাঁওবুঢ়াৰ ব্যৱস্হাতো বৃটিছ আমোলৰ পৰা চলিছে। দেশৰ সকলো ব্যৱস্হাই নতুন পূৰ্ণাণ হৈছে, কিন্তু গাঁওবুঢ়াৰ ক্ষেত্ৰত একোৱেই হোৱা নাই। অৱশ্যে ২৫০ টকাৰ পৰা ৫০০ টকা দৰমহা কৰিছে চৰকাৰে অনুগ্ৰহ কৰি। বোধকৰো দৰমহা পোৱা বিভাগৰ ভিতৰত চৰকাৰৰ ঘৰৰ পৰা এই গাঁও বুঢ়া সকলেই দৰমহা বেছি পাইনোকি ? যদিহে প্ৰকৃততে গাওঁবুঢ়া সকলৰ প্ৰয়োজন আছে প্ৰশাসন চলোৱাৰ বাবে, সমাজ চলোৱাৰ বাবে তেনেহলে ৫০০ টকা দৰমহা দি এবছৰৰ বাবে এজন মানুহ ৰাখি তেওঁৰ পৰা আমি কি সমাজ সেৱা আশা কৰিব পাৰো ? যদি সচাকৈয়ে গাঁওবুঢ়াৰ সেৱাৰ প্ৰয়োজন আছে আৰু এই সেৱা যদি অপৰিহাৰ্য্য বুলি ধৰা হয় তেনেহলে এই গাঁওবুঢ়া সকলৰ অৱস্হা উন্নত কৰি যথাযথ ভাবে নতুন ধৰণেৰে কামৰ নিৰ্দ্দেশ দি সেৱাৰ ব্যৱস্হা চৰকাৰে কৰিব লাগে। ইয়াৰোপৰি যদিও ২৫০ টকাৰ পৰা দৰমহা ৫০০ টকা কৰা হল, এই দৰমহা লবলৈ যাওতে আমাৰ গাঁওবুঢ়া সকল কিমান অসুবিধাৰ সম্মুখীন হব লগা হয়। আমি শুনিবলৈ পাইছো যে, বহুতো গাঁওবুঢ়াই দৰমহা লবলৈ যাওতে এচ, দি চি, মন্দল, কাননগু আদিক টকাৰ অংশ দিব লগা হয়। গতিকে এই ৫০০ টকাৰ ভিতৰত কি ৰহস্য সোমাই আছে কব নোৱাৰো। গতিকে আমাৰ চৰকাৰক আপোনাৰ জৰিয়তে অনুৰোধ কৰিলো যে, যাতে এই গাঁওবুঢ়াৰ ব্যৱস্হাটো ভালকৈ চাই আৰু এটা তদন্ত আয়োগ গঠন কৰিব লাগে। এইধৰণে গাঁওবুঢ়া সকলৰ সেৱা আদায় কৰাৰ সু-ব্যৱস্হা কৰিব লাগে। উপযুক্ত মানুহ নিয়োগ কৰি যাতে দৰমহাও বঢ়াই দিয়ে তাৰ কাৰণে অনুৰোধ কৰিলো। ১৪নং কৈছে যে, ৩৬ লাখ ৩৫ হাজাৰ ৩১২ টকা বিচাৰিছে।

A sum of Rs. 36, 35,312 was taken as advance from contingency fund to sanction the amount under the scheme for financial assistance for development and cultivation of land declared surplus as a result of imposition of land ceiling during 1977-78. Hence the supplementary demand.

চৰকাৰে চিলিং আইনৰ যোগেদি উদ্ধৃত্ত মাটিৰ পৰিমাণ ঘোষণা কৰিছে। সেই মাটি বিলাক উন্নত কৰিবৰ কাৰণে, খেতি আদি কৰিবৰ কাৰণে এই টকা লাগে বুলি ধৰা হৈছে। আমাৰ মন্ত্ৰী মহোদয়ে এই বিষয়ে ইয়াত কোনো ৰকমৰ আভাষ দিয়া নাই। যে, এই দেভলপমেন্টৰ বাবে কিমান টকা লাগিব বা কৃষিৰ বাবে কিমান টকাৰ প্ৰয়োজন হব তাৰ কোনো উল্লেখ বা আঁচনি নাই। কল্পনা কৰি লোৱাৰ বাহিৰে আমাৰ কোনো উপায় নাই। অৱশ্যে মই বাহিৰত যিটো শুনিছো সেই অভিজ্ঞতাৰ পৰাই কৈছো মন্ত্ৰী মহোদয়ে এই বিলাক কথা একো উল্লেখ কৰা নাই। কংগ্ৰেছ চৰকাৰৰ দিনত যিবিলাক চাৰপ্লাচ মাটি বিতৰণ কৰা হৈছিল, সেই সম্পৰ্কত মই এটা কথা কব বিচাৰিছো। কালি এজন সদস্যাই কৈছে যে আপুনি কথাই কথাই কংগ্ৰেছ চৰকাৰৰ কথা কৈ থাকে। নকলেও মোৰ উপায় নাই।

এইখিনিতে মোৰ গল্প এটালৈ মনত পৰিছে। ৰূপহী বজাৰত এখন চাহৰ দোকান আছিল। তেওঁৰ দোকানত পুৰী লওঁতে কলে মোৰ দোকানত দুই ৰকমৰ তৰকাৰী আছে। এটা খালে ৰাতিপুৱা উঠি ভগবানৰ নাম লব পাৰিব আৰু এটা খালে ৰাতিপুৱা ভগবানৰ নাম লোৱাৰ আগতে মোৰ নাম লব লাগিব। তাৰ মানে এইটোৱেই দোকানীয় তৰকাৰীত ইমান উৎকট জলা দিছে যে চকু মুদিয়েই ঘটি বিচাৰিব লাগিব। আৰু তেতিয়াই দোকানীৰ নাম মনত পৰিব। ঠিক তেনেকৈ যোৱা ৩১ বছৰে ৰাইজৰ কংগ্ৰেছে এনেকৈ জলা দিলে যে কথাই কথাই কংগ্ৰেছৰ নাম লোৱাৰ বাহিৰে উপায় নাই। কংগ্ৰেছ চৰকাৰে উদ্বৃত্ত মাটি বিতৰণ কৰিছে। ৰাজহ মন্ত্ৰীক অনুৰোধ কৰো যে যি কেইটা চিলিং আইনৰ গোচৰ সচিবালয়ত পৰি আছে তাৰ বিচাৰ হব লাগে। ইফালে গোচৰ চলি আছে সিফালে চৰকাৰে আবন্টন পত্ৰ দিছে। আবন্টন পত্ৰ পকেটত লৈ খেতিয়কে ঘূৰি

ফুৰিছে। ইফালে আপিল চলি আছে। আনফালে সেই উদ্বৃত্ত মাটিৰ আবন্টন পত্ৰ দিয়া হৈছে। বহুত চিলিং আপিল সচিবালয়ত পৰি আছে মীমাংসা হোৱা নাই। দ্বিতীয়ত যিসকল খেতিয়কক উদ্বৃত্ত মাটিৰ আবন্টন পত্ৰ দিয়া হৈছে তেওঁলোক বিৰাট যাদুকৰত পৰিণত হৈছে। যিমান মাটি পাইছে গোটেইখিনি ২৪ ঘন্টা পকেটত লৈ ফুৰিব পাৰে। কাগজ পকেটত লৈ ফুৰিছে দখল পোৱা নাই।

দ্বিতীয়তে মাটিৰ দেভেলপমেন্ট আৰু কালটিভেচনৰ কাৰণে যি টকা দিছে তাত কিছু কথা আছে। মাটিৰ দখল নাপালে ঘৰ বান্ধিবলৈ দিয়া টকা, মাটিৰ দেভেলপমেন্ট কাৰণে দিয়া টকা, কালটিভেচনৰ কাৰণে দিয়া টকা নাপায়। অফিচত বন্দবস্ত কৰিব পাৰিলে পোৱাৰ ব্যৱস্থা আছে। দেখা যায় ২৫০ টকা পালে এশ টকা বা ৫০ টকা তাত থৈ যাব লাগে। এই ধৰণে কৰিলে দখল নোপোৱাকৈ টকা পায়। মণ্ডল, কানুনগু, এচ, ডি, চিয়ে এই ধৰণে কৰিছে। মাটিৰ দখল নাপায়, কাগজ পকেটত লৈ ঘূৰি ফুৰিছে। এশ, ৫০ টকা নিদিলে এই টকা নাপায়। মই এদিন এই টকাৰ খবৰ কৰিবলৈ গলো। তেতিয়া কলে টকা নাই। বাহিৰত আহি মানুহ কেইজনে কলে যে আপোনাক আনি বিপদহে হল। টকাটো দিয়া হলে পালোহেতেন। চাৰি পাঁচজন মানুহ কাছাৰীয়ে বাৰ্কাৰিয়ে ঘূৰি ফুৰে টকা দিব পাৰে। মই তেতিয়া কলো ঠিক আছে টকা দিম বুলি কগে, কিন্তু টকাটো নিদিব।

সকলো বন্দবস্ত হৈছে ঠিক তেনেকুৱাতে পুলিচৰ মানুহ কেইজনমান আহিল আৰু কি হৈছে সুধিলে। এশ টকা দিব লাগে বুলি কোৱাত নিদিবলৈ কলে। লিষ্ট কৰাৰ কাৰণে এশ টকাকৈ বিচাৰিছিল। দালাল কেইজন পুলিচৰ মানুহ দেখি চাহ দোকানলৈ গল তাত পইচা লবলৈ। পুলিচৰ মানুহ দেখি বিপদত পৰিল আৰু মানুহ পাঁচজন পহু দৌৰা দি দৌৰি গল কিন্তু শেষ পৰ্যন্ত দেখা গল টকা নিদিলে। কিন্তু টকা নিদিয়া সকলৰ পট্টা ৰাখি থলে। মোক কোৱাত মই কেইদিনমানৰ পিচত আহি পট্টা লৈ যাবলৈ কলো। কেইদিনমানৰ পিচত মই নিজে গৈ এচ-ডি-চি অফিচলৈ পঠাই দিয়াৰ কাৰণে কলো। এই ধৰণে হাৰাশাস্তি ভুগি আছে। গতিকে নতুন চৰকাৰক অনুৰোধ কৰো যাতে এই ধৰণে চাৰপ্লাচ জমি পোৱাৰ ক্ষেত্ৰত খেতিয়কে দুৰ্ভোগ ভুগিব নালাগে আৰু কোনো ৰকমৰ আন্দোলন আদি নকৰাকৈ যাতে তেওঁলোকে সেই মাটি পাব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। দ্বিতীয়তে কৃষিৰ উন্নতিৰ কাৰণে দিয়া টকাৰ সংখ্যা আৰু পৰিমাণ বান্ধি দিব লাগে যাতে প্ৰকৃততে খেতিয়কৰ কামত আহে তালৈ লক্ষ্য ৰাখিব লাগে। আন এটা কথা আমাৰ বন্ধু গিয়াচুদ্দিন আহমেদ ডাঙৰীয়াইও উল্লেখ কৰিছে যে চিলিং আইনৰ ক্ষেত্ৰত দেখা গৈছে যে আধিয়াৰ লিষ্টত যিসকল লোকৰ নাম লিখা হৈছে সেই সকলো বিলাকেই পাকিস্তানী আৰু এতিয়া বাংলা দেশৰ বুলি ধৰি লোৱা হৈছে। অৰ্থাৎ যাৰ নাম নাই বুলি প্ৰমাণ হব তেওঁ বাহিৰে বাহিৰে পাকিস্তানলৈ যাব লাগিব। নগাঁও জিলাৰ মুন্সিফ আদালতত তেনে ধৰণৰ এটা কেচ এতিয়াও চলি আছে। তাৰ এজন লোক বৌডিড কংগ্ৰেছৰ প্ৰাৰ্থীও আছিল। আধিয়াৰৰ নামত তিনিজন মানৰ নাম পাকিস্তানি বুলি লিখি দিলে। আগতে পাকিস্হানী এতিয়া বাংলা দেশী হৈছে। মই জেনুইন কেচ বুলি কৈছিলো। মন্ত্ৰী মহোদয়ক দৰকাৰ হলে মই মহাজন জনৰো নাম দিব পাৰো। এনে ধৰণৰ কথা কাণ্ড বিলাকৰ কাৰণে বাছি থকাই টান হৈ পৰিছে। লেঙেৰীবৰীৰ আব্দুল হাফিজ নামৰ এজন মানুহৰ গাঁৱৰ মাতবৰৰ সকলৰ লগত মোকৰ্দ্দমা চলি আছে। কেচ এৰি পেলালেও বিপদ আৰু চলাই থাকিবলৈও টান।

(সময়ৰ সংকেত)

অধ্যক্ষ মহোদয়, আৰু এটা কথা কৈ শেষ কৰিম। কিতাব আলী নামৰ বৌমাৰীৰ এজন আধিয়াৰ কথা। এই ঘটনা মই নিজে জানো। আগত সাত বিঘা মাটি আছিল যদিও মাটিৰ মালিকে কলে আধিয়াৰ হিচাবে নাম নিদিলে দহ বিঘা মাটি দিব পাৰে আৰু সেই মতে মণ্ডল যেতিয়া আহিল কোনোৰেই আধিয়াৰ নহয় বুলি কলে। সকলোৰে খেতি কৰি থকাৰ কথা কলে। মণ্ডলেও সেই মতে ৰিপোৰ্ট দিলে। তাৰ পিচত মাটিৰ মালিকে কিতাব আলীক মাটি এৰি দিবলৈ কোৱাত তেওঁ আমাৰ ওচৰলৈ আহিল। তাৰ পিচতেই শ শ টকাৰ কাৰবাৰ আৰম্ভ হল। চৰকাৰী বিষয়াই এই আধিয়াৰ খিনিক সমৰ্থন কৰিছে আনকি বদলি হোৱাৰ শেষ মুহূৰ্ত্তত মাটিৰ মালিকৰ পৰা গৈ এচ-অ'ৰ ওচৰত আপিল কৰিলে গোচৰটো পুনৰ বিবেচনা কৰিবলৈ। ফলত আগৰ গোচৰ শেষ হোৱাত এ-এচ-অ'ই নতুন গোচৰ আৰম্ভ কৰিলে। সাক্ষী বাদী লোৱাৰ পিচত টকা-পইচা কাৰ কিমান লৈছে নাজানো কিন্তু বস্তু বাহানি ট্ৰাকত ভৰাই বদলিৰ কাৰণে যোৱাৰ প্ৰস্তুতিৰ দিনাহে মাত্ৰ পাঁচ মিনিট আগতে মহাজনৰ পৰা পাঁচশ টকা লৈ হুকুম দি গল যে আধিয়াৰ নহয়। এইবাৰ আকৌ আপীল চলিল। মহাজন আমাৰ ওচৰলৈ আহিল। মই মাটিখিনি দি দিব লাগে বুলি কলো। কিন্তু তিনি হাজাৰ টকা দি ভাৰা কৰি গুণ্ডা আনিলে কিতাব আলীক মাৰিবৰ কাৰণে। মাটিখিনি কিন্তু নিদিলে। কিতাব আলীয়ে মোকৰ্দ্দমা চলাবলৈ সকলো বিক্ৰী কৰিলে। গৰু-ছাগলী বিক্ৰী কৰি ঘৈণীয়েকৰ সোণৰ গহনা বিক্ৰী কৰি মোকৰ্দ্দমা চলাই থাকিব লগীয়া হল।

(সময়ৰ সংকেত)

ভাৰাতীয়া গুণ্ডা কেইটাই কিতাব আলী বুলি নজৰ আলী নামৰ যিজনক লেণ্ড ট্ৰেন্সফাৰ কৰা হৈছিল তেওঁকে ধৰি আৰ্গচি চুৰি বহুৱাই দিলে। ইয়াৰো মোকৰ্দ্দমা চলি আছে। ডি-আই-জি-চি আই ডিয়ে কেচ তদন্ত কৰি আছে। কিতাব আলীৰ বৰ্ত্তমান এখন পান দোকান দি কোনো মতে খাই আছে। কেতিয়াবা কেতিয়াবা ভাল মানুহ পালে টকা-পইচা খুজি মাগি লয়। উকীল আনিব নোৱাৰে কাৰণে হাকিমেও ধৰে।

মাননীয় অধ্যক্ষ :—কোৰ্টৰ বিচাৰাধীন যেতিয়া হৈছেকৈ কব নালাগে ।

শ্ৰীচামছুল হুদা :—মোৰ পকেটৰ পৰা সিদিনা দহ টকা দি আহিছো। এয়ে হল আধিয়াৰ সকলৰ অৱস্থা। যি ব্যৱস্থা কংগ্ৰেছী আমোলত চলিছিল সেই ব্যৱস্থাৰ যাতে জনতা চৰকাৰৰ দিনত পুনৰাবৃত্তি নহয় তাৰ ব্যৱস্থা কৰিবলৈ মই নতুন চৰকাৰক অনুৰোধ জনালো আৰু এইখিনি কৈয়েই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :—মাননীয় অধ্যক্ষ মহোদয়, মই এই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি দুষাৰ কব খুজিছো। ভূমি সংস্কাৰৰ কাৰণে যি সাত লাখ টকা বিচাৰিছে সেই টকা প্ৰকৃততে যদি সেই কামতেই খৰচ হয় তেতিয়াহলে আমাৰ দিয়াত আপত্তি নাই। বিগত কংগ্ৰেছ চৰকাৰে ভূমি সংস্কাৰৰ নামত প্ৰত্যেক চাব ডেপুটি চাৰ্কোলত একোটাকৈ কমিটি পাতি দিছিল। আমাৰ কলিয়াবৰ সমষ্টিৰ স্থানীয় কমিটিত মেম্বাৰ হিচাবে এজন চাহ বাগিচাৰ কেৰাণী আছিল আৰু এজন গ্ৰেজুৱেট শিক্ষক আছিল। তেওঁলোকৰ নিজৰে যথেষ্ট মাটি আছিল। সেই মাটিত তেওঁলোকে খেতি নকৰে আধিয়াৰক দিয়ে। আমাৰ ঠাইত যিটো প্ৰচলিত নীতি সেই মতে আধয়াৰে ফচলৰ আধা পায় আৰু আধা মাটিৰ মালিকক দিব লাগে আৰু আধা সেই অংশ গছতেই দিয়ে। কিন্তু আজি দুবছৰমান ধৰি মহাজনে আধিয়াৰক মাটি দিয়া বন্ধ কৰিছে। তেতিয়া আধিয়াৰ

সকল আহি মহাজনক কলে যে আগতে গছতে আধাকৈ দিছিলো এতিয়া আমি গুটি ফচল হলেও দিম। মাটিখিনি নাকাঢ়িব। কিন্তু সেই কথা মহাজনে নুশুনিলে। আধিয়াৰ সকলক উচ্ছেদ কৰিলে। তাৰ পিচত কংগ্ৰেছৰ নেতা কিছুমান গল আৰু আধিয়াৰ সকলক কলে যে কাৰ কিমান আধি মাটি আছে সেই সকলো বিলাক আমাক কওক আমি আপোনালোকৰ নামত লিখি দিয়াম। তাৰ কাৰণে প্ৰত্যেক আধিয়াৰৰ পৰা কিছু কিছু টকাও তেওঁলোকে আদায় কৰিলে। মহাজন সকলে মাটি খোৱা মানুহক মাটি বন্ধ কৰি দিয়াত তলতীয়া ৰায়তৰ নাম কাটিবলৈও তেওঁলোকে পইচা ভৰিব লগা হল। গতিকে নাম সোমাওঁতেও টকা ললে আৰু ঘুৰাই লওঁতেও টকা ললে। চিলিং আইন কাৰ্য্যকৰী কৰা প্ৰত্যেক বিষয়া সকলে নানা সম্পত্তি কৰিলে। এই লোকসকলে কোনে কিমান সম্পত্তি কৰিলে এই সকলো বিলাক তদন্ত কৰি বৰ্ত্তমান চৰকাৰে চাব বুলি মই অনুৰোধ কৰিলো। এই লোকসকলে ৰাইজক শোষণ কৰি নিজৰ সম্পত্তি বৃদ্ধি কৰিলে। মাটি ম্যাদীকৰণ কাৰণে জাননী দিয়া হল যে বিঘাই প্ৰতি পাঁচ টকাকৈ প্ৰিমিয়াম দিলে নিজৰ নামত থকা একচনা মাটিখিনি ম্যাদী হব কাৰণ একচনা মাটিৰ খেতিয়কক কোনো বেংকে ধাৰ নিদিয়ে। গতিকে ম্যাদী হলেহে সেই মাটিৰ জৰিয়ত বেংকৰ পৰা ধাৰ পাব। মই জনা মতে এজন কৃষকে তেওঁৰ তিনি বিঘা এক কঠা ষোল্ল লেচা মাটিত ম্যাদী কৰিবৰ কাৰণে মণ্ডলক আঠচল্লিশ টকা প্ৰিমিয়াম দিব লগীয়া হল। কিন্তু আচলতে তাৰ প্ৰিমিয়াম হব লাগিছিল ষোল্ল টকা। কলিয়াবৰ চক্ৰৰ মণ্ডলজনে খেতিয়ক-জনক দিয়া সেই কাগজখন মই আহোতে এ-এচ-অ'ক দি আহিছো। অৱশ্যে মই চৰকাৰৰ হাততে দাখিল কৰিম বুলি ভাবিছিলো। যি হওক এই বিষয়ে এটা ভাল তদন্ত চলাব বুলি মই চৰকাৰক অনুৰোধ কৰিলো।

জৰুৰীকালীন অৱস্থাত যেতিয়া আমি যোৰহাট জেলত আছিলো তেতিয়া আমাক ৰেডিঅ'ত খবৰ শুনিবলৈ দিছিল। সদায়েই তাত শুনিছিলো ইন্দিৰা গান্ধীৰ জয় গান আৰু সঞ্জয়ৰ বীৰত্বৰ কাহিনী। মাজতে শৰৎ সিংহই ভূমুকি মাৰিলে। সিংহ গৰ্জনেৰে নানা কথাৰ অৱতাৰণা কৰিলে। এই কথা বিলাক আমি শুনিবই লাগিব। এবাৰ শুনিলো যে ভূমি সংস্কাৰ কমিটিয়ে মাটি দিছে। শালনা বাগিচাত অধিগ্ৰহণ কৰা মাটি বিলাক ভূমি হীন খেতিয়কক কলিয়াবৰ সেই সময়ৰ বিধায়ক আৰু এচ-ডি চিয়ে বন্দবস্তি দিছে! যোৰহাট জেলতে আমি ভাবিলো যে জেল খাটি কষ্ট খোৱাৰ সাৰ্থকতা অলপ হলেও হৈছে। যি হওক আমাৰ কষ্টৰ বিনিময়ত কিছুমান ভূমিহীন লোকৰ সংস্থান হব! জেলৰ পৰা ওলাই আহোতে গম পালো যে কিছুমান মানুহক একোখন আবন্টন পত্ৰহে দিছে আৰু এনে পত্ৰ পোৱা লোকসকলে কৈছে যে আৰু চিন্তা নাই অন্ততঃ পট্টা এখন পাইছো। কিন্তু পিচত দেখা গল যে কিছুমানৰ পট্টাই থাকিল মাটি নাই। গতিকে এনে ধৰণৰ বহুতো বেমেজালি ঘটিছে আৰু বৰ্ত্তমান জনতা চৰকাৰে এই বিলাক ভালকৈ চাব বুলি আশা ৰাখিলো। এই অৱস্থাটোৰ এটা সুপৰিবৰ্ত্তন আনিবই লাগিব। লুটমাৰী ৰিজা-ৰ্ভত ছয় বিঘাকৈ মাটি কিছু সংখ্যক লোকক পট্টন দিয়া হল। কংগ্ৰেছ চৰকাৰে ছয় বিঘা মাটিৰ পৰা আকৌ কিছু বেদলকাৰীক বহাৰৰ কাৰণে তিনি বিঘা মাটি কাটি নিৰ্বাচনৰ কিছু দিন পূৰ্বে জনে প্ৰতি তিনি বিঘা মাটি পট্টন দিয়াৰ ব্যৱস্থা কৰিছিল। কিন্তু এইটো হব নোৱাৰে। এজন কৃষকে ছয় বিঘা মাটিৰ উৎপাদনেৰেও পৰিয়ালৰ ভৰণ-পোষণ কৰিব নোৱাৰে। তিনি বিঘাতো দূৰৰ কথা। অন্ততঃ পৰিয়ালটোৰ ভৰণ-পোষণ হোৱাকৈ অৰ্থাৎ প্ৰত্যেক কৃষকক এটা ইকনমিক হল্ডিং দিব লাগে। ইয়াৰ দ্বাৰা মই এইটো কোৱা নাই যে আমাৰ প্ৰত্যেক মাটিহীন মানুহকে চৰকাৰে দহ বা বাৰ বিঘাৰ এটা ইকনমিক হল্ডিং দিব লাগে। মই কৈছো যে পৰ্য্যায়ক্ৰমে যি সকলক মাটি দিয়া হয় সেই সকলক একোটা ইকনমিক হল্ডিং দিব লাগে। মঠৰ ওপৰত মাটি দিয়া নাম কৰি কিছুমান লোকক চিৰদিনলৈ মাটিহীন কৰি ৰখাৰ কোনো যুক্তি নাই।

বিগত চৰকাৰে কিছুমান মানুহক মাটি দিছিল এনেধৰণেৰে তেওঁলোকে মাটি লৈ পিচৰ বছৰতে বিক্ৰী কৰে আৰু পুনৰ ভূমিহীন হৈ মাটি বিচাৰে। শান্তি বাবুৱে সিদিনা ঠিক কথাই কৈছিল, ভূমি সংস্কাৰৰ নামত বহুতো কংগ্ৰেছী নেতাৰে মাটি হল ৰাইজৰ নহল। আমাৰ দেশত চিলিং আইনত কিমান মাটি পোৱা হল আধিয়াৰ আইনৰ জৰিয়তে কিমান লোক উপকৃত হৈছে এই সকলো বিলাকৰ এটা পৰ্য্যালোচনা কৰিব লাগে আৰু সেই আইন বিলাকত যদি কিবা খুটি-নাতি থাকে তাৰো উপযুক্ত শুধৰণি কৰি লোৱাৰ ব্যৱস্থা কৰিব লাগে। এই বিলাকৰ কাৰণে মোৰ পৰামৰ্শ হল যে চৰকাৰে এটা সৰু কমিটি পাতি দিব লাগে আৰু সেই কমিটিয়ে ছয় মাহৰ ভিতৰত এই সকলো বিলাক তথ্য বাহিৰ কৰি এটা ৰিপোৰ্ট চৰকাৰৰ ওচৰত দাখিল কৰিব লাগে। গতিকে এই বিষয়ে চৰকাৰে এটা ভাল ব্যৱস্থা কৰিব বুলি মই আশা কৰি কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

শ্ৰীনৰেন্দ্ৰ নাথ দত্তঃ—মাননীয় অধ্যক্ষ মহোদয়, ১৯৫৬ চনৰ পৰা চিলিং আইন প্ৰবৰ্ত্তিত হয়। ১৯৪৮ চনৰ আধিয়াৰ আইন পিচত গৈ প্ৰজাস্বত্ব আইনত সোমায় পৰে। এই চিলিং আইন প্ৰজাস্বত্ব আইন কৰি আধিয়াৰৰ ৰায়তী স্বত্ব দিয়াৰ কাৰণে নানা ধৰণৰ আঁচনি কৰা হল যদিও এই আইনৰ ফাকেদি মাটিগিৰি সকলক বিশেষকৈ ডাঙৰ মাটিগিৰি সকলক প্ৰকৃতাৰ্থত মাটি লোকোৱাবৰ কাৰণেহে নানান সুবিধা দিয়া হল। মই এটা উদাহৰণ দিব খুজিছো। পশ্চিম বৰভাগ মৌজাৰ আজাৰবাৰী গাঁৱৰ উদাহৰণ। এইটো মোৰ অঞ্চলৰ বুলিয়েই নহয় অসমৰে এখন ছবি। এই সমষ্টিৰে শ্ৰীউমাকান্ত গোস্বামী মাটিৰ জমিদাৰ, এতিয়াও জীয়াই আছে। তেওঁৰ পুতেক শ্ৰীখৰ্গেশ্বৰ গোস্বামীৰ দুজনী ছোৱালী আৰু এজন লৰা আছে। ডাঙৰ ছোৱালীজনীক গৰীবলৈ বিয়া দিলে নাম সৰ্বেশ্বৰী আৰু আন এজনী ছোৱালী পাৰ্বতীক বিয়া দিয়ে এজন মৌজাদাৰলৈ। তাই এতিয়া বিধবা। বাপেকে গৰীব জনীক মাটি নিদি বিধবাজনীক ২৩ বিঘা মাটি দিলে। কিয়নো সেই বিধবাজনীক দিলে সেই মাটি তেওঁ কৰায়ত্ব কৰিব পাৰিব। আৰু সেই মাটিখিনি নিজৰ হাতত ৰখাৰ কাৰণে নানা ধৰণৰ ষড়যন্ত্ৰ কৰিছে অথচ তাত যোৱা ১২। ১৪ বছৰে ৰায়তে খেতি কৰি আছে। এইটো কৰিলে ১৯৭১ চনত প্ৰজাস্বত্ব আইন প্ৰয়োগ কৰাৰ পিচত।আনকি এই জমিদাৰজনে এনেকুৱা কৌশলো প্ৰয়োগ কৰিলে কাছাৰীলৈ গৈ চিঠাত থকা দাগ নং পট্টা নং আৰু নাম দিয়াছলাই জুইৰে পুৰি নোহোৱা কৰিলে যাতে সেই ৰায়ত সকলক তাৰ পৰা আঁতৰ কৰিব পৰা যায়। কিন্তু তাত থকা কৃষক সভাৰ আন্দোলনৰ ফলত সেই ৰায়ত সকলক দখল সাব্যস্ত কৰা হৈছে কিন্তু স্বত্বৰ ক্ষেত্ৰত এতিয়াও নানা ধৰণৰ খেলি-মেলি হৈ আছে। ৰায়ত সকলক বাহিৰ কৰি দিয়াৰ কাৰণে নানা চেষ্টা চলাই আছে। আৰু এটা উদাহৰণ পকোৱা মৌজাৰ জাগৰা গাঁৱৰ মৌজাদাৰ মহিধৰ গোস্বামীৰ প্ৰায় ১৫০ বিঘা মাটি আছে। বোধকৰো ১৯৭৪ চনত সেই সময়ত নলবাৰী মহকুমাৰ এচ-ডি-ও শ্ৰীৰাণাদেৱ তত্বাৱধানত এই বিষয়ত ন্যায়ৰ কাৰণে কিছু ব্যৱস্থা লৈছিল। কিন্তু নানা ধৰণৰ কেচ কৰি এই ৰায়ত সকলক জুলুম দি থকা হৈছে। আৰু ৰায়ত সকলে এশ এটা কেচত পৰিবলগীয়া হয়। এজনে দখল কৰিলে আন জনে আহি বাধা দিয়ে। আৰু সেইদৰে কেচ সৃষ্টি হয়। আনকি এনেকুৱাও ব্যৱস্থা দেখা গৈছে। মাটি এটাচ কৰি জবদ কৰি লৈছে! অথচ প্ৰকৃতাৰ্থত এনে-বিলাক বেমেজালি দূৰ কৰাৰ কাৰণে চৰকাৰে কোনো যথাযথ ব্যৱস্থা কৰা নাই। ৰেডিঅৰ যোগেদি, কাগজে-পত্ৰে গাঁৱে-ভূঁৱে দালালৰ দ্বাৰা ঢাকঢোল বজাই প্ৰজাতন্ত্ৰ, সমাজতন্ত্ৰৰ নামত মাটি বিতৰণ কৰা হৈছে বুলি ঢোল কোবাইছে। অধ্যক্ষ মহোদয়, সেই কাৰণে মই নতুন চৰকাৰক আবেদন জনাইছো যাতে চিলিং আইন খন প্ৰকৃতাৰ্থত কাৰ্য্যকৰী কৰা হয় তাৰ কাৰণে জনতা চৰকাৰে দৃঢ় প্ৰদক্ষেপ গ্ৰহন কৰে। লগতে জনাওঁ যে এতিয়ালৈকে চিলিং আইনৰ জৰিয়তে কিমান মাটি অধিগ্ৰহন আৰু বিতৰণ

কৰা হল তাৰ এটা বাস্তৱ ৰূপ যাতে ৰাইজে দেখিবলৈ পায়। এই চিলিং আইনৰ সা-সুবিধা বিলাক যদি গৰীব ৰাইজে প্ৰকৃতার্থত নাপায় তেতিয়াহলে অসমৰ অর্থনৈতিক আৰু সামাজিক স্থায়িত্ব টিকি নাথাকিব। আৰু অর্থনৈতিক স্থায়িত্বৰ সৃষ্টি কৰিব নোৱাৰিলে দুখীয়াৰ পকেটত পইচা নাথাকিব ফলত দেশত শিল্প গঢ়ি নুঠিব আৰু নিবনুৱা সমস্যাও সমাধা নহব। গতিকে এইবিলাক কেৱল আইনত থাকিলেই জনসাধাৰণক চূড়ান্ত ভাৱে প্ৰৱঞ্চনা কৰা হব। (সময়ৰ সংকেত) গতিকে এই আইন খন প্ৰকৃতার্থত কার্য্যকৰী কৰাৰ কাৰণে দৃঢ় পদক্ষেপ লৈ সমাজতান্ত্ৰিক ব্যৱস্থাৰে নিবনুৱা সমস্যা দূৰিকৰণ আৰু শিল্পায়ন গঢ়াৰ ব্যৱস্থাকৰিব। মই এতিয়া দ্বিতীয় পইন্টলৈ আহো এইটো মাটি অধিগ্ৰহণৰ কথা। বানপানী প্ৰতিৰোধৰ নামত ৰাইজৰ মাটি অধিগ্ৰহণ কৰা হৈছে। মই নলবাৰী সমষ্টিৰ কথাকেই কওঁ। তাঁত শতকৰা ৯৫ জন মানুহেই খেতিয়ক আৰু ইয়াৰ জনসংখ্যা ৭ লাখ ৫০ হাজাৰতকৈও বেছি। পাগ্লাদিয়া নদীৰ বানানিয়ন্ত্ৰনৰ কাৰণে মথাউৰি বান্ধিবলৈ আদাবাৰীৰ পৰা কেহুৱালৈ ২২ মাইল মথাউৰি নিৰ্ম্মাণ কৰা হল আৰু তাৰ কাৰণে ১৯৫৫ চনতে মাটি অধিগ্ৰহন কৰা হল কিন্তু এতিয়ালৈকে সেই অধিগ্ৰহন কৰা মানুহ বিলাকৰ মাটিৰ পইচা দিয়া নাই। আৰু অফিচলৈ গলে নানা ধৰণৰ কটুক্তি শুনিবলগীয়া হয়। এনেধৰণে দুনীৰ্তি, কোৰাপচন, নেপোটিজিম চলি আছে। আৰু এইদৰে গণতান্ত্ৰিক সমাজ ব্যৱস্থা দূষিত হৈ পৰিছে। আন এটা উদাহৰণ নলবাৰীৰ পৰা ৩ মাইল আঁতৰত নামদঙা গাওঁত চৰকাৰৰ নিস্ক্ৰিয়তাৰ ফলত ৰাতি বাৰ বজাত ৫২ ঘৰ মানুহ বানপানীৰ কবলত নিশ্চিন্ন হৈ যায়। সমস্ত ঘৰ বিলাক উটুৱাই লৈ যায়। তাৰ ভিতৰত ১৩ ঘৰ মানুহ সম্পূৰ্ণ নিশ্চিন্ন হৈ যায়। অৱশ্যে কোনো মানুহ মৰা নাই। এই বানপানী হোৱাৰ পিচত ৬০০ মিটাৰ ৰিটেয়াৰিং বান্ধ দিয়া হয়, তাৰ কাৰণে ৭০০ বিঘা মাটি অধিগ্ৰহণ কৰা হয়। তাৰে শতকৰা ৫০ ভাগৰহে অধিগ্ৰহণ কৰা মাটিৰ পইচা দিছে বাকীখিনি দিয়া নাই। এনে ধৰণৰ ব্যৱস্থা চলি আছে। গতিকে জনতা চৰকাৰে যদি এইবোৰ প্ৰতিৰোধ কৰাৰ কাৰণে বাস্তৱ ব্যৱস্থা হাতত নলয় আৰু প্ৰকৃতার্থত বান নিয়ন্ত্ৰণৰ আঁচনি কার্য্যকৰী নকৰে তেতিয়াহলে এই চৰকাৰৰ ওপৰতো ৰাইজৰ আস্থা নাথাকিব। সেয়েহে ভূমি নীতি প্ৰকৃতার্থত আমূল পৰিবৰ্ত্তন আনিব লাগে। আৰু অধিগ্ৰহণ কৰা মাটিৰ পইচা যি ৰাইজে পায় সেয়া দিয়াৰ ব্যৱস্থা কৰিব লাগে যাতে এনেবিলাক কামত ৰাইজে সক্ৰিয় অংশ গ্ৰহণ কৰিব পাৰে। নহলে আগৰ চৰকাৰৰ নিচিনা জনতা চৰকাৰেও ৰাইজৰ আস্থাভাজন নহব। এইখিনি পৰামৰ্শকে আগবঢ়াই মোৰ বক্তব্যৰ সামৰণি মাৰিলো। ধন্যবাদ।

শ্ৰীনাজমুল হক :—মাননীয় অধ্যক্ষ মহোদয়, ভূমি আৰু ৰাজহ বিভাগৰ ওপৰত গোৱালপাৰা জিলাত যি জটিল আৰু জলন্ত সমস্যাৰ সৃষ্টি হৈছে সেই বিষয় লৈ সদনৰ দৃষ্টি আৰ্কষণ কৰিছো। গোৱালপাৰা জিলাত ভূমি আৰু ৰাজহ সম্পৰ্কে এনেকুৱা এটা জটিল সমস্যাৰ উদ্ভৱ হৈছে যে এই কথাষাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শৰত চন্দ্ৰ সিংহ ডাঙৰীয়াৰ ওচৰত তুলি ধৰাৰ আশা কৰিলো। কিন্তু দুভাগ্যবশতঃ আজি তেখেত নাই। ১৯২৮ চনৰ বৃটিচৰ দিনৰ পৰা আজি ১৯৭৮ চনলৈকে গোৱালপাৰা জিলাৰ নাৰ্চানিপাৰা ডিহিত মাটি জৰীপ হোৱা নাই। ইমান দিঘলীয়া সময়ৰ ভিতৰত অৰ্থাৎ ৫০ বছৰতো ইয়াত জৰীপ নোহোৱাৰ ফলত নানা খেলিমেলিৰ সৃষ্টি হৈছে। ইয়াৰ উপৰিও এই একত্ৰিশ বছৰীয়া কংগ্ৰেছী শাসনৰ অধীনত থকাৰ পাচতো কোনো ধৰণৰ জৰীপ আদি নোহোৱাৰ ফলত দুখীয়া খেতিয়কৰ মাজত ইমান অশান্তি সৃষ্টি হবলৈ পাইছে যে সেইটো অবৰ্ণনীয়। চৰকাৰী অফিচলৈ গৈ দুখীয়া মানুহে চাৰ্কেল অফিচাৰক বহুতো অনুনয় বিনয় কৰিলে টকা পইচা উৎকচ দিও বহুত চেষ্টা কৰিলে কিন্তু একো কাম হোৱা নাই। শেষ সময়ত উপায় নাপাই আমাৰ এছ, ইউ, চি

পাৰ্টিয়ে অফিচ ঘেৰাও কৰি দুই চাৰিটা কেচৰ সমাধান কৰিবলৈ বাধ্য কৰিছিল। এনেকুৱা ধৰণৰ জটিল সমস্যা হৈছে গোৱালপাৰা জিলাত। গতিকে নতুন জনতা চৰকাৰক অনতিপলমে এই জৰীপৰ ব্যৱস্থা পূৰ্ণাঙ্গভাৱে কৰিবলৈমই নতুন ৰাজহ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো। বৃটিচৰ যুগৰ পৰা এই ১৯৭৮ চনলৈকে নাচনিপাৰা ডিহিৰ মাটি কিমান মানুহৰ ওচৰলৈ হস্তান্তৰ হল তাৰ লেখজোখ নাই। কিন্তু আজিলৈকে সেই মাটিৰ নামজাৰী হোৱা নাই। তাৰ বাহিৰেও অধ্যক্ষ মহোদয়, আমাৰ কংগ্ৰেছৰ শাসনত তাহানিৰ ৰাজহ মন্ত্ৰী হৰেশ্বৰ দাস ডাঙৰীয়াৰ নেতৃত্বত গোৱালপাৰা জিলাৰ নাচনি পাৰৰ বাহিৰে যিখিনি মাটি জৰীপ কৰা হৈছিল সেইটো সম্পূৰ্ণ ভুল জৰিপ কৰা হৈছিল যাৰ ফলত ৰাইজে এতিয়াও ক্ষতিগ্ৰস্হ হৈ আছে। মানুহৰ খেতিৰ মাটি ঘৰবস্তিত আৰু তৌজীভুক্ত বিশ বিঘা মাটি নদী কৰি থৈ দিয়া হৈছে। আন এজনৰ তৌজিভুক্ত মাটি খাচ কৰা হৈছে। এনেকুৱাকৈ হাজাৰ হাজাৰ দুখীয়া খেতিয়কক জুলুম দিয়া হৈছে। গতিকে মই সদনৰ জৰিয়তে ৰাজহ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো যাতে এই বিষয়ে চোকা নজৰ দি পৰিস্হিতি অধ্যয়ন কৰি তাৰ যথোপযুক্ত ব্যৱস্হা গ্ৰহণ কৰে।

অধ্যক্ষ মহোদয়, ইয়াৰ বাহিৰেও আন এটা সমস্যাৰ দ্বাৰা খেতিয়ক সকলক জৰ্জ্জৰিত কৰা হৈছে। খেতিয়কৰ কাৰণে ঋণৰ ব্যৱস্হা কৰা হৈছিল। লেণ্ড ৰিফম্ কমিটিত বিভিন্ন মহলৰ পৰা লোৱা প্ৰস্তাৱ সমূহ আজিলৈকে কাৰ্য্যকৰী কৰা হোৱা নাই আৰু ফলত কোনো খেতিয়কক সেই প্ৰস্তাৱৰ দ্বাৰা উপকৃত কৰিব পৰা নাই। কংগ্ৰেছ চৰকাৰে ভূমি সংস্কাৰৰ নামত দুখীয়া খেতিয়কৰ সৰ্ব্বনাশ কৰিছে। অৰ্থাৎ শিৱ মূৰ্ত্তি গঢ়িবলৈ গৈ বান্দৰ মূৰ্ত্তি গঢ়ি পেলাইছে। দুখীয়া খেতিয়ক আৰু দুখীয়াহে হৈছে। গতিকে নতুন জনতা চৰকাৰক ভূমিনীতিৰ ক্ষেত্ৰত এক শক্ত নীতি লৈ দুখীয়া খেতিয়কৰ উপকাৰত অহা আঁচনিৰ ব্যৱস্হা কৰিবলৈ অনুৰোধ জনালোঁ। এইখিনি কৈয়েই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীআলাউদ্দিন চৰকাৰ ঃ—মাননীয় অধ্যক্ষ মহোদয়, আজি যি কৰ্তন প্ৰস্তাৱ আগবঢ়োৱা হৈছে সেইটো সমৰ্থনত মই ভূমিসংস্কাৰৰ ওপৰত যি দুটা দাবী দিয়া হৈছে তাৰ ওপৰত দুআষাৰ কব বিছাৰিছো। যিহেতুকে ৰাজ্যপালৰ ভাষণত ভূমিসংস্কাৰৰ কোনো কথাকে বিষদভাৱে উল্লেখ নকৰিলে সেইবাবে আমি আচৰিত হৈছিলো। অৱশ্যে সেই বিষয়ে আমাৰ এই সদনত খৰছীমাৰি আলোচনা কৰা হৈছে। মই অসমৰ শেষ প্ৰান্তৰ পৰা আহিছো মোৰ গোলকগঞ্জ সমষ্টিৰ পিচপৰি থকা অৱস্হাটো ভূমি সমস্যাৰ ওপৰতে বৰ্ত্তি আছে।

মাননীয় অধ্যক্ষ ঃ—চমুকৈ কওক।

শ্ৰীআলাউদ্দিন সৰকাৰ ঃ—জমিদাৰী প্ৰথা প্ৰধান আমাৰ অঞ্চলটো। তাঁত ৰাজগোষ্ঠীৰ মানুহ আছে। তাৰ সাধাৰণ গাঁৱলীয়া লোকসকলে গোৱালপৰীয়া ভাষাতে একোষাৰ কথা কয় যাৰ অৰ্থ হল এইটোৱেই যে, বাঢ়োতে বাঢ়োতে দৰিদ্ৰতা বাঢ়ে আৰু কমাতে কমোতে সকলো বিলাক কমি শেষ হৈ যায়। ভূমিসংস্কাৰৰ অন্যতম ‘চিলিং এক্টৰ’ মাজত থকা ফাকেদি আজি চাৰ্কেল অফিচ আদিত প্ৰায় তিনিশটামান কেছ (ৰায়তী কেছ) চাৰ্কোল অফিচ আদিত ওলমি আছে। আৰু ৰায় দিয়া কেছবোৰ আপিল ১৯৭৪ চনৰে পৰাই ১৯৭৮ চনলৈকে চলি আছে। কিন্তু তৎস্বত্বেও দৰিদ্ৰতা দূৰীকৰণৰ কোনো ব্যৱস্হা আইন প্ৰণয়ণৰ ক্ষেত্ৰত নাই। ধুবুৰী কৰ্টত ৰায়তৰ ওপৰত দিৱা ৬০ টামান কেছ আজিলৈও চলি আছে।

মোৰ আগৰ জন এম, এল, এই আমাৰ অঞ্চলৰ বিধৱা সমস্যাৰ ক্ষেত্ৰত বহুত বিলাক কথা কৈছিল কিন্তু সেই বিষয়ে কি হল সেইটো আমি জানিব নোৱাৰিলোঁ। এই সমস্যাটোৰ মূল কাৰণ হৈছে সামন্তবাদী নীতিৰহে প্ৰচলন।

মাননীয় অধ্যক্ষ :—আপোনি চাপ্লিমেণ্টেৰী ডিমাণ্ড'ৰ ভিতৰলৈ আহক।

শ্ৰীআল্লাউদ্দিন চৰকাৰ :—আয়োযিত সমস্যাবোৰ ভূমিসংস্কাৰৰ মাজত সন্নিবিষ্ট আছে কাৰণেইহে কৈছোঁ। অধিগ্ৰহণ কৰা মাটি যিবিলাক ভূমিহীন লোকৰ মাজত বিতৰণ কৰা হৈছিল সেইবিলাক মানুহে এতিয়াও দখল পোৱা নাই।গতিকেই এই সকলো বিলাক কথা চালি জাৰি চাই ব্যৱস্হা লবৰ কাৰণে অনুৰোধ কৰি মই মোৰ বক্তৃতাৰ সামৰণী মাৰিব খুজিছোঁ।

Shri DULAL CHANDRA BARUA (Minister for Parliamentary Affairs) Sir, I would like to draw your attention to Rule 152 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly. The Rule says "The debate on the supplementary grants shall be confined to the items constituting the same and no discussion may be raised on the original grants for policy underlying them save in so far as it may be necessary to explain or illustrate the particular items under discussion."

Mr. SPEAKER— Yes, that should be the guiding principle for the hon. members. Hon-Members should touch those points which are stated in the Supplementary Demand. Further, the hon.members will remember that we have to deal with large number of demands. Therefore, I request all the hon members to be short in their speeches so that they can get an opportunity to speak on every important demand. Now as regards demand on 'Revenue' it is an important demand and I have allowed sufficient time on this. Now, I want to get it passed before the House rises for lunch.

শ্ৰীহেমেন দাস :—মাননীয় অধ্যক্ষ মহোদয়, ভূমিসংস্কাৰৰ সম্পৰ্কত ইতিমধ্যেই যি বিলাক আলোচনা আদি হৈগৈছে সেইবিলাকৰ সংক্ৰান্তত মইও কেইটামান কথা কওঁ। চিলিং কৰি মাটিৰ সৰ্ব্বোচ্চ সীমা ১৫০ বিঘাৰ পৰা ৫০ বিঘালৈকে কৰাতেই আচল ভুলটো বৈ গৈছে। সকলো বিলাক মাটিকে একে হিচাবত ধৰাৰ কাৰণেই হিচাবটো ভুল হৈছে। মাটিৰ গুণাগুণৰ ওপৰত নিৰ্ভৰ কৰিহে এইটো কৰিব লাগিছিল। ৫০ বিঘা পলসুৱা মাটিত যিটো উৎপন্ন হব বালিচহিয়া মাটিত তিমান পৰিমাণ কেতিয়াও নহয়। তাৰোপৰি, প্ৰকৃততে মাটিৰ প্ৰয়োজন কাৰ তাকহে মাটি দিবলাগে। যাৰ প্ৰয়োজন নাই তাক কেতিয়াও দিব নেলাগে। প্ৰয়োজননোহোৱা মানুহক এবিঘাও মাটি দিব নেলাগে। মাটিৰ বিভিন্ন শ্ৰেণী বিভাগ আছে। সৰু সৰু চাকৰিয়ালৰো ১০/১৫ বিঘা মাটি আছে। তাৰে দুই এবিঘা আধিও দিয়ে। পৃথিবীৰ অনান্য দেশত প্ৰকৃততে ভূমিসংস্কাৰ কৰিছে। ধনীখেতিয়কেও ৰক্ষণাবেক্ষণ পাইছে যি ২/৪ বিঘা মাটি আধিও দিবপাৰে। কিন্তু আমাৰ দেশত ভূমিসংস্কাৰৰ নামত প্ৰকৃততে ভূমিসংস্কাৰ কৰিবলৈ ওলোৱা নাই।

আমাৰ দেশত ভূমিসংস্কাৰৰ নামত এতিয়ালৈকে যিবিলাক আইন হৈছে সেই আইনবিলাকৰ দ্বাৰা প্ৰকৃততে ভূমি সংস্কাৰ কৰিবলৈ ওলোৱা নাই।

(সময়ৰ সংকেট)

এই আইনবিলাকৰ দ্বাৰা ৰায়তৰ মাজত কাজিয়াৰ সৃষ্টি হৈছে। কেনোবা এজন দৰখীয়া কৰ্ম্মচাৰী বা অন্য মানুহৰ মাত্ৰ ১০ বিঘা মাটি আছে তাতে আমি ৰাতীস্বত্ব দিবলৈ কোৱা নাই আৰু যদি এই ব্যৱস্থা লোৱা হয় তেনেহলে ভাৰতবৰ্ষৰ কৃষকৰ সমস্যাৰ সমাধান নহয়। কৃষকৰ সমস্যা সমাধান কৰিবলৈ হলে আমাৰ যিবিলাক সৰু-সুৰা শ্ৰমিক কৰ্ম্মচাৰী আছে তেওঁলোকৰ মাটিখিনিও ৰক্ষা কৰাৰ ব্যৱস্থা কৰিব লাগিব। নহলে সমস্যা সমস্যা হৈয়ে ৰব। এইখিনি কৈয়ে মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীলক্ষেস্বৰ গোহাঁই (ৰাজহ মন্ত্ৰী) :—মাননীয় অধ্যক্ষ মহোদয়, মই যি কেইটা শিতানত টকা বিছাৰিছো অৰ্থাত মঞ্জুৰী বিছাৰিছো সদনক অনুৰোধ জনাইছো সেই সম্পৰ্কে কিছু দাঙি ধৰিব খুজিছো। ২২৯ ভূমি ৰাজহ, ৩০৪ অন্যান্য সাধাৰণ অৰ্থনৈতিক সেৱা, ভূমিৰ সৰ্ব্বোচ্চ নিৰ্দ্ধাৰণ ৫০৪ অন্যান্য সাধাৰণ অৰ্থনৈতিক সেৱাৰ বাবে মূলধনী ব্যয়ৰ শিতানত পৰিপূৰক মঞ্জুৰীৰ বাবে মুঠ ১ কোটি ৩১ লাখ ৪৪ হাজাৰ ৩১২ টকাৰ দাবী সদনত দাঙি ধৰা হৈছে। এই সম্পৰ্কে মাননীয় সদস্য হুদা ডাঙৰীয়াই বহল ব্যাখ্যা বিছাৰিছে। উক্ত দাবীৰ ব্যয় মঞ্জুৰী মোটামুটিভাৱে নিম্নলিখিত শিতানত ভগাব পাৰি। ৮৫,১১,০০০০০ ৰাজহ বিভাগৰ বিভিন্ন সেৱাৰ কৰ্ম্মচাৰী সকলক দিবলগীয়া অতিৰিক্ত মৰগীয়া বানচৰ বাবে। ১৯৭৩ চনৰ অসম দৰ্ম্মহা আয়োগৰ অনুমোদন ক্ৰমে চৰকাৰে ১-৭-৭৪ৰ পৰা চৰকাৰী কৰ্ম্মচাৰী সকলক জীৱনধাৰণৰ মূল্যবানৰ ভিত্তিত অতিৰিক্ত মৰগীয়া বানচ দিবলৈ ২৪-৫-৭৭ তাৰিখত সিদ্ধান্ত লয়, চলিত বছৰটোত কেছটোত কেবাটাও কিস্তিত বাকীথকা অতিৰিক্ত মৰগীয়া বানচ দিয়াৰ উপৰিও নিয়মীয়াভাৱে মাহিলী বেতনৰ লগত বৰ্দ্ধিত মৰগীয়া বানচ দিয়া হৈছে। চৰকাৰৰ উক্ত সিদ্ধান্তৰ পূৰ্ব্বে সদনত গৃহীত ১৯৭৭-৭৮ চনৰ বাজেটত অতিৰিক্ত মৰগীয়া বানচৰ বাবে আৱশ্যকীয় বিত্তৰ ব্যৱস্থা কৰা হোৱা নাছিল। এই বানচ ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়া সকলৰ বাদে ৰাজ্য চৰকাৰৰ সকলো কৰ্ম্মচাৰীকে দিয়া হৈছে। এই ব্যয়ৰ ঘাটি পূৰৰ বাবে পৰিপূৰক মঞ্জুৰীৰ বাবে দাবী দাখিল কৰা হৈছে। ৩৬,৩৫,৩১২ টকা চিলিং আইনত অধিগৃহীত হোৱা সৰ্ব্বোচ্চ সীমাৰ উদ্বৃত্ত মাটিৰ আবণ্টন পোৱা কৃষকক দিবৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰিকল্পনাৰ সাহায্য মঞ্জুৰীৰ পৰিপূৰক হিচাবে।

মাটিৰ মালিকনাৰ মধ্যস্বস্বভোগী বিলুপ্তিকৰণ, জমিদাৰি প্ৰথা উচ্ছেদকৰণ, ৰাখিব পৰা মাটিৰ সৰ্ব্বোচ্চ সীমা নিৰ্দ্ধাৰণ, ৰায়ত আধিয়াৰৰ নথিভুক্ত কৰণৰ যোগেদি প্ৰকৃত খেতিয়কক মাটি স্বত্ব দিয়া নীতিৰ কাৰ্য্যকৰীকৰণৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন ভূমি সংস্কাৰ কাৰ্য্যসূচী হাতত লয়। ১৯৫১ চনৰ জমিদাৰী অধিগ্ৰহণ আইনমতে গোৱালপাৰা কাছাৰ জিলাৰ স্থায়ী বন্দোবস্তীভুক্ত এলেকা সমূহৰ জমিদাৰ আৰু মধ্যস্বত্বভোগী জোতদাৰ সকলৰ পৰা এতিয়ালৈকে ১৬·৭৪ লাখ একৰ ভূমি অধিগ্ৰহণ কৰা হয়। ১৯৫৯ চনৰ ধৰ্ম্মীয় আৰু ৰাজহুৱা দাতব্য অনুষ্ঠান সমূহৰ ভূমি অধিগ্ৰহণ আইনৰ ব্যৱস্থামতে মঠ সত্ৰ আৰু দাতব্য অনুষ্ঠানৰ পৰা এতিয়ালৈকে ১,১২,৯৯২ একৰ মাটি অধিগ্ৰহণ কৰা হৈছে। উক্ত অনুষ্ঠান সমূহক এই অধিগ্ৰহণৰ বিনিময়ত উক্ত আইনৰ ব্যৱস্থামতে চিৰস্থায়ী বাৰ্ষিক অনুদান মঞ্জুৰ কৰা হৈছে। আৰু অধিগৃহীত মাটিত থকা ৰায়ত আধিয়াৰক অন্যান্য পট্টাদাৰ ৰায়তৰ দৰে মাটিৰ ওপৰতস্বত্ব দিয়া হৈছে। ১৯৫৬ চনৰ অসম সৰ্ব্বোচ্চ ভূমি পৰিমাণ নিৰ্দ্ধাৰণ আইনখন ১৯৭৬ চনত বিষদভাৱে সংশোধন কৰি চাহবাগিছাই বিভিন্ন শিতানত ৰাখিব পৰা উদবৃত্ত মাটিৰ পৰিমাণ নিৰ্দ্ধাৰণ কৰে আৰু ব্যক্তিগত মাটিৰ মালিকে পৰিয়ালে প্ৰতি ৰাখিব পৰা মাটিৰ পৰিমাণ ভেটিৰ বাবদ প্ৰকৃত দখলত থকা সৰ্ব্বোচ্চ ৪ বিঘাৰ বাহিৰেও ৫০ বিঘালৈ কমোৱা হয়। উক্ত

সংশোধিত আইন কাৰ্য্যকৰী কৰিবৰ বাবে সময়সীমা নিৰ্দ্ধাৰণ কৰি বিশেষ কাৰ্য্যক্ৰমৰ ব্যৱস্থা কৰা হয়। ৩১-১২-৭৭ তাৰিখ পৰ্য্যন্ত মুঠ ১৭,৫৭,৬১৫ বিঘা মাটি এই আইনত অধিগ্ৰহণ কৰা হয়।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :—এইবিলাক আগৰ চৰকাৰৰ বিষয়াই লিখি দিয়া নে বৰ্ত্তমানৰ ৰাজহ মন্ত্ৰীয়ে চাইচিতি লৈছে? বিষয়াবিলাকে ভুৱা দিছে। সেইবিলাক সংশোধন কৰি নতুন চৰকাৰে নতুন কথা কব লাগে।

মাননীয় অধ্যক্ষ :— যিটো খৰছ হৈছে সেইটোহে কৈছে।

শ্ৰীলক্ষেশ্বৰ গোহাই (মন্ত্ৰী) :—৩১ মাৰ্চলৈ ক'ত ক'ত খৰছ হৈছে সেইটো দাঙি ধৰিছো।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— গৰুৰসনৰ টকাৰ নিচিনা হৈছে।

শ্ৰীলক্ষেশ্বৰ গোহাই (মন্ত্ৰী) :— ৰায়ত অধিয়াৰ সকলক ৰায়তীমাটিত স্বত্বদানৰ বাবে অসম (অস্থায়ী বন্দোবস্তী এলেকা) ৰায়তী স্বত্ব আইন ১৯৭১ অসম ভূমি ৰাজহ অধি নিয়মৰ ব্যৱস্থামতে অসমৰ কেইখন ভৈয়ামৰ জিলাত ৰায়তী স্বত্ব নথিপ্ৰনয়নৰ কাম চলাই থকা হৈছে। ইতিমধ্যে নথি প্ৰনয়নৰ কাম আৰম্ভ নকৰা কাছাৰ আৰু গোৱালপাৰাৰ স্থায়ী বন্দোবস্তী এলেকাত ৰায়তী নথি প্ৰনয়নৰ কাম অবিলম্বে আৰম্ভ কৰাৰ কথা বিবেচনা কৰা হৈছে। এতিয়ালৈকে ৩,০২,৪৭১ জন ৰায়তক নথিভুক্ত কৰা হৈছে। ভূমিহীন কৃষি বনুৱাক ঘৰ সাজিবলৈ মাটি দিয়াৰ বাবেও চৰকাৰে কাৰ্য্যক্ৰম গ্ৰহণ কৰে। বৰ্ত্তমানলৈ ১৪,৮৬২ টা গৃহহীন পৰিয়ালক বাসগৃহৰ বাবে মাটি দিয়া হৈছে। কেন্দ্ৰীয় চৰকাৰৰ অনুদানৰ ভিত্তিত নূন্যতম চাহিদা আৰ্চানমতে উক্ত পৰিয়াল সমূহক ৫৬,০৩,০০০.০০ টকা পৰিয়াল প্ৰতি ১৫০ টকাকৈ সাহায্য মঞ্জুৰী দিয়া হৈছে।

শ্ৰীবীৰেন্দ্ৰ নাথ চৌধুৰী :— অধ্যক্ষ মহোদয়, মাটিয়ে বিতৰণ কৰা হল কাগজৰ পাতত আৰু সেই বিষয়ে মন্ত্ৰী মহোদয়ে যি আভাষ দিছে আমাৰ নতুন মন্ত্ৰীসভাই বহি এই বিলাক কথা চাইছে নে এনেয়ে অফিচাৰে লিখি দিয়া ৰিপোৰ্ট পাইছে?

মাননীয় অধ্যক্ষ :— আপ টু দেট ।

শ্ৰীবীৰেন্দ্ৰ চন্দ্ৰ চৌধুৰী :— এইবিলাক ফিগাৰ ৰিলায়েবুল নেকি ?

শ্ৰীঅতুল চন্দ্ৰ গোস্বামীঃ— নে চাপোজ টু বি ৰিলায়েবুল ?

শ্ৰীবীৰেন চৌধুৰীঃ— তেখেতে যিখিনি কথা কৈছে সেইবিলাক আগৰ চৰকাৰৰ কথা। এইবিলাক কথাকৈ নতুন চৰকাৰৰ পক্ষে জনসাধাৰণক বিভ্ৰান্ত কৰা উচিত নহয়, আচল কথা কব লাগে।

মাননীয় অধ্যক্ষ :—আচল কথা কৈছে ।

শ্ৰীলক্ষেস্বৰ গোহাঁই (মন্ত্ৰী):— তাৰ পিচতআমাৰ গাঁওবুঢ়া সকলৰ ভাট্টাৰ কথা কোৱা হৈছে। গাঁওবুঢ়া সকলে বছৰি পাৰিতোষিক ২৫০ টকাকৈ পায় আৰু আগৰ চৰকাৰে তাক ৫০০টকালৈ বৃদ্ধি কৰিছে। এই বৰ্দ্ধিত ব্যয়ৰবাবে ৩ লাখ টকাৰ পৰিপূৰক মঞ্জুৰী বিছৰা হৈছে। ইয়াৰ উপৰিও গাওঁবুঢ়া সকল অইন চাৰ্কাৰিয়ালৰ দৰে চিকিৎসা সাহায্য আদি পায়।

মাননীয় অধ্যক্ষ ঃ—আপদান মধ্যাহ্নভোজনৰ পাচত কব। সদন ২.৩০ বজালৈ স্থগিত থাকিল।

After lunch

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) ঃ—অধ্যক্ষ মহোদয়, (১) গাওঁবুঢ়া সকলৰ পৰা পোৱা বিভিন্ন দাবী বিবেচনা কৰি পূৰ্ব্বৰ ২৫০ টকাৰ বছেৰেকীয়া পৰিতোষিক ১-১২-৭৭ তাৰিখৰ পৰা ৫০০ টকালৈ বৃদ্ধি কৰাত অতিৰিক্ত ৩ লাখ টকাৰ আৱশ্যক হৈছে।

(২)স্বায়ত্ব শাসিত জিলা দখনৰ ডিষ্ট্ৰিকট কাউন্সিলে নিজা পুজিৰ পৰা মাটিৰ জৰীপ আৰু ৰেকৰ্ড তৈয়াৰী কৰিব নোৱাৰাত, একীভূত পাৰ্ব্বত্য আঁচনিত ভূমি সংস্কাৰ বিষয়টোও সামৰি লয়। এই আঁচনি কাৰ্য্যকৰী কৰিবৰ বাবে ১৯৭৪ চনৰ পৰা গ্ৰাণ্ট ইন এইড হিচাবে বছৰি সাহায্য দি আহিছে। চলিত বছৰটোত পৰিকল্পনাত ধাৰ্য্য কৰা ২২ লাখ টকাৰ পৰিবৰ্ত্তে বাজেটত ১৫ লাখ টকাহে ধাৰ্য্য কৰা হৈছিল। অতিৰিক্ত ৭ লাখ টকাৰ পৰিপূৰক দাবী ধৰা হৈছে।

কেইবাজনো মননীয় সদস্যই তোলা প্ৰশ্ন সম্পৰ্কে ঃ—গোৱালপাৰা আৰু কাছাৰ জিলাৰ অস্থায়ী বন্দবস্ত এলেকাৰ ৰায়তৰ নথি তৈয়াৰ কৰাৰ কাম চলি আছে। স্থায়ী বন্দবস্তি এলেকাৰৰ ৰিচেটেলমেণ্টৰ কাম আৰম্ভ কৰিবৰ বাবে প্ৰাৰম্ভিক ব্যৱস্থা লোৱা হৈছে। তেতিয়াই ৰায়তৰ নথি প্ৰণয়ন কৰা হব। মাননীয় সদস্য গৰাকীয়ে দৃষ্টি আকৰ্ষণ কৰা প্ৰস্তাৱটো পদনৰ বিবেচনা কৰা হব।

চিলিং আইন আৰু ৰায়তী স্বত্ব আইনৰ ব্যৱস্থাৰ মাজত প্ৰকৃততে বিৰোধী নাই। চিলিং আইনত চৰকাৰী হোৱা মাটিৰ পূৰ্ব্বৰ দখল স্বত্বভোগী ৰায়তে ক্ষতিপূৰণ পায়। এই ক্ষতিপূৰণ নলৈ ওপৰঞ্চি ১৫ বছৰৰ খাজনা জমা দিলে তেওঁৰ দখল স্বত্ব থকা মাটিত ম্যাদী পট্টা পাব পাৰে। ৰায়তী আইনত দখল স্বত্বভোগী ৰায়তে খাজনাৰ ৫০ গুণ জমা দি পট্টাদাৰ স্বত্ব পাব পাৰে।

চিলিং আইন এক্তত কলেক্টৰৰ হুকুমৰ বিৰোদ্ধে আবদন বিবেচনা কৰিবলৈ চৰকাৰক ক্ষমতা দিয়া আছে। সৰ্ব্বমুঠ ১৮৮৭ খন চৰকাৰৰ ওচৰত আবেদন পোৱা গৈছিল। তাৰে ১৩৭৪ খন আবেদনৰ বিচাৰ কৰি হুকুম দিয়া হয়। বাকী থকা ৫১৩টা গোছৰ সোনকালে নিস্পত্তি কৰিবৰ বাবে ব্যৱস্থা লোৱা হৈছে।

ভূমি সংস্কাৰ সমিতি সমূহে বিভিন্ন পৰ্য্যায়ত ভূমিহীন লোকৰ লিষ্টি পৰীক্ষা কৰি অনুমোদন কৰে। এই সমিতিসমূহৰ গঠন আৰু কাম কাজ পৰীক্ষা কৰি চোৱা হৈ আছে। আৱশ্যক হলে প্ৰয়োজনীয় সাল-সলনি কৰা হব।

আধিয়াৰ সকলক বৰ্ত্তমান ৰায়তী আইনত ৰায়ত বুলি ধৰি ৰেকৰ্ডভূক্ত কৰা হৈছে। যদি কৰবাত বিশেষ খেলি মেলি ঘটিছে তথ্যপাতি পালে উপযুক্ত ব্যৱস্থা লোৱা হব। চিলিং আইনৰ মাটি অধিগ্ৰহণৰ খেলি-মেলি দৃষ্টি গোচৰ হলে চৰকাৰে আৱশ্যকীয় ব্যৱস্থা লব।

মাটিহীন লোকৰ লিষ্টিসমূহত থকা আসোঁৱাহ পালে দূৰ কৰাৰ ব্যৱস্থা লোৱা হব। মাননীয় সদস্য সকলে কৰ্ত্তন প্ৰস্তাৱৰ সন্দৰ্ভত যিবিলাক আসোঁৱাহ আৰু অসুবিধা সমূহ আনিছে সোনকালে দূৰ কৰা হব। এইখিনিতে কৈ মই মাননীয় সদস্য সকলক তেখেত সকলে অনা কৰ্ত্তন প্ৰস্তাৱ উঠাই লবলৈ অনুৰোধ কৰিলো।

শ্ৰীচামছুল হুদা :—বৰ্ত্তমানে শতকৰা ৮০ জন ৰায়তৰ ৰেকৰ্ড ওলাইছে এই বিলাক ৰেকৰ্ড ভালকৈ পৰীক্ষা কৰি তাৰ যথা যথ ব্যৱস্থা কৰিবনে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :—তাৰ ব্যৱস্থা কৰা হব।

শ্ৰীগিয়াছউদ্দিন আহমেদ :—গোৱালপাৰা জিলা আৰু কৰিমগঞ্জ মহকুমাৰ অস্থায়ী বন্দোবস্তী এলেকাত নথি তৈয়াৰ কৰাৰ কাম চলি আছে, কিন্তু স্থায়ী এলেকাৰ কাম কেতিয়া হব ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :—তাৰো কাম সোনকালে কৰা হব।

শ্ৰীচামচুল হুদা :—গাঁওবুঢ়াৰ বিষয়ে তদন্ত কৰাৰ কথা কৈছিলো।

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :—সেইটো পৰীক্ষা কৰি চোৱা হব।

Mr, SPEAKER :—I think the honourable members withdraw the Cut Motion. The Cut Motion on Demand No.2 is withdrawn. I now puts the demand প্ৰস্তাৱটো এই যে, আমাৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে প্ৰস্তাৱ কৰা হৈছে যে, ১৯৭৮ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত কেতবোৰ ব্যয় বহন কৰিবলৈ ২২৯ ভূমি ৰাজহ ৩০৪ অন্যান্য সাধাৰণ অৰ্থনৈতিক সেৱা ১১১ সীমা নিৰ্দ্ধাৰণ, ৫০৪ অন্যান্য সাধাৰণ অৰ্থনৈতিক সেৱাৰ বাবে মূলধন ব্যয় সম্পৰ্কীয় শিতানৰ প্ৰশাসনৰ অৰ্থে ভাৰপ্ৰাপ্ত মন্ত্ৰীক অতিৰিক্ত ১,৩১,৪৬,৩১২ টকা মঞ্জুৰ কৰিব লাগে।

Now, those who are for favour of the motion say Ayes and thoes who are against the motion say Noes.

(Motion is passed)

Now, Demand No. 3. Mr. THOUSEN

Shri SONARAM THOUSEN, (Minister) :—On the recommendation of the Governor of Assam, I beg, Sir, to move that an additional amount of Rs.4,75,000 be granted to the Ministar-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1978 for the administration of the head "230—Stamps and Registration."

Mr. SPEAKER —Now, there is Cut Motion here. Mr. SAMSUL HUDA.

* শ্ৰীচামচুল হুদা :— মাননীয় অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱৰ পৰিপেক্ষিতত মই কেইটামান কথালৈ উনুকিয়াও। অৱশ্যে এইটো এটা ডাঙৰ কথা নহয় আন পিনে ৰৰ সৰু কথাও নহয়। মই কেইটামান আৱশ্যকীয় কথা উনুকিয়াম। কোৰ্টফিজ ষ্টাম ভেন্দৰ সকল কিমান কিমান বিক্ৰি কৰে কোন সময়ত বিক্ৰি কৰে, তাৰ প্ৰকৃত ৰেকৰ্ড নথকাৰ ফলত বহু সময়ত ভেন্দৰে সুবিধা মতে বেচি দামত বিক্ৰি কৰে। আৰু আগৰ তাৰিখত বিক্ৰি কৰা বুলি লেখি দিয়ে। গতিকে প্ৰকৃততে ইচৰ তাৰিখটো পুৰণা তাৰিখ দেখুৱাই বেচি দামত বিক্ৰি হয়। এনেকুৱা দৃষ্টান্তও পোৱা গৈছে......

* Speech not corrrcted;

মাননীয় অধ্যক্ষ :—আপুনি প্ৰস্তাবটো আগতে উত্থাপন কৰক।

* শ্ৰীচামচন্দ্ৰ হুদা :—হয় মই কৰিছো। বহুত ক্ষেত্ৰত চৰকাৰী অফিচৰ পৰা পুৰণা টিকট বিল বিলাক উঠাইআনি সেই টিকট বিলাকা বিক্ৰি কৰা হয়। সেই কাৰণে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰো যে ভেন্দৰ সকলে কিমান ষ্টাম কেতিয়া বিক্ৰি কৰে সেই বিলাকৰ এটা স্পষ্ট ৰেকৰ্ড ৰখাৰ ব্যৱস্থা কৰিব লাগে। দ্বিতীয়তে ৰেজিষ্টাৰ অফিচৰ ভলিউমৰ অভাবত বছৰৰ পিচত বছৰ ধৰি পৰি থাকে, সেইবিলাক কপি নোহোৱাকৈ থাকে। বহুত সময়ত দেখা যায় গাওঁ অঞ্চলত জামিননামা বিলাক দিয়া হয় তাৰ কাৰণে পইচাও লোৱা হয় কিন্তু তাৰ কাৰণে কোনো ৰচিদ আদি দিয়া নহয়। তাৰ পিচত আমি মফচল অঞ্চল বিলাকত দেখিছো যে বহুত সময়ত ৰেজিচষ্টাৰৰ কামো চলাব লাগে। অফিচৰ সময়ত ৰেজিষ্টাৰ বিলাক ঘূৰি ফুৰে ৪/৫ টামান বজাত আহি অফিচত বহিব আৰু তাৰ পিচতে ৰেজিচষ্টাৰ নহব বুলি কৈ দিয়ে। তাৰ পিচত মানুহ বিলাকে উপাই নাপায় বাধ্যত পৰি অতিৰিক্ত পইচা ঘোচ দি ৰেজিষ্টাৰ কৰাব লগীয়া হয়। গতিকে এই বিলাক কথালৈ দৃষ্টি দিবৰ কাৰণে চৰকাৰক অনুৰোধ কৰিলো।

আৰু এটা কথা মই কব বিচাৰিছো যে বহুত বিলাক ৰেজিচষ্টাৰাৰ, চাব ৰেজিচষ্টাৰাৰ এই সকলৰ থাকিবলৈ ঠাই নাই। গতিকে এই সকলকো অনান্য চৰকাৰী চাকৰিয়ালৰ দৰে থাকিবলৈ কুৱাটাৰ দিব লাগে এইটো অস্হায়ী বিভাগ নহয় এইটো স্হায়ী বিভাগ। গতিকে উঠি যোৱাৰ ভয় নাই। সেই কাৰণেই এই সকলক বাসৰ ব্যৱস্হা কৰি দিব লাগে। এই দৰে তলে তলে যি বিলাক দুনীতি চলি আছে সেই বিলাকৰ সম্পৰ্কত চৰকাৰক চকু দিবলৈ অনুৰোধ কৰি মই মোৰ কৰ্ত্তণ প্ৰস্তাৱটো মভ কৰিলো।

Shri SONARAM THOUSEN. (Minister) :—Mr. Speaker, Sir, the Hon'ble Members want the reply in their own language, so I propose to speak in Bengali because I have very little knowledge of Assamese.

সেই জন্য আমি বাংলাতেই বলবো। আমার প্রথম কথা হলো যে ষ্ট্যাম্প এন্ড রেজিস্ট্রেশন বিভাগ ঠিক ঠিক একটা বিভাগ নয় এটা একটা শাখা মাত্র। এই বিভাগের কাজকর্ম প্রধানত ডি, এল, আর' এর উপর ন্যাস্ত থাকে। জেলা পর্যায়ে ডি,সি, অথবা এ, ডি, সি'র উপর এই বিভাগের কাজ করবার ভাড় দেওয়া হয়। তার নিচে আছেন ডেপুটি রেজিষ্ট্রার এবং তার নিচে আছেন এসিসন্টান ডেপুটি রেজিষ্ট্রার। এরাও আবার দুই রকমের আছেন,—

১। সরকারী অফিসার, ২। 'অফিসার ওন কমিশন বেসিস্'। এই জন্য আমি বলছি এটা ঠিক ঠিক স্বতন্ত্র বিভাগ নয়, একটা শাখা মাত্র।

অধ্যক্ষ মহোদয়, মাননীয় সদস্য মহাশয় যে পরামর্শ এই বিভাগের উন্নতির জন্য দিয়েছেন সেটা এই সরকার দেখবেন এবং 'অমিশন' 'কমিশন' যা আছে তা সংশোধন করতে যত্নবান হবেন। তাই আমি মাননীয় সদস্য মহোদয়কে অনুরোধ করছি তিনি যেন প্রস্তাবিত কর্ত্তন প্রস্তাব উঠিয়ে নেন।

Mr. SPEAKER :—Will the Hon'ble Member withdraw the Cut Motion?

* Speech not corrected.

Shri SAMSUL HUDA:— I do not press the cut motion.

(The Cut Motion was withdrawn with the leave of the House)

Mr. SPEAKER: Now I put the motion. The motion is that an additional amount of Rs, 4,75000 be granted to the Minister in charge to defray certain charges which will come in the course of payment during the year ending 31st March 1978 for the administration of the head '230—Stamps and Registration."

(The Motion was adopted)

Shri DULAL CHANDRA BARUA:— (Minister,) Sir, on the recommendation of the Governor of Assam, I beg to move that an additional amount of Rs.85,00,000 be granted to the Minister in charge to defray certain charges which will come in the course of payment ending the 31st March, 1978 for the administration of the heads "241—Taxes on vehieles, 265—Other Administrative Services IV—Motor Garage, 338—Road and Water Transport Services—A—Road Transport, 338—Road & Water Transport Services—B—water Transport and 538—Capital Outlay on Road & Water Services."

Mr. SPEAKER : There is no cut motion, so, I put the motion. The motion is that an additional amount of Rs. 85,00,000 be granted to the Minister in charge to defray certain charges which will come in the course of payment ending the 31st March, 1978 for the administration of the heads "241—Taxes on vehicles, 265—Other administrative services IV—Motor Garage, 338—Road and Water Transport Services-B-Water Transport and 538—Capital outlay on Road and Water Transport Services."

(The motion was adopted)

Grant No. 5.

Shri KESHAB CHANDRA GOGOI, (Minister) :—Mr. Speaker, Sir, on the recommendation of the Governor of Assam, I beg to move that an additional amount of Rs. 30,2540 granted to the Minister in charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1978 for the administration of the head "254—Treasury and Accounts Administration".

Mr. SPEAKER :—There is no cut Motion. So I put the main motion. The motion is that an additional amount of Rs. 302540 granted to the Minister in charge to defray certain charges which will come in the caurse of payment during the year ending the 31st March 1978 for the administration of the head "254—Treasury and Accounts Administration."

(The Motion was adopted)

Shri GOLAP BORBORAH, (Chief Minister):—Sir, on the recommendation of the Governor of Assam, I beg to move that an additial amount of Rs. 5,57,74,255 be granted to the Minister-in-charge

to defray certain charges which will come in the course of payment during the year ending the 31st March 1978 for the administrationt of the head "255—Police".

Mr. SPEAKER : There is a cut motion. Mr. SUMSUL HUDA.

* Shri SUMSUL HUDA : Sir, I beg to move that the total provision of Rs. 5,57,74,255, under Supplementary Demand No. 6, Major head "255—Police", at pages 9—12 of the List of Supplementary Demands, be reduced by Rs. 100, i.e. the amount of the whole supplementary demand of Rs. 5,57,74,255 do stand reduced by Rs. 100.

এই কৰ্ত্তন প্ৰস্তাৱ অনাৰ উদ্দেশ্য হৈছে কিছুমান আলোচনা কৰা আৰু সমালোচনা আগবঢ়াই বিভাগটো চালিজাৰি চোৱা। অধ্যক্ষ মহোদয়, মোটামোটি ভাৱে পুলিচ বিভাগৰ কাৰ্য্যকলাপত আমাৰ অসমৰ জনসাধাৰণ যোৱা একত্ৰিশ বছৰে অসন্তুষ্ট হৈ আছে। বৃটিছৰ দিনৰ পুলিচৰ দৰে এতিয়াৰ পুলিচলৈকো কোনো কোনো ঠাইৰ ৰাইজে ভয় কৰে আৰু সৰু লৰা-ছোৱালী পলায়। ৰাইজে খাকী বিহুৰ দল বুলি কয়। যোৱা একত্ৰিশ বছৰে কংগ্ৰেছী চৰকাৰে পুলিচ বিভাগটোক যথাযথ ভাৱে কামত লগাব পৰা নাই। বেছি ভাগ ক্ষেত্ৰতে শাসক দলৰ ক্ষমতা ৰক্ষাৰ কাৰণে পুলিচ দলক ব্যৱহাৰ কৰিছে। নাইবা ৰাইজৰ আন্দোলন বা বিৰোধী দলৰ নেতা সকলক অত্যাচাৰ অন্যায় কেনেকৈ কৰিব পাৰি তাৰ কাৰণে ব্যৱহাৰ কৰি আহিছে। সেই কাৰণে মই নতুন চৰকাৰক অনুৰোধ জনাইছো যাতে পৃথিবীৰ আন আন দেশৰ পুলিচ বিভাগৰ কাম-কাজ আদি পৰ্য্যালোচনা কৰি আমাৰ ইয়াতো পুলিচ বিভাগক সেই ভাৱে সেৱাৰ কাৰণে কামত লগাবলৈ চেষ্টা কৰে। তেতিয়াহলে পুলিচ বিভাগটো ৰাইজৰ মৰমৰ আৰু আন্তৰিকতাৰ হৈ উঠিব। তেতিয়াহে নতুন চৰকাৰৰ কৃতিত্ব ফুটি উঠিব। ইংলেণ্ড আদি দেশত ক্ৰিমিনেল কেচ বিলাক ছয় ঘণ্টাৰ ভিতৰতে তদন্ত কৰি শেষ কৰি দিয়ে অথচ আমাৰ ইয়াত একোটাহঁত কেচ তদন্ত কৰাৰ কাৰণে ছয় বছৰ পৰ্য্যন্ত লাগে। অথচ ক্ৰিমিনেল কেচ বিলাক যিমানেই পলম হয় সেমানেই ফৰিয়াদী পক্ষক ভীতি প্ৰদৰ্শন বা সাক্ষীক হাত কৰা আদি নানান কাৰ্য্যৰ দ্বাৰা গোচৰৰ ক্ষেত্ৰত গোলমাল লগাই দিয়ে। ষাঠি দিনৰ ভিতৰত চাৰ্জ চীট দাখিল কৰিব পাৰিলে তদন্ত আৰু বিচাৰত সহায় হয়। গতিকে এই বিভাগৰ কাম কেনেকৈ খৰতকীয়া কৰি তদন্ত আদি সময়ৰ ভিতৰতে দিব পৰা হয় তাৰ ব্যৱস্থা কৰাৰ বাবে নতুন জনতা চৰকাৰক অনুৰোধ জনালো।

অধ্যক্ষ মহোদয়, পুলিচ বিভাগটো টপহেভি বিভাগ হৈ পৰিছে। আই-জি-পিৰ পৰা আৰম্ভ কৰি ডি-আই-জিও কেইবাজনো আছে। আই-জি-পিও কেইবাজনো কৰিৰ লগীয়া হৈছে। বেছি হোৱাত আপত্তি নাই কিন্তু কাম বিলাক খৰতকীয়া হব লাগে। এই বিষয়ত মই নতুন চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো। ডি-এচ-পিৰ পদ বহুত খালি হৈ আছে। বছৰৰ পিচত বছৰ ধৰি খালি হৈ থকা এই পদ বিলাক পূৰাব লাগে। একোখন থানাত দেখা যায় সে এচ-আই পাঁচজন অথচ এ-এচ-আই দুজনহে থাকে। অৰ্থাৎ এ-এচ আই কম আছে। কেচ ধৰিবলৈ ডাৰোগা এজনে এজন চিপাহী লৈ যায়। গতিকে চিপাহী নিশ্চয় কম আছে। সোনকালে এই পদ বিলাক পূৰাই বিভাগটো সম্পূৰ্ণ কৰাৰ কাৰণে নতুন চৰকাৰক অনুৰোধ জনালো। বহুত ক্ষেত্ৰত পুলিচ বিভাগটোক ৰাজনৈতিক বা সামাজিক আখেজ পূৰাবৰ কাৰণে বহুত ঠাইত প্ৰয়োগ কৰা হয়। এই আখেজতে কেচ ৰুজু কৰি দি মিছাকৈয়ে হাৰাশাস্তি কৰে। তেনে ক্ষেত্ৰত মিছা কেচ হলে ৰেজিষ্টাৰ নকৰাৰ ব্যৱস্থা হব লাগে। লক্ষ্য কৰিলে দেখা যাব যে শতকৰা পঞ্চাশ নহলে চল্লিশ ভাগেই মিছা কেচ ৰেজিষ্টাৰ হৈ থাকে। ইয়াৰ কাৰণ এফেক্টিভ ব্যৱস্থা হব মিছা কেচ দিয়াজনৰ ওপৰত

* Speech not corrected

২১৮ৰ ঠাইত ২৩১ মতে ব্যৱস্থা লব পৰা হব। বহুত ক্ষেত্ৰত দেখা যায় যে পুলিচ বাহিনী নিৰ্বিকাৰ হৈ থাকে। ৰাস্তাৰ ওপৰত দুটা দলৰ মাজত চুৰি আৰু লাঠিৰ টেনচন হব বুলি খবৰ পালেও তেওঁলোক নাযায়। বৰঞ্চ কিবা এটা হোৱাৰ পিচত ব্যৱস্থা লবলৈহে বাট চাই থাকে। অথচ কিবা এটা তেনে টেনচন মাৰপিট বা মৰামৰি হোৱাৰ আগখিনিতে হস্তক্ষেপ কৰিলে সেই ঘটনা ঘটিবই নোৱাৰিব। আনহাতে পুলিচ বিভাগৰ কাৰোবাৰ লগত যদি ৰাইজৰ কোনোবা এজনৰ কিবা টেনচন সংঘটিত হয় তেতিয়া একোকে নাচাই এফালৰ পৰা ৰাইজৰ ওপৰত জপিয়াই পৰি সকলোকে জপটিয়াই ধৰিবলৈ পুলিচ বিভাগে কুণ্ঠাবোধ নকৰে।

(সময়ৰ সংকেত)

অধ্যক্ষ মহোদয়, মই আৰু বেছি সময় লব নোখোজো। অন্যান্য কৰ্ত্তন প্ৰস্তাৱ আলোচনাৰ সময়ত আৰু অন্যান্য মাননীয় সদস্য সকলৰ ফালৰ পৰাও সমালোচনা কৰিব। সেই কাৰণে মই সংক্ষেপ কৰিছো। পুলিচ বিভাগৰ কৰ্মী সকলৰ থকা ঠাইৰ কোনো বন্দ-বস্ত নাই। কলংপাৰত আজি বহুদিন ধৰি চিপাহী কিছুমান টেণ্ট টানি আছে। তাত বাৰিষা এইআঠু পানী হয়। সেই সকলৰ কাৰণে থকাৰ ব্যৱস্থা কৰিব লাগে। পুলিচৰ গাড়ী ঘোৰাও উপযুক্ত পৰিমাণে নাই। ফলত ডকাইটে ডকাইটি কৰি পলালে টেক্সিৰে আৰু আমাৰ পুলিচ বিভাগৰ লোক চাইকেল বা খোজকাঢ়ি সেই ডকাইট ধৰিবলৈ যায়। ফলত চিপাহী পিচত পৰি থাকে। থানা বিলাকত ওৱাৰলেচ ব্যৱস্থাৰ বাহিৰেও প্ৰত্যেক থানাকে ফোন সংযোগ কৰি যোগাযোগ ব্যৱস্থা উন্নত কৰিব লাগে। এইখিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো দাঙি ধৰিছো।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ—অধ্যক্ষ মহোদয়, পৰিপূৰক দাবীৰ ৯-১৩ পৃষ্ঠাত "২৫৫ আৰক্ষী" শিতানৰ ৬ নম্বৰ মঞ্জুৰীৰ বাবে কৰা সৰ্বমুঠ দাবীৰ ৫,৫৭,৭৪,২৫৫ টকা ১০০ টকাৰে হ্ৰাস কৰা হওক, অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ৫,৫৭,৭৪,২৫৫ টকা ১০০ টকাৰে হ্ৰাস কৰা হওক।

অধ্যক্ষ মহোদয়, উক্ত শিতানত যি টকা বিচৰা হৈছে তাৰ ব্যাখ্যামূলক টোকাত বিভাগীয় চাকৰিয়াল সকলক অতিৰিক্ত মৰগীয়া বানচ আৰু অন্তৰ্বৰ্তিকালিন সাহায্য দিয়াৰ কাৰণে অতিৰিক্ত টকাৰ আৱশ্যক হৈছে বুলি কোৱা হৈছে। গতিকে পৰিপূৰক মঞ্জুৰীৰ দাবী উত্থাপন কৰা হৈছে। পুলিচ অফিচাৰ বা কৰ্মচাৰী সকলক এই পইচাখিনি দিয়াত আপত্তি কৰিবলগীয়া নাই। কিন্তু অৱস্থা কি হৈছে? যোৱা জৰুৰী অৱস্থাৰ সময়ত গুৱাহাটীত এজন স্বনামধন্য পুলিচ অফিচাৰ আছিল। এই অফিচাৰজনক এতিয়া চৰকাৰী পইচা দি আদালতত কেচ কৰিবৰ কাৰণে সুযোগ দিয়া হৈছে। এই অফিচাৰজনে এজন সত্যাগ্ৰহীক ধৰি আনি বাওঁ হাত ভাঙি পঠিয়াই দিছে। কাহিলীপাৰাৰ ৩।৪ জন আৰ, এচ, এচ, লৰাক ধৰি আনি দুই হাতৰ আঙুলিত বেজীৰে সৈতে খুচি খুচি আঙুলি ভাঙিছে। নলবাৰীৰ ছোৱালী জনীক নামটো ঠিক মনত নাই খুব সম্ভৱ মীৰা দেৱীক তেওঁক ধৰি আনি তেওঁৰ পেটত লাখুটিৰে খুচি অতি লজ্জাজনক ভাষা ব্যৱহাৰ কৰিছিল যে তোৰ পেটত কাৰ বাৎচা আছে ক। এনেকুৱা এজন অফিচাৰৰ বিৰুদ্ধে যেতিয়া মোকদ্দমা হল এই অফিচাৰজনক তৎক্ষণাত বৰ্খাস্ত কৰিব লাগিছিল। নিজৰ পইচা খৰচ কৰি আদালতৰ সন্মুখীন হবলৈ দিব লাগিছিল। তাকে নকৰি চৰকাৰে পইচা দি চাকৰিত বাহাল ৰাখিছে, কাম কৰিবৰ কাৰণে সুবিধা দি আছে। আশা ৰাখিছো নতুন চৰকাৰে অনতিপলমে এই অত্যাচাৰী চাকৰীয়ালজনক বৰ্খাস্ত কৰিব। নিজা পই-চাৰে মোকদ্দমাৰ সন্মুখীন হবলৈ দিব আৰু তেওঁৰ যদি নিৰ্দোষী প্ৰমাণিত হয়

চার্কাৰ বাহাল ৰাখক। কিন্তু এই ধৰণৰ ৰাজদ্ৰোহী পুলিচ অফিচাৰক চৰকাৰী সহায় দি ৰখাৰ বিৰোধীতা কৰিছো। এই পুলিচ বিভাগত টকা কেনেকৈ অপচয় হয় তাৰ এটা প্ৰমাণ দিব খুজিছো। ১৯৭৭ চনত এ, আই, জি, পি, (আৰ) গাখীৰ যোগানৰ টেণ্ডাৰ লোৱা হৈছিল। গাখীৰ যোগানত তিনিটা প্ৰতিষ্ঠানে টেণ্ডাৰ দিছিল। এটাই প্ৰতি কিলোগ্ৰাম গাখীৰত টেক্স লৈ ১৪০৮ টকাৰ টেণ্ডাৰ দিছিল, আনটোৱে ১৪২১ টকাৰ টেণ্ডাৰ দিছিল, আন এটাই ১৬৩৯.৫৯ টেণ্ডাৰ দিছিল। দেখা গল তিনিওটা পাৰ্টীক গাখীৰ যোগানৰ ব্যৱস্হা কৰি দিয়া হল। কম দিয়াজনক শতকৰা ৫০ ভাগ দিয়া হল, বেছি দিয়াটোক শতকৰা ৩০ ভাগ দিয়া হল আৰু মধ্যমীয়াটোক শতকৰা ২০ ভাগ দিয়া হল। কিন্তু এইবাৰ বেছি দাম দিয়াজনকহে সম্পূৰ্ণ ঠিকা দিয়া হল। এই অফিচ বিলাকত এই ধৰণৰ অপচয় হয়। টকা বিলাক আগেয়ে দিয়া নহয়। মাৰ্চৰ ২৪।২৭ তাৰিখত খৰচ কৰে। বিভাগীয় বিষয়া সকল দিন পুৱাবলৈ আহি পইচা লোৱা হয়। এনেকৈ হুৰামুৰাকৈ ৰাজহৰ পইচা আনি কোনো কাম নহয়। প্ৰায় বিলাক বিভাগত এই ঘটনা হয়। আজি ২।৩ দিন দেখিছো মন্ত্ৰীৰ সুখ নাই, চেক্ৰেটেৰীৰ সুখ নাই। সকলো ঠাইৰ পৰা বিষয়া আহিছে গ্ৰান্ট লবৰ কাৰণে। পইচা নিব ২৫।৩১ তাৰিখে। ষ্টেট বেংক ৰাতি ১২ বজালৈ খোলা থাকে, লেম্পজুলাই পইচা নিব। কিয় এই ব্যৱস্হা ? তাৰ পিচত নগাঁৱৰ ডি, এচ, পি, জন নগাঁৱত থকা ১০।১২ বছৰ কাল হল। তেঁও পিছে এটা বৰ ভাল কাম কৰে, কংগ্ৰেছৰ কাৰণে ভোট বিচাৰে। যেতিয়া এইজন অফিচাৰৰ বদলি হুকুম হয় নগাঁও জিলাৰ কংগ্ৰেছ এম,এল, এ সকল আহি জুমি দি ধৰে যাতে তেওঁক তাতে ৰখা হয়। এইজন অফিচাৰে অলপতে এটা ঘটনা কৰিছিল। মিছাত ইদৰ কুৰবাণি হৈছিল আৰু এটা গৰু জবাই কৰা হৈছিল। সামান্য টেনচন হৈছিল। ছয় দিন পিছত দুয়ো পক্ষৰ মিলামিচা হৈছিল। এইজন অফিচাৰে ১৪ তাৰিখৰ দিনা কেইজনমান লোকক ধৰি আনি নগাঁও সদৰ থানাত জব্দ কৰি সাম্প্ৰদায়িক অশান্তিৰ সৃষ্টি কৰাৰ চেষ্টা চলাইছিল। কিন্তু পৰিস্হিতি ঠাণ্ডা হল। তাৰ পিচত ৰাইজৰ পৰা কেন্দ্ৰীয় গৃহ সচিবলৈ কাগজ পঠিয়ালে। এই বিষয়ত এনকুৱাৰী ৰিপোৰ্ট দিব লাগে বুলি কেন্দ্ৰীয় গৃহ মন্ত্ৰী দপ্তৰৰ পৰা ১৪ ফেব্ৰুৱাৰীত অসমৰ গৃহ সচিবলৈ চিঠি আহিল, আজিলৈকে এই বিষয়ত তদন্ত হোৱা নাই। পুলিচ সকল যিটো অৱস্হাত থাকে তাক আমি অনুভৱ কৰো। এটা সৰু কোঠাত পৰিয়াল সোমাই থাকে। সেই অৱস্হা উন্নত কৰিব লাগে ঘৰ-দুৱাৰৰ ব্যৱস্হা উন্নত কৰিব লাগে থানাৰ ব্যৱস্হা উন্নত কৰিব লাগে। কিন্তু যি বিলাক বিষয়াই বেয়া কাম কৰে, আৰু নিজে শুদ্ধ নহয় সকলোৰে লগত খাপ খাই নচলে তেনেহলে চৰকাৰে এনে কৰ্মচাৰীৰ ওপৰত শাস্তি বিধান গ্ৰহণ কৰিবই লাগিব।

আন এটা কথা কব বিছাৰিছো যে নিৰ্ব্বাচনৰ ১৫ দিন আগত কলিয়াবৰ সমষ্টিৰ ঢেকিয়াল গাৱৰ কৈৱৰ্ত্ত মানুহ এজন শ্ৰীমোহন দাসৰ ৰাতি ১১ বজাত কলিয়াবৰ থানাৰ দাৰোগাই মাতি আনে শ্ৰীঅতুল গোস্বামীয়ে তোমাক মাতিছে বুলি। শ্ৰীঅতুল গোস্বামীৰ নাম শুনি তেওঁ ওলাই আহিল। তেওক ধৰি বান্ধি লৈ যোৱা হল। জখলাবন্ধাৰ চাহ দোকানত তেওঁক ভীষণ ধৰণে পিতা হল। তেওক লক-আপত ভৰোৱা হল। কাৰণ বিধায়ক শ্ৰীঅতুল গোস্বামীক তেওঁ সমৰ্থন কৰিছিল। কলিয়াবৰ সমষ্টিৰ জনতা পাৰ্টিৰ তেওঁ কাৰ্য্যকাৰী সদস্য আছিল। মই ৰাতিপুৱা থানাত খবৰ লবলৈ আহো। ৰাতিপুৱা ৯ বজালৈ শুই নুঠে। উঠি অহাত খবৰ ললো এই মানুহজনক কিয় ধৰি আনিলে ? তেওঁ উত্তৰ দিলে যে তাৰ কাৰণ হল তেওঁৰ দুজনী ঘৈণীয়েক আছে, ভাল পোচাক পিন্ধে, হাতঘড়ী আছে,। তেওঁ কলে মোহন দাসক জামিনত দিব নোৱাৰো। মই কলো সোনকালে নগাঁৱলৈ পঠাই দিব লাগিব। দুজনী ঘৈণীয়েক থকাৰ কাৰণে, ভাল পোচাক পিন্ধাৰ কাৰণে ১১.৪৫ বজাত মানুহক ধৰি আনি পিতিব পাৰে এইটো কেনে কথা? এনেকৈ দুনীতিকৰা সকলক যদি প্ৰশ্ৰয় দি থকা হয় তেন্তে পুলিচৰ প্ৰতি মানুহৰ

সম্মান বাঢ়িবনে? পুলিচক বন্ধু বুলি কেনেকৈ গণ্য কৰিম? এনেকুৱা বহুত ঘটনা ঘটি আছে। মুখ্যমন্ত্রীৰ হাতত পুলিচ বিভাগ আছে। তেখেতক এই পুলিছ বিভাগে কেবাবাৰো বেয়া ধৰণে বান্ধি ধৰি আনিছে। আমাৰ নিচিনা দুৰ্বল মানুহৰ যাৰ ঢাল নাই তৰোৱাল নাই নিধি ৰাম চন্দাৰ্ৰ তেনে মানুহক জেলৰ পৰা হাতত সৰাবলৈ চিকিৎসালয়লৈ নিওতে হাতত হেন্ডকাপ দিহে নিছে। ৰাতি মেডিকেল কলেজ হাস্পাতালত আছো। বিচনাত হাতকৌৰিয়া লগাই থৈছে। এনে ধৰণৰ অত্যাচাৰ বহুত হৈছে। অফিচাৰক আইনত যি ক্ষমতা দিছে তাতকৈ যি সকল আগবাঢ়ি গৈছে তেওঁলোকৰ শীঘ্ৰে তদন্ত হব লাগে। নতুন চৰকাৰে এনে বিষয়া সকলক উপযুক্ত শাস্তি বিহিব বুলি আশা ৰাখিছো। এই খিনিকে কৈ কৰ্ত্তন প্রস্তাবটো উত্থাপন কৰিলো।

শ্রীনিশীথ রঞ্জন দাস ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীসামসুল হুদা সাহেব যে কৰ্ত্তন প্রস্তাব এনেছেন তার জন্য আমি তাকেই আমার আন্তরিক ধন্যবাদ জ্ঞাপন করছি। মহোদয়, ৩১ বছরের পর আমাদের আসাম রাজ্যের জনগণ কংগ্রেসী পুলিশী রাজকে প্রত্যাখ্যান করে নতুন প্রভাত সৃষ্টি করার জন্য এই সদনের মারফত রাজ্যের জনগণকে আমার সংগ্রামী অভিনন্দন জানাচ্ছি।

মহোদয়, আমারদের রাজ্যে কংগ্রেস সরকার একচেটিয়া পুঁজিপাতি এবং সামান্ততান্ত্রিক জমিদারদের স্বার্থ রক্ষা করার জন্য পুলিশ যন্ত্রকে এতদিন ব্যবহার করে এসেছিল। তারফলে বিগত ৩১ বছর ধরে এই ভারতবর্ষের মাটিতে কত মা সন্তান হারা হয়েছে, কত পিতা পুত্রহারা হয়েছে। কত রমনী মাথার সিঁদুর মুছে গেছে, হাতের শাখা ভেঙ্গেছে তার ইয়ত্ব নেই। বৃটিশ সাম্রাজ্যবাদিক লুন্ঠন, অত্যাচার, হত্যা চালিয়ে পুলিশী প্রশাসন যন্ত্রের যে ইতিহাস সৃষ্টি করেছিল, কংগ্রেছ রাজত্ব তাকেও ম্লান করে দিয়েছে। আমারদের এই রাজ্যেও তার ব্যতিক্রম হয়নি। সুজলা সুফলা শষ্য শ্যামলা আমারদের এই রাজ্যের সম্পদ লুন্ঠন করে একচেটিয়া পুজিপতির স্বার্থ রক্ষার বিরুদ্ধে যখন এই রাজ্যের চা বাগানের শ্রমিকরা প্রতিবাদ ধ্বনি তুলেছিল, কংগ্রেসী পুলিশি জবরদস্তি তার কন্ঠরোধ করেছে। আমারদের অসাম অয়েল রিফাইনারী যখন বাইরে নিয়ে যাওয়া হচ্ছিল তখল তার বিরুদ্ধে কবলৈ আসামের কংগ্রেসী সরকারের পুলিশ আমাদের উপর লাঠি চালিয়েছিল, আমাদেরে কারারুদ্ধ করেছিল। যখনই আমারা জনগনের পক্ষে দাড়িয়ে কাজ করিছি তখনই এই কংগ্রেস সরকার নির্লজ্জের মতো আমাদেরে অপমান করেছে, সামাজ্যবাদী বৃটিশ আমলের মতো সমস্ত কালাকানুন প্রয়োগ করেছে। ডি আইরুল প্রিভেন্টিক, ডিটেনশন এ্যাক্ট, মিসা এই সমস্ত কালো আইন বার বার নির্লজের মতো আমারদের উপর প্রয়োগ করেছে আমারদের প্রতিবাদ দমন করতে, গণতান্ত্রিক আন্দোলন দমন করতে।

মহোদয়, ১৯৬২ ইংরাজীতে আসামের চারণকবি বিষ্ণু রাভাকে গ্রেপ্তার করতে গিয়েছিল এই পুলিশ, তার হাতে তারা হাতকড়া পরাতে গিয়ে পেয়েছিল চরম লজ্জা। কারণ, তাঁর বলিষ্ঠ হাতেরে কব্জিতে পরানোর মতো হাতকড়া তখনো আসামে তৈরী করতে পারেনি এই কংগ্রেস সরকার। তাই এই উম্মত্ত পুলিশী যন্ত্র তখন বিষ্ণু রাভার কোমরে শিকল পরিয়ে নিয়েগিয়েছিল কারাগারে। অধ্যক্ষ মহোদয়, আপনি বিষ্ণু রাভাকে চেনেন। উন্নত দর্শন, মহেন্দ্র নিন্দিত কান্তি। তাঁকে সেদিন বেঁধে নিয়ে গিয়েছিল চোরের মতো।

অধ্যক্ষ মহোদয়, যখনই আমাদের দেশের মানুষ কংগ্রেসী লুন্ঠনের প্রতিবাদ করতে গিয়েছে, যখনই আমাদের এই সুজলা সুফলা শষ্য শ্যামলা রাজ্যে কংগ্রেসীদের লুন্ঠনের ফলে খাদ্যাভাব সৃষ্টির প্রতিবাদকরতে গিয়েছে, তখনই এই কংগ্রেসী সরকারের পুলিশী

নখদন্ত বিস্তার করে বিশ্ববিদ্যালয়ের অভ্যন্তরে পর্য্যন্ত অত্যাচার করেছে, ছাত্র সমাজকে লাঠি মেরেছে, গুলি মেরেছে, আমাদের মাটি রক্তাক্ত করেছে। তারপর যদিবা বসে কমিশন। মহোদয়, এই স্বৈরতন্ত্রী সরকার কমিশনের রিপোর্ট গোপন করেছে।

অধ্যক্ষ মহোদয়, ১৯৬১ ইং ১৯ মে শিলছরে গুলি বর্ষণ করে এই কংগ্রেসী সরকার এগারটি তাজা প্রাণকে হত্যা করেছিল। ব্রহ্মপুত্র উপত্যকা থেকে আরম্ভ করে কাছাড়—সর্বত্র এর তদন্তের দাবীতে সোচ্চার হয়ে উঠেছিল এবং ফলে মেহেরোত্র কমিশন গঠিত হলো। কিন্তু আজ পর্য্যন্ত এই কমিশনের রিপোর্ট জনসমক্ষে প্রকাশিত হয়নি। আমার বিশ্বাস এই কমিশনের রিপোর্ট প্রকাশিত হলে ১৯৬১ ইংরাজীর পরে কখনো আর পুলিশ আসামের গণতান্ত্রিক আন্দোলনকে দমন করতে গুলি করতো না, আসামের মাটি রক্তাক্ত করতে পারতো না, কিন্তু এই রিপোর্ট চেপে যাওয়ার ফলে পরবর্তীকালে বারবার আমাদের উপর দমন নীতি গ্রহণ করা হয়েছে, বারবার সমস্ত গণতান্ত্রিক আন্দোলনকে দমন করার জন্য আসামের মাটি রক্তাক্ত হয়েছে। এই কংগ্রেস পার্টি তার স্বার্থে এই পুলিশী যন্ত্রকে ব্যবহার করে এসেছে এতদিন। মহোদয়, এই পুলিশ বাহিনী আমাদের লোক, আমাদেরই দেশের আমাদের ঘরেরসন্তান। তাদেরে যে ভাবে ব্যবহার করা হবে তারা সে রকমই চলবে। মহোদয়, পুলিশ যন্ত্রযেন একটি দাঁ। এটা যদি কোন মজুরের হাতে পড়ে তাহলে সমাজের কল্যাণ করবে, ঘরদোর তৈরী করবে। কিন্তু, কোন দস্যুর হাতে পড়লে গলা কাটবে। কংগ্রেসী রাজত্বে পুলিশকে ব্যবহার করা হয়েছিল গণতান্ত্রিক আন্দোলনকে দমন করার জন্য, গরীবমানুষের উপর অত্যাচার করার জন্য। কোন চুরি ডকাটি হলে জনসাধারণ তাদের কোনসাহায্য পেত না। পুলিশ ছিল কংগ্রেসীদের সংগঠিত গুন্ডাপার্টি।

মহোদয়, আমি রাজ্যের সীমান্ত এলাকার প্রতিনিধি। আমার সমষ্টিতে দেখেছি যখন মেহনতি মানুষ সারা রাত ধরে বিলের জলে ডুবে মাছ ধরে শহরে বিক্রী করতে যায়, বিশেষ করে যারা সংখ্যালঘু সম্প্রদায়ের লোক, তখন এই গরীব লোকদের পুলিশ রাস্তায় ধরে লাঠিপেটা করে নিয়ে যায়। বলে—"মাছ না দিলে তোমরা বাংলা দেশের নাগরিক, দিলে ভারতবর্ষের মানুষ।" সংগঠিত ভাবে দিনের পর দিন এই অত্যাচার তারা চালিয়ে এসেছে। কংগ্রেসী সরকার পুলিশকে তিনভাবে ব্যবহার করেছে। সমস্ত গণতান্ত্রিক আন্দোলনকে দমন করেতে, মেহনতি গরীব মানুষকে ভীত সন্ত্রস্ত করার জন্য অত্যাচার চালিয়েছে এবং ধনীক শ্রেণীর লুন্ঠেরাদের রক্ষা করেছে। মহোদয়, সেদিন এই গৌহাটীতে আমি দেখেছি পুলিশ এক রিক্সাওয়ালাকে মারছে। তার অপরাধ? অপরাধ হলো রাস্তার ধারে সে রিক্সা দাঁড় করিয়েছিল। মহোদয়, রাস্তার তো কত বড়লোকের গাড়ী ঘন্টার পর রাখা হয়। কিন্তু তাদেরে তো এরকম অত্যাচার করা হয়না? কিন্তু যারা মেহ নতী মানুষ, যারা রুটির জন্য প্রচন্ড রোদ বৃষ্টির মধ্যে জীবন যুদ্ধ করছে তাদেরে অত্যাচার করার জন্য, তাদেরে দমন করার জন্য কংগ্রেস সরকার পুলিশ যন্ত্রকে ব্যবহার করে আসছে।

অধ্যক্ষ মহোদয়, এজন্য আমি বর্ত্তমান জনতা সরকারকে একথা বলতে চাই যে কংগ্রেস পার্টি যে ভাবে পুলিশী প্রশাসন যন্ত্রকে ব্যবহার করেছে জনতা সরকারও যদি তা করে তাহলে আমরা তা মানবো না। কংগ্রেস এসব করেছিল বলে আজ টুকরো টুকরো হয়েছে। ভালই হয়েছে। নিশ্চিন্ন হয়ে গেলে আরো ভাল। সেজন্য জনতা সরকার যেন ভারতের জনসাধারণের মংগলের জন্য পুলিশকে ব্যবহার করেন। প্রশাসন যন্ত্রকে যেন তারা ভারতবর্ষের মেহনতী মানুষের কল্যাণের জন্য ব্যবহার করেন,

ভারতের জনসাধারণ যেন সমস্ত গণতান্ত্রিক আন্দোলন নির্ভয়ে নির্বিঘ্নে করতে পারেন। এসব দমন করতে যদি জনতা সরকার কংগ্রেসী অত্যাচারীদের মতো যদি পুলিশকে ব্যবহার করেন, আমি স্পষ্টভাবে বলতে চাই—এ অন্যায় আমরা সইবনা, আমরা জনতা সরকারকে তখন সমর্থন করব না—

"আমি বিদ্রোহী রণক্লান্ত
আমি সেইদিন হব শান্ত
যবে উৎপীড়িতের ক্রন্দন রোল
ধ্বনিবেনা আকাশে বাতাসে
অত্যাচারীর খড়্গ কৃপান
ভীম রণভূমে বাজিবে না,
বল বীর মম উন্নত শির
শির নেহারী নতশির, ঐ অত্যাচারীর।"

শ্ৰীবানেশ্বৰ শইকীয়া ঃ—মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কব খুজিছো যে আমাৰ কমৰেদ চামচুল হুদা ডাঙৰীয়াই যিটো ৬ নংত কৰ্ত্তন প্ৰস্তাৱ উৎথাপন কৰিছে।

That the total provision of Rs. 5,57,74,255, under Supplementary Demand No. 6 Major head '255 Plice' at pages 9—12 of the List of Supplementary Demands, be reduced by Rs. 100 i. e. the amount of the whole supplementary demand of Rs. 5,57,74,255 do stand reduced by Rs. 100.)

এই কৰ্ত্তন প্ৰস্তাৱটোৰ যুক্তিযুক্ততা আছে। মই এটা কথা কব খুজিছো যে, আমি যেনেকুৱা মানুহ পুলিচো তেনেকুৱা মানুহ। গতিকে তেওঁলোকৰ সুখ আৰু সুবিধাৰ আমাৰ দৰেই প্ৰয়োজন। ইয়াত কোৱা হৈছে যে তেওঁলোকক মৰগীয়া বানচ আৰু অন্তঃবৰ্তীকালিন সাহায্য দিবৰ কাৰণে পইচা লাগে। যদি পুলিচ প্ৰকৃত অৰ্থত শান্তিৰ প্ৰতীক হয়, আইন শৃংখলা ৰক্ষা কৰা যদি পুলিচৰ কৰ্ত্তব্য হয়, তেনেহলে সেই আইন শৃংখলা আৰু শান্তি ৰক্ষা কৰাৰ কথা বিচাৰ কৰি চাব লাগে। আমাৰ গাঁৱৰ যিবিলাক দুখীয়া মানুহ, যিবিলাক মানুহ খেতিয়ক, যিবিলাক অতি সাধাৰণ মানুহ সেই লোক সকলৰ নিয়ম-নীতি আৰু আইন শৃংখলা ৰক্ষা নকৰা নহয়। আজি যদি এঘৰত চুৰ বা ডকাইটি হয়, তেওঁ থানালৈ গৈ এজেহাৰ দিয়াৰ লগতে বিশ টকা বা পঞ্চাচ টকা বৰ ডাৰোগাক নিদিলে সেই দাৰোগাই ঘৰলৈ সিন্ধি চাবলৈ নাহে। আৰু তেওঁলোক আহি যেতিয়া তদন্ত কৰি যাব তেতিয়া পকেটত পইচা নিদিলে সন্দেহী লোকক ধৰিবৰ বাবে তেনে কোনো ব্যৱস্থা নকৰে। এইদৰেই কাৰোবাৰ ঘৰত যদি মাৰপিট হৈ যায়, বা খুন হয় বা মৃত্যুৰ আশংকা থাকে বা গুৰুতৰ ভাবে জখম হয়, তেনে ধৰণৰ কেচত পাঁচশ টকা দিলেহে আচামী ধৰিবলৈ আগবাঢ়ে। গতিকে চৰকাৰী ৰাজহৰ পৰা এই অতিৰিক্ত মৰগীয়া বানচ বা অন্তৰ্বৰ্ত্তীকালিন সাহায্য দিয়াৰ ব্যৱস্থাটো যদি কৰা হয়, তেনেহলে আগৰ আইন নোহোৱাকৈ টকা লোৱা চিৰাচৰিত প্ৰথাবোৰ বন্ধ কৰিব লাগিব। এইবিলাক বৃটিছৰ দিনত কম আছিল। কংগ্ৰেছ চৰকাৰৰ দোলতত বহুতো বাঢ়িল। পুলিচে কাকো পৰোৱাই নকৰা হল। এই ধৰণৰ ব্যৱস্থা চলি থাকিলে অতিৰিক্ত মৰগীয়া বানচ, অন্তৰ্বৰ্ত্তীকালিন সাহায্য আদি দিয়াৰ প্ৰয়োজন আছে জানো? অৱশ্যে এইবিলাক তেওঁলোকে পাব লাগে হয় কিন্তু চৰকাৰে ভালদৰে চাব লাগে কোনেও যাতে দবল সুবিধা নাপায়।

Shri DEWAN JOYNAL ABEDIN— Mr. Speaker, Sir, while supporting the cut motion on '255—Police, Major head moved by Comrade Samsul Huda, I would like to make a few observations. Sir, in the supplementary budget an additional amount of Rs. 5,57,74,255 is demanded for paying the dearness allowance and interim relief to the employees of the Police Department. Prior to this Rs. 19,34,88,174 had already been sanctioned under this head. Altogether the total amount demanded under this head come to Rs. 24,92,62,330. Well, Sir, as compared to this demand of almost Rs. 25 crores for 77-78, the corresponing grant was an amount of Rs. 17,43,18,300 only for the year 1976-77.

So, in this budget this year the amount sanctioned under this head is about Rs. 7.50 crores more than the amount sanctioned under this head during the year 1976-77. Now, while discussing the sanction of this additional amount of Rs. 7.50 crores to the Police Department, I would like to make certain serious observations. Personally. I feel that many of the employees in the Police Department, particulariy, the low-paid constables and clerical staff in the Home Department, are living in a deplorable condition, just like many other employees and workers in our country. I have full sympathy for them and I wish that their standard of living should be raised along with that of millions of our citizens. But speaking on the police system as a whole and the style of working of the Police Department, I would like to say that the police system in our country has not been able to give up the imperial legacy of the British regime. In an independent country like ours the Police should work as the friend of the people. But what is happening in our country is that our police look down upon our people as enemy, enemy of the country and enemy of the government. We have seen during the long 31 years of Congress rule, particularly, during the last two years of emergency, that the Police harassaed innocent citizens of the country, police framed false cases against honest and innocent citizens. They brought people to the police Stations and after bringing them to the police Stations locked them up in the Lock-ups and they framed false cases against them. We have seen that they harassed the people in every pretext and whenever there were legitimate movements of the workers, employees, teachers and students on the common cause of country, they used every instrument to supress them, even by lathi-charges and firing on them. Even on the slightest pretext, they arrested people and put such people who were agitating or people taking part in movements, the legitimate movements, behind the bars. Mr. Speaker, Sir, I would like to know from the present Goverment and I would like to have concrete assurance from the present Government that the Police under this Government will change its attitude towards the innocent citizen of the country; towards the legitimate and democratic movements of the people, and it will not harass the innocent people of the country for reasons and out of reasons. Mr. Speaker, Sir, I would like to request the present Government to make a bold declaration that henceforth the Police will never interfere into the legitimte and democratic movements of the people and that the Police will maintain complete neutrality in the matters of public interest in the name of maintaining law and order in the country.

শ্ৰীহেমেন দাস ঃ—মাননীয় অধ্যক্ষ মহোদয়, পুলিচ সম্পৰ্কে ইতিমধ্যে যথেষ্ট আলোচনা কৰা হৈছে। মই এটা কথালৈহে দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। সেইটো হৈছে, পুলিচৰ প্ৰশিক্ষণ সম্পৰ্কে । আমাৰ দেশত পুলিচক শিক্ষা দিয়া হৈছে সাধাৰণ মানুহৰ ওপৰত অত্যাচাৰ কৰিবলৈ । আৰু জনসাধাৰণৰ মাজত আতংকৰ সৃষ্টি কৰাৰ কাৰণে । পুলিচে জৰুৰীকালীন অৱস্থাৰ সুযোগ লৈ বলতকাৰ কৰিবলৈকো পিচহুহোকা নাই। আমি ভাবো পুলিচেই এনে কৰিছে নে ? কিন্তু সেইটো নহয় । পুলিচক সেই বিলাক প্ৰশিক্ষণ দিয়া হৈছে । জৰুৰীকালীন অৱস্থাত গোৱালপাৰা জিলাৰ লুংচুং নামৰ ঠাইত ১২৬৪ ঘৰ পৰিয়ালক উচ্ছেদ কৰি ঘৰত জুই লগাই দিয়া হৈছিল । তাৰ ভিতৰত বড়ো, নেপালী আৰু কছাৰী ও আছিল । ১২৬৪ ঘৰ মানুহৰ ভিতৰত এঘৰ মানুহেও এই জুইৰ পৰা ৰেহাই নাপালে । এই কাম কোনে কৰিছে ? এই অসমৰ পুলিচেই । তেখেত সকল তাতে বৈ থকা নাই । বড়ো মানুহ দুই চাৰি ঘৰৰ যি দুই চাৰিটা গাহৰী আছে সেইবিলাক সযত্নে লৈ যায় । তাৰ ওপৰিও এই ট্ৰাইবেল সকলৰ গাভৰু বিলাক স্বাস্থ্যবতী আৰু শকত আবত, খুব ভাল । পুলিচে সেইটোও লোভ সামৰিব নোৱাৰিলে । পুলিচে বলাতকাৰ কৰা এনে চাৰি জনী ছোৱালীৰ নাম মই সদনত জনাব বিচাৰিছো । লাইশ্ৰীবড়ো, আমোও বড়ো, অম্বি বড়ো, আৰু বাকী এজনীৰ নাম জনা নাই কিন্তু সনেশ্বৰ বড়ো নামৰ মানুহ এজনৰ ঘৈনীয়েক বুলি জনা যায় । এই কেইগৰাকী ছোৱালী তেওঁলোকৰ সম্পূৰ্ণ গৃহহীন হোৱাৰ পাচত ওচৰতে থকা বাসস্থানৰ পৰা আগৰ ঠাইলৈ শাক তুলিবলৈ আহোতে বলাতকাৰ কৰা বুলি জনা গৈছে । এই কেইজন পুলিচ আছিল তাৰেই ইমাৰ্জেন্সি ডিউটিত থকা । আৰু ডিউটিৰ ভিতৰত এই দৰে মানুহৰ ওপৰত অত্যাচাৰ কৰিবলৈ পুলিচক প্ৰশিক্ষণ দিয়া হৈছে ।

আজি এই যিবিলাক পুলিচৰ কাৰ্য্যৰ কথা কোৱা হ'ল তাৰ বাবে তেওঁলোকক জগৰীয়া কৰিলেই নহব অৰ্থাৎ কেইজমান পুলিচক দায়ী কৰিলে ভুল কৰা হব । যোৱা ৩১ বছৰে পুলিচৰ এনেবিলাক কাৰ্য্যকলাপৰ কাৰণেই আমাৰ জনজাতিয় ভাই সকলে আমাৰ পৰা বিচিন্ন হবলৈ প্ৰয়াস কৰিছে । মিজোৰাম আৰু নগালেণ্ডত পুলিচে কি কৰিছিল সকলেৱে জানে । নগা গাভৰু আৰু মিজো গাভৰুক যি ধৰণে বলাৎকাৰ কৰিছিল তাত এই নগা ভাই সকলে কেনেকৈ সহ্য কৰিব । এনেকুৱাও শুনা গৈছিল যে ৬ মাহৰ ভিতৰত এগৰাকী গাভৰুৰ ৩ বাৰ গৰ্ভপাত হৈছিল ।

Shri GAURISHANKAR ROY—Mr. Speaker, Sir, on a point of clarification—whether the hon. friend should clarify whether those people were legal settlers on the land ?

Shri NOORUL HUDA—That does not matter.

Shri HEMEN DAS—They are the people of Assam ; we should be ashamed of this.

Shri NOORUL HUDA—It is matter of shame ; you keep your mouth shut.

(voices—shame, shame..)

Mr. SPEAKER—The hon. member should avoid making statemen withuot verify facts.

Shri HEMEN DAS—Sir, I can prove this if you want.
হোম গাৰ্ডে ২ নং কেম্পত গাভৰুক নাঙঠ কৰি নচুৱাইছিল। তাৰ পাছত তেওঁলোকৰ দেহ ভোগ কৰিছিল। অকল সেয়েই নহয় যোৱা ফেব্ৰুৱাৰীত এগৰাকী তিৰোতাক চোকা বনাবলৈ মাতি আনি ২ নং কেম্পত বলাৎকাৰ কৰে। পুলিচক এনেবিলাক কাৰ্য্যৰ কাৰণে কোনে প্ৰশিক্ষণ দিছে সেইটোহে চিন্তা কৰিব লগীয়া কথা। কাহিলীপাৰাত এই পুলিচৰ এটা প্ৰশিক্ষণ কেন্দ্ৰ আছে, গতিকে মই গৃহ মন্ত্ৰীক এনেবিলাক কথাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি কও যে এইয়া কি স্বাধীনতা আন্দোলনৰ পুলিচৰ প্ৰশিক্ষণ? এই সদনতে মন্ত্ৰী সভাত বহা কেবাজনো সদস্যক সেই সময়ত জৰুৰী কালিন অৱস্থাৰ সুযোগ লৈ জেইলত ভৰোৱা হৈছিল। কাহিলীপাৰাত এটা টৰচাৰ চেম্বাৰ খুলিছিল আৰু তাত সেইসকলক নিৰ্য্যাতন দিয়াৰ ব্যৱস্থা কৰিছিল। বৃটিছে যি দৰে পুলিচ তৈয়াৰ কৰিছিল সেই ব্যৱস্থাৰেই কংগ্ৰেছ চৰকাৰে পুলিচক জীয়াই ৰাখিছিল। গতিকে মই নতুন চৰকাৰক অনুৰোধ জনাও যাতে এই টৰচাৰ চেম্বাৰ বিলাক ভাঙি-চিঙি চুৰমাৰ কৰি পেলাই আৰু পুলিচক ভালদৰে শিক্ষা দিয়াৰ ব্যৱস্থা কৰে। নহলে আমি পুলিচৰ দায়িত্বৰ পৰা ৰেহাই নাপাম। আমাৰ যিবিলাক পুলিচ নিযুক্তি দিয়া হয় সেইবিলাক বেছিভাগেই আমাৰ দুখীয়া পৰিয়ালৰ মানুহ তেওঁলোকৰ বেছিভাগেই গাঁৱৰ পৰা অহা মানুহ। তেওঁলোকে বহুতেই ভোঁট খোৱাৰ অপবাদত কেতিয়াবা চাকৰি এৰি গাঁৱলৈ গুচি গৈছে। সৎ স্বাভাৱৰ মানুহ এই পুলিচত তিকিব নোৱাৰে। গতিকেই মই কব বিচাৰিছোঁ এই যে যি সকল সৎ স্বভাৱৰ পুলিচ বিষয়া বা কৰ্ম্মচাৰী আছে তেওঁলোকক প্ৰমোশ্যন দিয়াৰ ব্যৱস্থা কৰিব লাগে। মই এজন পুলিচ বিষয়াৰ কথা উত্থাপন কৰি কব বিচাৰিছোঁ যে সেই বিষয়া জনে জৰুৰীকালিন অৱস্থাৰ মাজত টৰচাৰ চেম্বাৰত বহুতো মানুহৰ ওপৰত অমানুষিক নিৰ্য্যাতন চলাইছিল। এই বিষয়া জনৰ ওপৰত আৰু সংশ্লিষ্ট লোকৰ ওপৰত অনতিপলমে শাস্তিমূলক ব্যৱস্থা হাতত লব লাগে। এই খিনিয়েই এই শিতানত মোৰ কব লগীয়া।

শ্ৰীএ, এন, আক্ৰামহুচেইন:—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য চামচল হুদা ডাঙৰীয়াই যিটো কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে সেইটো মই সমৰ্থন কৰি দুষাৰ মান কব বিচাৰিছোঁ। কিন্তু এটা বৰ আচৰিত কথা যে আমাৰ অসমতে থকা কিছুমান কেন্দ্ৰীয় অনুস্থানত অসম চৰকাৰে কিছুমান পুলিচ বাহিনী মোটায়ন কৰি অজস্ৰ টকা খৰচ কৰি আহিছে। প্ৰায় চাৰে বাইশ লাখ টকাতকৈ বেচি টকা খৰচ কৰি আহিছে আৰু এই টকাতো বাজেটত ধৰা হৈছে। এই কেইটা অনুস্থানৰ ভিতৰত এ, আই, আৰত অসম চৰকাৰে পুলিচ বাহিনী মোটায়ন কৰি অসমৰ বাজেটৰ পৰা ,১৮১১৬৫ টকা খৰচ কৰিছে, আৰ, বি, আইত কৰিছে ৪১ হাজাৰ, এচ, বি, আইত ৬৭২১৪৫ টকা এৰোডোমত ৩৮৮০০০ তকৈ বেচি টকা আৰু ৰেইলওৱে চুপাৰভাইচৰি ষ্টাফৰ কাৰণে ৬০৪৪৫৪ টকা বহন কৰি আহিছে, মুঠ ২২০০১১৮ টকা কেন্দ্ৰীয় অনুস্থানত খৰচ কৰিছে বাজেটৰ পৰা। এনেয়ে অসম ৰাজ্যখন দুখীয়া ৰাজ্য তাতে আমাৰ বাজেটত টকাও কম তেনে ক্ষেত্ৰত আমাৰ নকৰিবলগীয়া কামৰ কাৰণে অৰ্থাৎ কেন্দ্ৰীয় অনুস্থানৰ ৰক্ষণাবেক্ষণাৰ কাৰণে আমাৰ বাজেটৰ পৰা ইমান টকা অনাহকতে ইমান বৃহৎ পৰিমানৰ টকা খৰচ কৰাতো সমীচিন নহয় কিয়নো এই যিবিলাক কেন্দ্ৰীয় অনুস্থান আমাৰ অসমত আছে সেইবিলাকৰ পৰা কোনো ৰাজহ আমাৰ অসমৰ তহবিললৈ নাহে। অথচ আমাৰ পকেটৰ পৰা এই টকা বিলাক খৰচ কৰাতো কোনো যুক্তিযুক্ততা নাই। এইবিলাক বিভাগৰ ৰক্ষণাবেক্ষণা ব্যয় লোৱাৰ দায়িত্ব হ'ল কেন্দ্ৰীয় চৰকাৰৰ নিজৰ, কিন্তু আমি কিয় এই বোজা লব লাগে? আমাৰ বাজেটৰ পৰা এই টকা খৰচ হৈ আছে। আমি যেতিয়া জানো যে আমাৰ চৰকাৰ জনকল্যাণমূলক চৰকাৰ তেনে ক্ষেত্ৰত এই চৰকাৰে ৰাইজৰ কল্যাণৰ কাৰণে কাম কৰিব। মই যদি মুখ্য মন্ত্ৰীৰ পথাৰত হাল বাও আৰু

ধান কটাৰ সময়ত যদি তেওঁ আটাইখিনিয়েইলৈ যায় তেতিয়াহলে মোৰ হলে বোৱাতো কি লাভ আছে ? গতিকে মই চৰকাৰক কব বিচাৰিছোঁ যাতে এই টকাখিনি আমাৰ বাজেটৰ পৰা বাদ দিয়া নহয় আৰু আমাৰ অসম পুলিচ বাহিনীও কল্যাণৰ হকে নিয়োগ কৰিব লাগে । এই ক্ষেত্ৰত যাতে মূখ্য মন্ত্ৰী মহোদয়ে কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টি আকৰ্ষন কৰিব আৰু আমাৰ নিচিনা দুখীয়া ৰাইজে যাতে কেন্দ্ৰীয় অনুস্থান বিলাকৰ কাৰণে আমাৰ বাজেটৰ পৰা টকা খৰচ কৰিব নালাগে ।

এতিয়া কথা হল নতুন চৰকাৰৰ ওচৰত । আমাৰ চৰকাৰটো হৈছে জনকল্যাণমূলক চৰকাৰ । ২২ লাখ ৪৬ হেজাৰ টকা অনৰ্থক খৰছ কৰিছে । যিটো আমাৰ কোনো কামত নাহে । মই যদি আমাৰ মাননীয় মূখ্যমন্ত্ৰী মহোদয়ৰ পথাৰত হাল বাও আৰু তাৰ ধানটো যদি মূখ্যমন্ত্ৰীয়ে কাটিখায় তেতিয়া হলে, যিটো অৱস্থা হব এতিয়াও সেইটোৰ নিছিনাই কথা হব । এই টকাটো বাজেটত ধৰিব নেলাগে । সেইখিনি টকা পুলিচ বিভাগৰ কল্যাণমূলক কামত নিয়োগ কৰিব লাগে । কিন্তু এইটো ইতিমধ্যেই খৰছ হৈ গল । ভৱিষ্যতে যাতে এইটো হব নোৱাৰে তাৰ কাৰণে মই আমাৰ মাননীয় মূখ্যমন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ জনাইছোঁ । তেখেতে কেন্দ্ৰীয় চৰকাৰক জোৰ দি কব পাৰিব যে 'আপোনালোকৰ ৰক্ষণাবেক্ষণৰ কাৰণে অসম চৰকাৰে এক নয়া পইছাও খৰছ কৰিব নোৱাৰিব' ।' এই খিনিকে কৈ মই মোৰ বক্তৃতাৰ সামৰণী মাৰিলোঁ ।

Shri ALTAF HUSSAIN MAJUMDAR—This amount become necessary to meet the shortfall consequent upon the grant of additional dearness allowance and interim relief for police department. Undoubtly the expenditure will not be grudged because some expenditure shown therein is definitely for the betterment of the Police Department and some amount is for improving the functioning of the Department, as for instance Research on Forensic science which is an essential part of investigation and that has to be done. There are other heads which also necessary. To meet the modern needs and situation mobility must be there in the Police Department. Through you, Sir, I want to draw the attention of the Government to the need for increasing the mobility of the Police Department by providing better transport facilities. It is generally found that when poor people go with cases to a Police Station they are asked to bring in a taxi for going to the place of occurance because of non-availability of transport in the Police Station. We also very often find, that through under the Criminal Procedure Code the staff of the Police Station are required to record the First Information Report, the people are very often directed to go and get the F.I.R. written in some other place. As a result people are to go to writers which entail additional expenditure. My suggestion to the Government is that a circular shou'd be issued to all Police Stations stating that whoever goes to lodge an ejahar, the writing of the ejahar should be done by the staff of the Police Station. Then Sir. some Hon'ble Members have spoken about the delay in investigation. That there is inordinate delay in investigation, there is no manner of dout about it. That means not only extra expenditure on the part of the Government but indivividuals are made to suffer also. I would, therefore, request the Government to examine why such delay occurs and if it is found that due to lapse of some officials this delay occurs then they should be brought to book. Another problem that I want to draw the notice of the Government is the lot of the minorities living in the border of

Cachar and Bangladesh. Large numbers of these members of this community are fishermen and they are naturally required to fish at night. When these people go for fishing at night or when they return they are unnecess arily harrass, charging them as Bangladeshis. This harrassment has been there during the last several years, and I have repeatedly brought this to the notice of the Government but to no avail. Now, I request the present Government to instruct the Police that they should be very careful and should not harass innocent people of the minority community by branding them as Bangladeshi. This has been continuing for the last several years inspite of protest. So far as recruitment in the police Department is concerned,—I am making this statement taking the full responsibility upon myself. Minorities have not been properly represented. Even for recruitment of sepoys, Constables people of the minority community have been systematically kept out. Attention to this matter was drawn, but Government was keeping silent. I am sure with new hopes and aspirations now generated in the minds of the people of India and Assam as well, these discriminations in the matter of recruitment as was pursuaded during six years time of Sinha ministry should be stopped forthwith. With these few words, Sir, I conclude.

Shri NURUL HUDA—I wonder as to why Hon'ble Member, Shri Altaf Hussain Majumdar, keeps on telling the House that only during the 6 years such discriminatory policies were pursued. I also wonder why he has not the guts to mention the period before that.

*শ্ৰীগোলাপ চন্দ্ৰ বৰবৰা (মুখ্যমন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, এই পৰিপূৰক যি দাবী পুলিচ বিভাগ সম্বন্ধে, তাৰ ওপৰত অনা কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত যি সকলে কৈছে আৰু তেখেত সকলে যি বিলাক অভিযোগৰ কথা উল্লেখ কৰিছে সেই বিলাকৰ প্ৰতি আমাৰ সম্পূৰ্ণ সহানুভূতি আছে। কংগ্ৰেছী আমোলত পুলিচ বিভাগৰ যি অত্যাচাৰী ৰূপ গঢ় উঠিছিল সেইটোৰ কথা মই নিজেও স্বীকাৰ কৰো, মই নিজেও চিকাৰ হৈছিলোঁ আৰু আমাৰ জনতা দলৰ বিভিন্ন জন সদস্যও ইয়াৰ চিকাৰ হৈছিল। সেইবোৰ কাৰণতে আজি কংগ্ৰেছ দলৰ পতন হৈছে আৰু আজি এই সকলক আমাৰ ৰাইজে এই বিধান সভালৈ নিৰ্ব্বাচিত কৰি পঠিয়াইছে। গতিকে এই প্ৰস্তাৱৰ ওপৰত যি বিলাক অত্যাচাৰৰ কথা কোৱা হৈছে সেই বিলাকৰ সম্বন্ধে আমি তদন্ত আদিও কৰিম। আজি বিশেষকৈ যিখিনি খৰছ আৰু যিখিনি মঞ্জুৰী বিছৰা হৈছে সেইখিনি ২৮ হেজাৰ পুলিচ কৰ্ম্মচাৰীৰ মৰগীয়া বানচ, ইনক্ৰিমেন্ট আদি দিয়াৰ কাৰণেহে বিছৰা হৈছে। তাৰ লগতে ৰিচাৰ্চ চেন্টাৰৰ কথাও আছে। কাহিলীপাৰা বুলিলে মোৰে বুকু কঁপি উঠে। আমি এতিয়া নতুন পৰিস্থিতিত নতুন ভাৱে উন্নয়ন কৰিব লাগিব। গতিকে এতিয়া যি খিনি টকা আৰু মঞ্জুৰী বিছৰা হৈছে সেইখিনি এই গোটেই কাম বিলাকৰ কাৰণে নিতান্তই দৰ্কাৰ। সেই কাৰণেই মই অনুৰোধ কৰো সে যি সকলে কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰিছিল সেই সকলে এইটো উঠাই লব আৰু সম্পূৰ্ণ সদনত সকলোৰে মনোভাৱৰ প্ৰতি সন্মান ৰাখি পুলিচ বিভাগ যাতে অসমত চলে সেইটোৰ প্ৰতি জনতা চৰকাৰৰ সদায় নজৰ থাকিব। এই খিনিকে কৈ মই এই প্ৰস্তাৱটো গ্ৰহণ কৰিবৰ কাৰণে সদনক অনুৰোধ জনাইছোঁ।

মাননীয় অধ্যক্ষ :—মাননীয় সদস্য শ্ৰীঅতুল গোস্বামীয়ে প্ৰস্তাৱটো উঠাই লৈছে। এইটো সদনে গ্ৰহণ কৰিছেনেকি ?

*Speech not Corrected

শ্ৰীঅতুল গোস্বামী ঃ—উঠাই লৈছোঁ ।

মাননীয় অধ্যক্ষ ঃ—এইটো উঠাই লৈছে । Now, will the hon. m mbers press for their Cut Motions ?(voices-no, these are withdrawn)

Is it the pleasure of the House to grant leave to withdraw those cut motions ? (voices-yes, yes.) Cut Motions are withdrawn.

Now, I put the Motion. That an additional amount of Rs. 557,74,255 be granted to the Minister in-charge to defray a certain charges which will come in the course of payment during the year ending the 31st March, 1978 for the administration of the head "255-Police".

(Motion is adopted)

Shri Golap Borbora (Chief Minister)—Sir, on the recommendation of the Governor of Assam, I beg to move that an additional amount of Rs. 2,00,000 be granted to the Minister in--charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1978 for the administration of the head "258-Stationery and Printing."

Mr. Speaker -- There is no Cut Motion. Therefore, I put the Motion. That an additional amount of Rs. 2,00,000 be granted to the Minister in-charge to defray certain charges which will come in the course of payment during the year ending 31st March, 1978 for the administration of the head "258-Stationery and Printing.".

(Motion is adopted)

Shri Dulal Chandra Baruah (Minister)—Sir, on the recommendation of the Governor of Assam, I beg to move that an additional amount of Rs. 56,16,000 be granted to the Minister in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1978 for the administration of the heads "259-Public Works, 277-Education (III), 280-Medical (II), 282-Public Health, Sanitation and Water Supply-A-public Health and Sanitation (II), 459-Capital Outlay on public works, 477-Capital Outlay on Education, Art and Culture. 480-Capital Outlay on Medical, 481-Capital Outlay on Family Welfare, 482-Capital Outlay on Public Health Sanitation and Water Supply, 488-Capital Outlay on Social Security and Welfare-E-Other Social Security and Welfare programme, 495-Capital Outlay on other Social and Community Services, 510-Capital Outlay on Animal Husbandry, 544-Capital Outlay on other Transport and Communication Services."

Cut Motion :

*শ্ৰীছামচন্দ্ৰল হন্দা ঃ—অধ্যক্ষ মহোদয়, এই কৰ্ত্তন প্ৰস্তাবটো মই মোভ কৰিছো ।

That the total provision of Rs. 56,16,000 under Supplementary Demand No. 8, Major head "259-Public Works, 277-Education (III), 280-Medical (II), 282-Public Health, Sanitation and Water Supply-A-Public

* Speech not corrected

Health and Sanitation (II), 459-Capital Outlay on Public Works, 477-Capital Outlay on Education, Art and Culture, 480-Capital Outlay on Medical, 481-Capital Outlay on Family Welfare, 482-Capital Outlay on Public Health, Sanitation and Water Supply 488-Capital Outlay on Social Security and Walfare-E-Other Social Security and Walfare programme, 495-Capital Outlay on Other Social and Community Services, 510-Capital Outlay on Animal Husbandry, 544-Capital Outlay on other Transport and Communication Services", at pages 14-15 of the List of Supplementary Demands, be reduced by Rs. 100, i.e., the amount of the whole Supplementary Demand of Rs. 56,16,000 do stand reduced by Rs. 100 just to raise a discussion and criticize.

মই মেডিকেল শিতানত কেইটামান কথা আপোনাৰ জৰিয়তে নতুন চৰকাৰলৈ আগবঢ়াব খুজিছো। স্বাস্থ্য বিভাগত কিছুমান বৰ আবশ্যকীয় কথা আছে তাৰে কেইটামান পৰামৰ্শ দিব বিছাৰিছো কি কৰিলে ভাল হব'। মেডিকেল বিভাগে কিছুমান চাৰ্জিকেল ইনষ্ট্ৰুমেন্ট কিনে সেইবিলাক মাত্ৰ দিল্লীৰ ফাৰ্ম এখনেহে দিয়ে। নন্দলা বুলি এজন ডাক্তৰ আছে তেওঁৰ দিল্লীস্থ ফাৰ্ম্মখনে অসম চৰকাৰৰ পৰা ১৩ কোটি টকা নিছে। এই নন্দলা নামৰ মানুহজনৰ অসমত ৩ খন অনুষ্ঠান আছে তেওঁলোকেই টেণ্ডাৰ দিয়ে আৰু তেওঁলোকেই অৰ্ডাৰও পায়। কিন্তু আচৰিত ২ লাখ বেজীৰ অৰ্ডাৰলৈ ১২ হাজাৰমান বেজী যোগান ধৰে তাৰ পিছত তাতেই থকা কৰ্ম্মচাৰী বিলাকৰ লগত ভাগবতৰা কৰি বাকীখিনি আৰু যোগান নধৰে। আশাকৰো আমাৰ চৰকাৰে এই বিষয়ে অতি সোনকালে তদন্ত কৰিব'। তাৰ পিচত আজি ৩০ বছৰে হস্পিটেল বিলাকত ভালকৈ ঔষধ দিয়া নহল। যিখিনি দিছিল তাৰো হস্পিটেল গৈ পোৱাৰ আগতে সেইবিলাক নাইকীয়া হৈ যায়। যিবিলাক টেবলেট, ইনজেকচন বা লিকিউদ দৰব আছে সেইবিলাক চেন্ট্ৰেল মেডিকেল ষ্টোৰে যোগান ধৰে।

(Hon. Speaker left the Chamber and the Chairman occupied the Chair)

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী):—মাননীয় সদস্য গৰাকীয়ে এই হেডটো ভুলকৈ ব্যাখ্যা কৰিছে। এই কথাখিনি এই হেডত নাহে।

শ্ৰীছামচুল হুদা:—ইয়াৰ লগত লাগি থকা কৰ্ম্মচাৰী সকলৰ কথা লিংক লগায়ে কৈছো।

শ্ৰী এ, এন আক্ৰাম হুচেইন:—এই টকাতো পি ডব্লিউ ষ্টাফৰ নে মেডিকেল ষ্টাফৰ?

*শ্ৰীছামচুল হুদা:—এই কৰ্ত্তন প্ৰস্তাৱটোত সকলো কথা সাঙুৰি দিছে। তাৰ পিছত দেখিছো হস্পিটলত যিবিলাক ঔষধ দিয়া হয় সেইবিলাক বাহিৰতে বিক্ৰী হৈ যায়। আৰু ইয়াৰ অভাব ৰোগী বিলাকে ভোগ কৰিবলগীয়া হয়। হস্পিটললৈ বেমাৰীগলেই কব ইয়াত ঔষধ নাই আমি লিখি দিছো বাহিৰৰ প্ৰাইভেট ফাৰ্ম্মাচিৰ পৰা কিনি লব'। এইধৰণে দেখা যায় ডাক্তৰখানা বিলাকত ঔষধেই নাথাকে। বহুতো হস্পিটলত দেখিছো চেলাইন পোৱা নাযায়। গতিকে এইবিলাকৰ এটা সুব্যৱস্থা নতুন চৰকাৰে কৰিব বুলি আমি আশা ৰাখিলো। কবলৈ বহুত আছিল বাকীবিলাক কথা পাচত কম। এইখিনিকে কৈ কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰিলো।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী:—মাননীয় সভাপতি মহোদয়, পৰিপূৰক দাবীৰ ১৫-১৬ পৃষ্ঠাত "২৫৯ গড়কাপ্তানী ২৭৭ শিক্ষা আদিৰ কাৰণে সদনত যি ৫৬ লাখ ১৬ হাজাৰ টকাৰ যি দাবী আনিছে সেই দাবী ১০০ টকালৈ হ্ৰাস কৰা হওক প্ৰস্তাৱেৰে মই কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছো। আৰু ৮ খন মহকুমা পৰ্য্যায়ৰ চিকিৎসালয় আৰু ১২ টা জন-

* Speech not corrected

স্বাস্থ্য কেন্দ্ৰৰ কাৰণে যি ৭ লাখ ১৬ হাজাৰ টকা বিচাৰিছে তাৰ ওপৰতো মই কৰ্ত্তন প্ৰস্তাৱ আনিছো। জনস্বাস্থ্য বিভাগৰ কাৰিকৰী বিভাগে যিবোৰ ঘৰ নিৰ্ম্মাণ কৰিছে সেই নিৰ্ম্মাণৰ কাম-কাজ ইমান লেহেম গতিত হয় যে যদি তেওঁলোকে ভেটি বান্ধিছে ওপৰৰ কাম ছোৱা হোৱা নাই, যদি তলৰ কাম হৈছে তেনেহলে তাত পানী যোগান নাই। আৰু যদি পানীৰ পাইপো দিলে পানী যোগানৰ ব্যৱস্থাও আছে তথাপি এজন খালাচি নোহোৱাৰ কাৰণেই সেই বিলাক কাম অচল হৈ পৰি আছে। এই দৰেই আমাৰ পাব্লিক হেল্‌থ ইঞ্জিনিয়াৰিং বিভাগে কাম কৰি আহিছে। উদাহৰণ স্বৰূপে মই কব বিচাৰিছো যে জখলাবন্ধাত যি ৩০ খন বিচনা যুক্ত হস্পিটাল বনোৱা হল তাত পানী যোগানৰ ব্যৱস্থা থকা স্বত্বেও খালাচি এজনৰ নিযুক্তি নোহোৱাৰ কাৰণে একেটা টিউব ওৱেলৰ পৰাই হাতেৰে পানী মাৰি হস্পিটালৰ ডাক্তৰৰ পৰা বেমাৰি চকিদাৰলৈকে সকলোৱে পানী খাব লগিয়া হৈছে।

বন্ধ্যাকৰণ সম্পৰ্কত আমি কিছুমান উন্নত গাঁৱৰ নাম শুনিবলৈ পাইছো। যি বিলাক গাঁৱত বেচি সংখ্যক মানুহে ভেচেকটমি কৰিলে সেই বিলাক গাঁৱকে উন্নত গাওঁ বুলি কোৱা হয়। সেই বিলাক গাঁৱত ৰঙা টিভূজৰ চাইন বৰ্ড আছে। সেই বিলাকতে পাব্লিক হেল্‌থ ইঞ্জিনিয়াৰিং বিভাগে কিছুমান নলী নাদ কৰি দিছে। নগাঁৱৰ লাও খোৱাত পাব্লিক হেল্‌থ ইঞ্জিনিয়াৰিং বিভাগৰ ৮।৯ টা নলী নাদো আছে। এই নলী নাদ বিলাক ৮০।৮৫ ফুট হিচাব দি পইচা লৈছে তেনেকুৱা নলী নাদ আমবাগান শালমাৰি, ভুমুৰাগাৰি আদিতো আছে কিন্তু এই বিলাকৰ পাইপ ৩৭।৪০ ফুটৰ বেচি দীঘল নহয়। এই দৰে সকলো বিলাকতে ৮০।৮৫ ফুট দীঘল বুলি দেখুৱাই চৰকাৰৰ পইচা লুট কৰিছে। গতিকে তাৰ যি বিলাক পানী যোগান ব্যৱস্থা হৈছে সেই বিলাকৰ কেইটামান ব্যৱস্থা পৰীক্ষা কৰি চাব লাগে। মই কব বিচাৰিছো যে সেই বিলাক অঞ্চলত যি বিলাক নলী নাদ আছে সেই বিলাকৰ ৩টা মান নলী নাদ খান্দি চালেই প্ৰমাণ পাব যে সেই বিলাক প্ৰকৃততে কিমান দ। আৰু এইটো কৰিলেই মই ভাবো যে নগাঁও জিলাৰ পাব্লিক হেল্‌থ বিভাগৰ মুখ খুলি পৰিব। সেই বিলাক নলী নাদৰ অলপ বিজুতিৰ কাৰণে মানুহে পানী খাবলৈ ৬ মাহ ধৰি বহি থাকিব লাগে। এই দৰে আমাৰ টকা বিলাক নষ্ট হোৱা কথাটো আমি সহ্য কৰি বহি থাকিব নোৱাৰো।

আন এটা কথা মই কব বিচাৰিছো যে বিজুলিৰ যোগাযোগৰ ব্যৱস্থা হস্পিটাল বিলাকলৈ কৰি নিদিয়াৰ কাৰণে হস্পিটাল বিলাকত লাইটৰ ব্যৱস্থা নাই। ফেন দিলেও এই বিলাকত বিজুলি সংযোগ নঠকাৰ কাৰণে সেই বিলাক অচল হৈ পৰি থাকে। এই ধৰণৰ কথা বিলাক কিয় হৈছে কব নোৱাৰো মই আন এটা কৰ্ত্তণ প্ৰস্তাৱত কৈছিলো যে আমাৰ সকলো বিলাক বিভাগেই মাৰ্চ মাহৰ ২৫।২৬ তাৰিখলৈ পইচা লবলৈ বৈ থাকে। তাৰ পিচত পইচা লৈ যতে ততে খৰচ কৰে যাৰ কাৰণে ৰাইজৰ উপকাৰত নাহে। আনকি হস্পিটাল বিলাক ৬।৭ বছৰলৈকে মেৰামত নোহোৱাকৈ পৰি থাকে। কোৱা হয় যে ডাক্তৰ বিলাক গাঁৱলৈ যাব লাগে। কিন্তু গাঁৱলৈ ডাক্তৰ বিলাক যাবলৈ ইচ্ছা কৰিব কিয়? তাত যি বিলাক ডাক্তৰক ঘৰ দিয়া হৈছে সেই বিলাকত বেৰৰেদি কুকুৰ শিয়াল সোমাব পাৰে। এই বিলাক কামৰ কাৰণে যেন বিভাগ সমূহক মাৰ্চ মাহলৈ বৈ থাকিব-লগীয়া নহয় এইটোকে অনুৰোধ কৰি মই কৰ্ত্তণ প্ৰস্তাৱ উত্থাপন কৰিলো।

আলাউদ্দিন চৰকাৰ:—মাননীয় চেয়াৰমেন মহোদয়, ৮ নং শিতানত যিটো পৰিপূৰক দাবী মঞ্জুৰী বিচাৰিছে আৰু তাৰ ওপৰত মাননীয় সদস্য শ্ৰী চামচুল হুদা ডাঙৰীয়াই যিটো কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে সেই কৰ্ত্তণ প্ৰস্তাৱ মই সমৰ্থণ কৰিছো। মই সমৰ্থণ

কৰিছো এই কাৰণেই যে আজি আমাৰ যি বিলাক কাম যি দৰে হব লাগিছিল সেই দৰে হোৱা পৰিলক্ষিত হোৱা নাই বুলিহে। জনস্বাস্থ্য বিভাগে যি পানী যোগানৰ ব্যৱস্থা কৰিব লাগে সেই বিলাক ব্যৱস্থা কত হল ? কৰবাত অলপ অচৰপ ব্যৱস্থা হল যদিও সেই বিলাক অচল হৈ পৰি আছে। গড়কাপ্তানী বিভাগত আমি দেখিছো ওপৰ মহলে এনে এটা ব্যৱস্থা কৰে যাব কাৰণে যি বিলাক কাম সোনকালে হব লাগে সেই বিলাক কাম সোনকালে হৈ নুঠে। স্বাস্থ্যৰ সম্পৰ্কত জনস্বাস্থ্য বিভাগে খোৱা পানী আদিৰ কাৰণে যি বিলাক ব্যৱস্থা কৰিব লাগে সেই বিলাক চলোৱা নাই। বিশেষকৈ স্বাস্থ্যৰ ৰক্ষাৰ কাৰণে যি বিলাক বিধি ব্যৱস্থা ৩১ বছৰ ধৰি চলি আহিছে সেই বিলাক বিকেন্দ্ৰী কৰণ নীতিলৈ আগবঢ়াই নিয়া হোৱা নাই। আৰু যি বিলাক সমাধান কৰা হৈছে সেই বিলাক ৰাজনৈতিক উদ্দেশ্যৰ কাৰণেহে কৰা হৈছে। মোৰ সমষ্ঠি গোলাক গঞ্জৰ হালাকুৰাত যিটো — — —

Mr. CHAIRMAN—Hon'ble Member : uld confine to the demand.

শ্ৰীআলাউদ্দিন চৰকাৰ :--পাব্লিক হেল্ঠ চেন্টাৰ বনোৱা হৈছে, মই দেখিছো, তাৰ পৰা কণ্ট্ৰাকটৰ সকলোকে মুনাফা লুটিবলৈ দিয়া হৈছে। তাত যি বিলাক বিছনা দিয়া কথা আছিল, নাৰ্চ আদি দিয়াৰ কথা আছে তাৰ ব্যৱস্থা হোৱা নাই। দেখ দেখকৈ তাত চৰকাৰৰ ধনৰ অপচয় ঘটিছে। আগমনিত ৩১ নং চাৰি আলিৰ কাষত যি খন হস্পিটল আছে তাত বহুত ৰোগীৰ সমাগম হয়। তাত ৰোগী থকাৰ কোনো ব্যৱস্থা নাই। খোৱা পানীৰ ব্যৱস্থা নাই, আৰু ৰুগী বিলাকৰ অপেক্ষা কৰিবলৈও কোনো ব্যৱস্থা নাই। আগতেই যি ব্যৱস্থা আছিল এতিয়াও সেই খিনিয়েই আছে, সেই খিনি পৰিবৰ্ত্তণ কৰাৰ কোনো ব্যৱস্থা নাই। চেয়াৰমেন মহোদয়, মই আপোনাৰ জৰিয়তে নতুনকৈ অহা জনতা চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো যাতে আগমনিৰ হস্পিতাল আৰু হালাদুৰা স্বাস্থ্য কেন্দ্ৰৰ কাৰণে বিশেষ ব্যৱস্থা কৰে। লগতে কাচখানা যিটো স্বাস্থ্য কেন্দ্ৰ আছে তাত ঔষধ পাতি নাই, ডাক্তৰ আছে যদিও ডাক্তৰৰ থাকিবলৈও উপযুক্ত ঘৰৰ ব্যৱস্থা নাই। তাত যিটো হস্পিতাল কৰা হৈছে সেইটো দেখিলে দুখ লাগে তাত যোৱা ৩১ বছৰে আপত্তি দি থকা হৈছে যদিও কোনো ব্যৱস্থা হোৱা নাই। ঠিক তেনেকৈ খোৱা পানীৰ যিটো ব্যৱস্থা কৰিছে যি বিলাক টিউব ওৱেল দিয়া হৈছে সেই বিলাক অব্যৱহৃত হৈ পৰি আছে। এই বিলাকত আকৌ হাত দিব নোৱাৰি। এই বিলাকৰ ব্যৱহাৰযোগ্য ব্যৱস্থা হোৱা নাই।

গাওঁৰ মুখিয়াল মানুহৰ পঞ্চায়তৰ টিউবওৱেল আদি দিয়া হয় কাৰণেই কোনো কোনো ঠাইত একে লগতে বিভিন্ন বিভাগৰ পৰা তিনিটাকৈও টিউবওৱেল দিয়া হৈছে অথচ আইন ঠাইত একেটিও নাই। পৰিয়াল পৰিকল্পনাৰ ঠাইত এতিয়া পৰিয়াল কল্যাণ নাম দিয়া হৈছে যদিও তাৰ বাবে সজোৱা ঘৰবিলাক অত্যন্ত বেয়া। মানুহ যাব নোখোজে। প্ৰায়েই তলা বন্ধ হৈ থাকে।

Mr. CHAIRMAN—Hon'ble Member is probably confined in the Grant of the explanatory notes there.

শ্ৰীআলাউদ্দিন সৰকাৰ :— জৰুৰী অৱস্হাৰ সময়ত পৰিয়াল পৰিকল্পনাৰ নামত জোৰ জুলুম চলিল। এতিয়া ঘৰ বিলাক ভালকৈ সজাব লাগে তেহে মানুহৰ চকুত পৰিব আৰু তালৈ যাব। এই বিষয়ত মই নতুন চৰকাৰৰ দৃষ্টি আৰ্কষণ কৰিলো। শিক্ষাৰ ক্ষেত্ৰত দেখা যায় বিল্ডিং বিলাক পি-ডাব্লউ-ডিয়ে কৰে কিন্তু বিদ্যালয়ৰ ঘৰ

বোৰৰ অৱস্থা অত্যন্ত দুখলগা বিধৰ। বিদ্যালয়বোৰে সমাজৰে ৰূপ প্ৰকাশ কৰে। ইয়াক চিম্‌প্লিফাইড, পিউৰিফাইড, টোৰ বেলেঞ্চড চোচাইটি বুলি কোৱা হয়। কিন্তু ঘৰবোৰৰ দীৰ্ন-জীৰ্ন অৱস্থালৈ চাই ইয়াকে কব পাৰি যে ভবিষ্যত নাগৰিক সকলৰ সুস্থ্য মানসিকতা গঢ়ি তোলাৰ কাৰণে এনে অৱস্থা মুঠেই উপযুক্ত নহয়। (সময়ৰ সংকেত)

মুঠতে চৰকাৰৰ দপ্তৰ আৰু বিভাগ বিলাকৰ সকলো পৰ্য্যায়তে যথেষ্ট দৃষ্টি দিয়াৰ আৱশ্যক হৈ পৰিছে। সময় তাকৰীয়া গতিকে এইখিনিকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো। ...

শ্ৰীফণী মেধি :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীচামচন্দ্ৰ হন্দা ডাঙৰীয়াই উত্থাপন কৰা কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰিছো। আজি যিবিলাক ঠাইত পাব-লিক হেল্থ চেনিটেশ্যন, পানী যোগান আদি বিভাগ আছে সেই বিলাকৰ গোৱালপাৰা জিলাত কোনো অস্তিত্বই নাই। বিশেষকৈ চৰ এলেকাত প্ৰায় ষাঠি হাজাৰ লোক বাস কৰে কিন্তু তাত কোনো ব্যৱস্থা এই বিভাগ বিলাকে লব পৰা নাই।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :—চেয়াৰম্যান মহোদয়, অতি দুখেৰে জনাবলগীয়া হৈছো যে মাননীয় সদস্যসকলে কনফিউজ কৰে, আৰু এইটো স্বাভাৱিক। কিয়নো আগৰ চৰকাৰে সানি পোর্টাক সকলো এক কৰি থৈ গৈছে। ইয়াত কেৱল হেল্থ আৰু চেনি টেশ্যনহে উল্লেখ কৰিব লাগে।

Shri GIASUDDIN AHMED :— Mr. Chairman Sir, for the sake of the new members, rules may kindly be imposed mercifully.

Mr. CHAIRMAN :— That is done. Honourable Minister simply pointed out the rules.

শ্ৰীফণী মেধি :—চেয়াৰম্যান মহোদয়, সদস্য সকলক বিভ্ৰান্ত কৰা হৈছে আৰু মইও বিভ্ৰান্ত হৈছো। কৰ্ত্তন প্ৰস্তাৱৰ উত্থাপক জানো বিভ্ৰান্ত হবলগীয়া হৈছে।

শ্ৰীচামচন্দ হন্দা :— ইয়াৰ দ্বাৰা আমাক বিভ্ৰান্ত কৰা হৈছে। এই কথাটো চিন্তা কৰা উচিত। ....

Mr. CHAIRMAN :— Honourable ers know the limitation of the Minister.

শ্ৰীফণী মেধি :— আগৰ আমোলা সকলে আগৰ মন্ত্ৰী সকলক যি ভাবে চলাই-ছিল এতিয়া নতুন মন্ত্ৰী সভাৰ মন্ত্ৰী সকলে আগৰ নিচিনা তাকেই ডিটো মাৰি নিদি কিছু পৰিবৰ্ত্তন আনিবলৈ যত্ন কৰিব বুলি আশা কৰিলো। সৃজনগ্ৰামত পাবলিক হেল্থ চেণ্টাৰ এটা আছে কিন্তু বহু লাখ টকা খৰচ কৰা সত্বেও তাত একো কাম হোৱা নাই। নতুনকৈ নিৰ্ম্মাণ কৰা ঘৰবোৰ দুবছৰতে প্লাষ্টাৰ এৰাই গৈছে। অভয়াপুৰী দক্ষিণ সমষ্টিৰ মাননীয় সদস্য গৰাকী আছে তেখেতে নিজেও জানে চলন্তপাৰা ডাক্তৰখানাৰ ঘৰটো পোন্ধৰ বিশ বছৰ কোনো মেৰামতি হোৱা নাই। গোস্বামী দেৱে কোৱাৰ নিচিনা শিয়াল কুকুৰে টাগ অব ওৱাৰ খেলি বেচ দিয়াৰ ঠাই হৈ পৰিছে। আমি যেতিয়া ১৯৭১ চনত জেলত আছিলো তেতিয়া ডাক্তৰখানাৰ পৰিত্যক্ত ঘৰটো যুৱক কংগ্ৰেছৰ কাৰ্য্যলয় কৰিছিল পিচে জনতা চৰকাৰ হোৱাত সেইবিলাক যেনিবা পলাই পত্ৰং দিছে। সেই ঘৰটো এনেয়ে পৰি থকাতকৈ উঠাই আনি আন কোনো ঠাইত বহালে নিশ্চয় কামত আহিব। ৰাজহুৱা ধন খৰচ কৰি বন্ধা ঘৰটো তাত

এনেয়ে পেলাই থৈ দিয়াটো একপ্ৰকাৰ ৰাজহুৱা ধনৰ অপচয়। আমি আশা কৰিছো নতুন জনতা চৰকাৰে এই বিষয়ত ব্যৱস্থা লব। এই বিলাক বিষয়ত নতুন মন্ত্ৰীসকল যাতে আগৰ আমোলা সকলৰ দ্বাৰা পৰিচালিত নহৈ যুক্তিসঙ্গত সুস্থিৰ পৰিবেশৰ সৃষ্টি কৰিব বুলি আশা কৰি মোৰ বক্তৃতাৰ সমৰ্থণ মাৰিলো।

শ্ৰীবীৰেন্দ্ৰ নাথ চৌধুৰী: অধ্যক্ষ ডাঙৰীয়া, এই কৰ্ত্তন প্ৰস্তাৱ সংক্ৰান্তত দুষাৰ কব বিচাৰিছো। মই বিশেষকৈ গোৱালপাৰাৰ কেইটামান সমস্যাৰ কথা কব বিচাৰিছো। সমন্বয়ৰ অভাবত কংগ্ৰেছ চৰকাৰৰ আমোলত আজি প্ৰায় পাচ বছৰৰ আগতে নিৰ্ম্মাণ কৰা হস্পাতাল বিল্ডিং কিছুমান অব্যৱহৃত হৈ আছে। বিশেষকৈ কিছুমান হাস্পাতাল বিল্ডিংৰ অৱস্থা এনেকুৱা হৈছে যে বিজুলী যোগান বিভাগ আৰু গড়কাপ্তানী বিভাগৰ মাজত সমন্বয় নাই। বিজুলী যোগান বিভাগে পোহৰ নিদিয়ে। আগিয়া হাস্পাতাল বিল্ডিংৰ ওৱাৰিং কৰিছে গড়কাপ্তানি বিভাগৰ ইলেক্ট্ৰিচিয়ানে এতিয়া বিজুলী যোগান বিভাগে অসহযোগ কৰিছে। বিজুলী যোগান নিদিয়াৰ ফলত আজি তিনি বছৰে সেই হাস্পাতালটো অব্যৱহৃত অৱস্থাত আছে। অসমৰ বিভিন্ন ঠাইত তেনেকুৱা ঘটনা হৈছে। সহযোগৰ অভাবত। মই গোৱালপাৰাৰ আৰু দুঠাইৰ কথা জানো। মৰনৈ, মাটিয়াত হাস্পাতালত সেই একে অবস্থা হৈ আছে। নতুন চৰকাৰৰ কালত এনেকুৱা ধৰণৰ সমন্বয়ৰ অভাবত আমাৰ ৰোগী সকলে, গাঁৱলীয়া মানুহ বিলাকে দুৰ্ভোগ ভূগ কৰিব লগা নহয় তাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিছে। গড়কাপ্তানি বিভাগৰ পৰা বিল্ডিংৰ যত্ন লোৱা হয়। আমাৰ সৰু সৰু চহৰ বিলাকৰ চিটৰ সম্পৰ্কত যেতিয়া মেডিকেল বিভাগলৈ যাওঁ তেতিয়া তেওঁলোকে কয় প্লেন গড়কাপ্তানী বিভাগে কৰা নাই। গড়কাপ্তানী বিভাগে কয় যে মেডিকেল বিভাগে যোগাযোগ কৰা নাই। এনেকুৱা ধৰণৰ মেৰপাকত পৰি গৰীব মানুহক দুৰ্ভোগ ভূগিব দিব নলাগে। তাৰ ব্যৱস্থা কৰিব বুলি আশা ৰাখিছো। ডাঙৰ ডাঙৰ মানুহ বিলাকৰ বাবে ডাঙৰ হাস্পাতাল আছে, বিশেষ বিশেষ চিকিৎসাৰ ব্যৱস্থা লব পাৰে, ভাল ভাল ডাক্তৰৰ সাহায্য লব পাৰে। কিন্তু গৰীব মানুহ বিলাকে ৪-৫ মাইল খোজ কাঢ়ি আহে চিকিৎসাৰ বাবে হাস্পাতাললৈ। এই বিলাক অসুবিধাৰ পৰা যাতে নতুন চৰকাৰৰ আমোলত মানুহক বচাব পাৰে তাৰ প্ৰতি নতুন চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। আকো এটা সাধাৰণ সমস্যাৰ কথা কৈছো। গোৱালপাৰাত লাচকটা ঘৰটো কলনিৰ ওচৰত আছে। তাৰ চাৰিও-ফালে মানুহৰ ঘৰ আছে।ভুতৰ ভয়ত লৰা-ছোৱালীৰ কি অবস্থা হয় বৰ্ণাব নোৱাৰি। কংগ্ৰেছ আমোলত মই জনাত কংগ্ৰেছ আমোলত ১৫ বছৰ আগত আগৰ স্বাস্থ্যমন্ত্ৰী শ্ৰীছত্ৰসিং টেৰণক ঘেৰাও কৰি দাবী কৰিছিল সেইটো দূৰ কৰিব লাগে। সেই আমোলত নহল। তেতিয়া কৈছিল পৰিকল্পনা লৈছো, ইয়াৰ পৰা হাস্পাতাল খুব ভাল ঠাইত লৈ যাম। কিন্তু সেইটো নহল। গতিকে এই বিশেষ সমস্যাটোৰ প্ৰতি মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো যাতে ইয়াৰ ব্যৱস্থা কৰে। তাৰোপৰি সৰু সৰু চহৰ বিলাকত টি, বি, সংখ্যা বেচি। গোৱালপাৰাত মই ডাক্তৰৰ লগত আলোচনা কৰি পাইছিলো তাত কেইটা-মান কলনি আছে যত শতকৰা ৮০ জন মানুহে টি, বি বেমাৰত ভোগি আছে। ডাক্তৰ সকলে ভয় কৰিছে যদি ঠিক এনে ভাবে ৰখা হয় তেন্তে টি, বি চাৰিওফালে বিয়পি যাব। ইয়াৰ প্ৰতিৰোধৰ কাৰণে উপায় বিচৰাত কৈছিল গোৱালপাৰাত টি, বি চিকিৎসাৰ কাৰণে তেনে ধৰণৰ ভাল ব্যৱস্থা নাই। কেইদিনমান ৰখাৰ কাৰণে তিনিটা চিট আছে। টি, বি বেমাৰী অহাৰ তিনি দিন পিচত চালান কৰিব পাৰে। সেই সকল গৰীব খেতিয়ক, চৰ অঞ্চলত বাস কৰে। দিন হাজিৰা কৰা বেচি সংখ্যক মানুহৰ টি, বি বেমাৰ। এই সকল গোৱাহাটীলৈ আহি চিকিৎসা কৰাটো সম্ভৱপৰ নহয়। গতিকে এই বিশেষ সমস্যাৰ

প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যাতে টি, বি বেমাৰীৰ চিকিৎসাৰ কাৰণে সেই বিলাক ঠাইত তেনেকুৱা ঘৰ তৈয়াৰ কৰা হয় আৰু চিটৰ ব্যৱস্থা কৰা হয়। ৰাস্তা-ঘাটৰ কথা বহুত কব লগা আছে। নতুন মন্ত্ৰী মণ্ডলী মাত্ৰ এতিয়া হৈছে। ৰাস্তা-ঘাটৰ যি অৱস্থা হৈ আছে সেই বিষয়ে এতিয়া নকও। এইখিনিকে কৈ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :—মাননীয় চেয়াৰমেন মহোদয়, আজি কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰি আমাৰ মাননীয় ভালেমান সদস্যই আঠ নম্বৰ পৰিপূৰক দাবীৰ ওপৰত আলোচনা আৰু পৰামৰ্শ দিছে। মই এইখিনিতে আপোনাৰ জৰিয়তে সদনৰ সকলো সদস্যক জনাব বিচাৰিছো যে যি বিলাক কথা বতৰা উল্লেখিত আছে, এই কথা বতৰা বিলাকৰ সম্পৰ্কত যদিও আমি এতিয়া দায়িত্ব বহণ কৰিব লগা হৈছে, সেইটো নিয়োজিত আঁচনিৰ ক্ষেত্ৰত আমাৰ দায়িত্ব নাছিল। আপোনালোকে শুনি আচৰিত হব এই বিলাক বিধি ব্যৱস্থাত ইতিমধ্যে খৰচ কৰাৰ পিচত সাংবিধানিক নীতি অনুসৰি আজি আপোনালোকৰ আগত এই পৰিপূৰক দাবী উত্থাপিত কৰিব লগা হৈছে। গতিকে আজি যিখিনি কথা উত্থাপন কৰিছে বা যি ধৰণৰ কথা বতৰা পৰিপূৰক মঞ্জুৰীত কৈছে সেই কথা বতৰা বিলাকৰ উত্তৰত কৈছো আমাৰ উদ্দেশ্য হল নিকা প্ৰশাসনীয় দক্ষতাৰে সৈতে প্ৰশাসন চলোৱা। আমি প্ৰশাসনীয় নীতিৰ ওপৰত ভিত্তি কৰি বৰ্ত্তমান চৰকাৰ চলাবলৈ চৰকাৰ পক্ষৰ পৰা চেষ্টা কৰিছো। বহুত বিলাক কথাই আছে সেই বিলাক কৰলৈ সময় বেচি নহব। প্ৰশাসন যন্ত্ৰটোত কিছুমান দিন ধৰি এনে ধৰণে এলান্ধুৱে ধৰিছে যে চফা কৰিবলৈ যথেষ্ট সময় লাগিব। এই সম্পৰ্কত আমাৰ যি বিলাক নীতি নিয়ম বিত্তীয় ব্যৱস্থা, যিবিলাক আগৰ চৰকাৰে সংশোধন কৰাৰ নামত আজি জুলুমৰ সৃষ্টি কৰিছে সেইখিনি দূৰ কৰাটোত যথেষ্ট সময় লাগিব। উদাহৰণ স্বৰূপে এই শিতনত যিখিনি খেলিমেলি সৃষ্টি কৰা হৈছে সেইটোত পাৰমেনেণ্ট বাজেটৰ নামকৰা হৈছিল। ছয় বছৰ দিন নহল পাৰফমেন্স বাজেটৰ আসোৱাহৰ সৃষ্টি হল। চৰকাৰী নীতি অনুসৰি বিহীত ব্যৱস্থা লবলৈ লৈছো যিটোৰ যোগেদি আপোনালোকৰ পৰামৰ্শলৈ আৱশ্যকীয় বিধি নিয়ম কৰিম যাতে পৰিপূৰক মঞ্জুৰীৰ বাবে আহিব লগা নহয়। আমি শুদ্ধ ভাবে কৰিবলৈ চেষ্টা কৰিম যি বিলাক শিতানত টকা পইচা ধৰা হৈছে এই বিলাক বিত্তীয় খৰচ কৰা হৈছে নে নাই, টকা পইচা প্ৰকৃতপক্ষে খৰচ হৈছে নে নাই নতুন চৰকাৰে বিবেচনা কৰিবলৈ সময় পোৱা নাই। এইখিনি কব পাৰো যে এই সম্পৰ্কত আমি অনুসন্ধান কৰি অহা বাজেট অধিবেশনত সম্পূৰ্ণ ভাবে আপোনালোকক জনোৱা হব।

সেইকাৰণে মই আপোনালোকক প্ৰথমে আমাৰ নতুন চৰকাৰৰ হৈ অনুৰোধ জনাইছো যে যিবিলাক ত্ৰুটি-বিচ্যুতি ইয়াত ওলাইছে বা হব সেইবিষয়ে আমাক অনুসন্ধান কৰিবলৈ যাতে সময় দিয়ে। আৰু এইটো স্পষ্টভাৱে কব পাৰো যে এনেকুৱা এটা বিভাগ নাই যি বিভাগতনেকি ত্ৰুটি হোৱা নাই। আৰু এইবিলাক যেতিয়া অনুসন্ধান কৰিম আৰু কৰাৰ পিচত কি কাৰণে এনেকুৱা হল এই কথাবিলাকৰ পৰামৰ্শ আপোনালোকে যেতিয়া দিব তাৰ পিচতহে গৈ চৰকাৰৰ ফালৰ পৰা নীতি নিৰ্দ্ধাৰণ কৰিব। গতিকে আজি বিত্তীয় নীতি সম্পৰ্কে আৰু এটা কথা কব বিচাৰিছো যে আমাৰ ইয়াত বিষয়া সকল বা আমাৰ আগৰ চৰকাৰৰ নীতি অনুসৰি প্লেনিং কমিচন আৰু অন্যান্য আলোচনা-বিলোচনা কৰি কেন্দ্ৰীয় চৰকাৰৰ পৰা যথেষ্ট ধৰণে টকা পইচা পাওঁ। কব নোৱাৰো কেন্দ্ৰীয় চৰকাৰে কি কাৰণে, বোধকৰো ইণ্ডিকেচন নোপোৱাৰ কাৰণেই শেষত টকাটো মাৰ্চ্চ বা ফেব্ৰুৱাৰী মাহত আহে কাৰণে আমাৰ যিবিলাক কাৰ্য্যক্ৰম শিক্ষা থাকে সেইবিলাক শুদ্ধভাৱে কৰিব পৰা নহয়। সেইকাৰণে মুখ্যমন্ত্ৰী আৰু মই যোৱা নেচনেল ডেভলপমেণ্ট কাউন্সিলত যোগদান কৰিবলৈ যাওঁতে বিশেষকৈ অসমৰ ক্ষেত্ৰত যাতে বিত্তীয় সম্পৰ্কে এটা বিশেষ ধৰণৰ ব্যৱস্থা লবলৈ লাগে যিটো ব্যৱস্থাৰ যোগেদি আঁচনি সমূহ কাৰ্য্যকৰী কৰিব পৰা

* Speech not corrected

হব তাৰ ব্যৱস্হা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনোৱা হৈছে আৰু কেন্দ্ৰীয় চৰকাৰে এই সম্পৰ্কে বিবেচনা কৰি অতি সোনকালে আমাৰ নীতি এটা নিৰ্দ্ধাৰণ কৰাৰ ক্ষেত্ৰত সহায় কৰিম বুলি আশ্বাস দিছে। আনহাতে আমাৰ পৰিস্হিতি ইমান বেয়া আমাৰ বিত্ত মন্ত্ৰীয়ে কৈছে যে সপ্তম বিত্তীয় আয়োগৰ পৰা আমি যদি সহায় নাপাওঁ তেনেহলে আমি এনেকুৱা এটা অৱস্হাত পৰিমগৈ যে আমি আমাৰ চাকৰিয়াল সকলক দৰমহা দিব নোৱাৰিম। অন্যান্য ক্ষেত্ৰত সেইবিলাক দূৰৰ কথা এনে এটা বিত্তীয় অৱস্হাত পৰিছে। আনহাতে আমি কিছুমান ক্ষেত্ৰত দেখিবলৈ পাইছো আমাৰ টকা পইচা নাই বুলি কয়। কিন্তু এনেকুৱাও দেখিবলৈ পাইছো যে কাম কৰিব নোৱাৰি টকা পইচা ঘূৰাই দিয়া হৈছে। আমাৰ বিভাগত তেনেকুৱা বহুত কথা হৈছে আৰু অন্যান্য বিভাগতো তেনেকুৱা কথা হৈছে। গতিকে নীতি নিয়োজনৰ ক্ষেত্ৰত আমি সিদ্ধান্ত কৰিছো, আপোনালোকৰ সহ-যোগিতা বিচাৰিছো এনেকুৱা ধৰণৰ নীতি নিৰ্দ্ধাৰণ কৰিম, এনেধৰণৰ আঁচনি প্ৰস্তুত কৰিম, যিবিলাক আঁচনি টাইম বাউণ্ড হব আৰু এবছৰৰ ভিতৰতে কৰি দিব লাগিব। যদি তাৰ ভিতৰত কিবা ডিফেক্ট হয় কি কাৰণে হ'ল আৰু টাইম বাউণ্ড প্ৰগ্ৰেম কৰা বিষয়া সকলক যি দায়িত্ব দিয়া হৈছিল সেই দায়িত্ব কৰিব নোৱাৰাত এইটো অনুসন্ধান কৰি শেষান্তৰত গৈ আমি বিহীত ব্যৱস্হা লবলৈও কুণ্ঠাবোধ নকৰো। এই সদনত যিবিলাক কথা বতৰা হৈছে বিশেষকৈ আমাৰ কনষ্ট্ৰাকচনে ষ্ট্ৰেলেলাইজেচন অব অৰ্কৰ ক্ষেত্ৰত, এই সম্পৰ্কে আপোনালোকৰ ওচৰৰ পৰা আমি অনুমোদন বিচাৰিছো। টকা ইতি-মধ্যে খৰচ হৈ গল এই আমাৰ ক্ষেত্ৰত অলপ অনুসন্ধান কৰি গম পাইছো যে চি, এ, ৰেচটেজ হৈছে। এই সম্পৰ্কত ভাল ধৰণে অনুসন্ধান কৰিবলৈ সিদ্ধান্ত কৰিছো কাৰণ এইটোৱেদি ৰাইজক সহায় কৰা হোৱা নাই।

(ভইচ :— এই ৰেচটেজৰ কাৰণে দোষী সকলক শাস্তি দিয়া হব নে নাই ?)

প্ৰাৰম্ভিক তদন্তত কিমান নম্বৰ ঘৰ সজা হৈছে, কেনেধৰণৰ ঘৰ সজা হৈছে মাননীয় সদস্য শ্ৰীফণী মেধী ডাঙৰীয়াই কৈছে যে চাব ডিভিজনেল হস্পিটেল ৮টা, পাব্লিক হেল্থ ইউনিট ১২টা কৰিছে। ইতিমধ্যে মই খবৰ লৈ গম পাইছো যে যি ধৰণে হব লাগিছিল সেই ধৰণে হোৱা নাই। এই ক্ষেত্ৰত অপচয় হৈছে এই কথা মই সদনত আবীস্কাৰ কৰিব নোৱাৰে। এই সম্পৰ্কে অনুসন্ধান কৰা হব আৰু অনুসন্ধান কৰি কি কাৰণত এনেকুৱা ধৰণৰ অৱস্হা হৈছে তাৰ বিহিত ব্যৱস্হা চৰকাৰৰ ফালৰ পৰা কৰা হব।

তাৰ পিচত মৰগীয়া বানচৰ শিতানত যি টকা ধৰা হৈছে সেইটো দিবই লাগিব। কাৰণ কৰ্মচাৰী সকলৰ ডিমাণ্ডৰ পিচত এনেকুৱা প্ৰভিজন কৰা হৈছে। এই টকাটো দিব আৰু ভাল কাম বুলি চিন্তা কৰি কৰ্মচাৰী সকলৰ অভাৱ-অভিযোগৰ কাৰণে খৰচ কৰা হৈছে। বাকী যি টকা হিন্দি কলেজৰ ডি,এ, ৰ ক্ষেত্ৰত আমাৰ চেভিংৰ পৰা ১ কোটি ২৮ লাখ ৪৬ হাজাৰ টকা ইতিমধ্যে দিয়া হল। বাকী বেলেন্স ৪৭.৫০ লাখ টকা পৰিপূৰক বাজেটৰ পৰা ধাৰ হৈছে। আৰু লগতে ৫০ হাজাৰ টকা এডিচনেল ষ্টাফৰ, এডিটেটিভ ৰোভ প্লেনৰ কাৰণে আৰু বিভাগ বিলাকৰ দক্ষতা বঢ়াবৰ কাৰণে চিন্তা কৰিছো। এই ক্ষেত্ৰত আমাক মোটামোটি ৩ কোটি টকা দৰকাৰ হব। এতিয়া ৫০ হাজাৰ টকা ধৰি কাম আৰম্ভ কৰিছো। অন্যহাতে আমাৰ যিটো হিন্দী কলেজৰ শিতানত দিয়া হৈছে ইতিমধ্যে সেই টকা খৰচ কৰিবলগীয়া হৈছে। কাৰণ কেন্দ্ৰীয় চৰকাৰে এই টকাতো দিয়ে। কিন্তু আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱাৰ বাবে টকাতো আগতীয়াকৈ খৰচ কৰা হল। গতিকে কেন্দ্ৰীয় চৰকাৰৰ টকাতো ৰেগুলেৰাইজ কৰাৰ কাৰণে এই ব্যৱস্হা লোৱা হৈছে। আমাৰ মাননীয় সদস্য সকলে যিবিলাক পৰামৰ্শ ইতিমধ্যে আগবঢ়াইছে সেইটো ভাল কথা। মাননীয় সদস্য শ্ৰীফণী মেধী ডাঙৰীয়াই যিটো

কথা কৈছে সেইটো কথা মুখ্যমন্ত্ৰী আৰু মই পাতিছিলো যে আমাৰ কোনো সমন্বয় নাই। ইলেকট্ৰিচিটি, পাব্লিক, হেল্থ, গড়কাপ্তানী আদি বিভাগ বিলাকৰ মাজত সমন্বয় নথকাৰ কাৰণে কোনো কাম সুচাৰুৰূপে হোৱা নাই। কোৱোবাত ঘৰ হৈছে পানী নাই, ইলেকট্ৰিফিকেচন নাই এনেধৰণৰ হৈছে। এই সমন্বয় নোহোৱাৰ কাৰণেই চৰকাৰী ঘৰ ব্যৱস্থা কৰিব নোৱাৰা হৈ পৰি আছে। বিশেষকৈ হস্পিটালত এইটো হোৱাটো দুৰ্ভাগ্যজনক কথা। আমাৰ সকলো সদস্যই জানে যে আধুনীক যন্ত্ৰগত চিকিৎসাৰ ক্ষেত্ৰত নিম্নতম সুবিধাখিনি চৰকাৰে জন-সাধাৰণক দিয়াটো দৰকাৰ। এই সম্পৰ্কত আমি কি ধৰণে সমন্বয় ৰক্ষা কৰি পোনপটীয়া ভাবে কাম কৰিব পাৰো তাৰ কাৰণে চৰকাৰে চিন্তা কৰিব। আৰু চিন্তা কৰি অতি সোনকালে সিদ্ধান্ত গ্ৰহণ কৰি কাৰ্য্যকৰী কৰিবলৈ চেষ্টা কৰিব। এইখিনিতে বিশেষ কথা এটা উল্লেখ কৰিব বিচাৰিছো যে আমি যেতিয়া বিৰোধী দলত বহিছিলো তেতিয়া আমি এটা কথা স্পষ্ট ভাৱে কৈছিলো যে যিবিলাক কণ্টিনজেন্সি ফাণ্ড সেইটো স্পিয়াৰীল ব্যৱহাৰ কৰিব লাগে। কিন্তু দেখা পাইছো যে এইটোৱে ক্ৰমিক হেভিট হৈ গৈছে কিবা এটা হলে পৰিপূৰক মঞ্জুৰীৰ দ্বাৰা টকা পাচ কৰা হয়। এইটোৱে এইটোকে সূচায় যে আঁচনি বিলাক যুগুত কৰোতে ত্ৰুটিপূৰ্ণ হয়, স্পিয়েৰ কনচেপচন আৰু ফাৰচাইটনেচ নোহোৱা কাৰণে এনেকুৱা হয়। এই ক্ষেত্ৰত আঁচনি বিলাক সম্পূৰ্ণভাৱে পৰিপক্ক কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিব লাগে আৰু এই ক্ষেত্ৰত সকলো মাননীয় সদস্য সকলৰ পৰা দিহা পৰামৰ্শ পাম বুলি বিশেষ ভাবে আশা কৰিলো। আমাৰ বিত্তীয় অৱস্থা শোচনীয় যদিও আমি নিয়মানুবৰ্তিতাৰে, মিতব্যয়িতাৰে যদি কাম কৰো তেতিয়াহলে বিত্তীয় অৱস্থা ভাল হব। জনতা চৰকাৰৰ পৰা ৰাইজৰ ওচৰত যি প্ৰতিশ্ৰুতি দিছে সেই প্ৰতিশ্ৰুতি খিনি ৰক্ষা কৰিবলৈ সমৰ্থ হব। এইখিনি কৈয়ে মাননীয় সদস্য সকলক ধন্যবাদ জ্ঞাপন কৰিছো আৰু যিসকল মাননীয় সদস্যই পৰামৰ্শ আগবঢ়াইছে সেই পৰামৰ্শ খিনি আমি নিশ্চয় বিবেচনা কৰিম।

সেইকাৰণেই কৈছোঁ আমি যিবিলাক ঘৰ সাজো সেইবিলাক বিভিন্ন বিভাগৰ ঘৰ, আৰু আটাইবিলাক বিভাগেই আমাক সাঙুৰী লৈছে সেইকাৰণেই পশুপালনেই হওক বা আন আন সকলো বিভাগৰে বিভাগীয় ঘৰ-দুৱাৰ বিলাক সাজি দিও আৰু তাৰ তত্বাবধান সেই বিভাগে লয়। এই খিনিকে কৈ মাননীয় সদস্য গোস্বামী ডাঙৰীয়া আৰু হুদা ডাঙৰীয়াই যি কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে সেইটো উঠাই লব বুলি সানুনয়ে অনুৰোধ কৰিলো।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী:—পাব্লিক হেল্ঠ ইঞ্জিনিয়াৰিং বিভাগে লাওখোৱা অঞ্চলত যি তিনিটা টিউব ওৱেল পুতিছে সেইকেইটা যিমান পুটিব লাগিছিল সিমান পোতা নাই। গতিকে সেইবিলাক বিষয়ে দৃষ্টি দিব লাগে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী):—এইবিলাক কথা আমি অনুসন্ধান কৰিম আৰু অহা বিধান সভাৰ বাজেট অধিবেশনত দাখিল কৰিম।

শ্ৰীঅতুল গোস্বামী:—কৰ্ত্তন প্ৰস্তাৱ উঠাই লৈছোঁ।

শ্ৰীএ,এন, আক্ৰাম হোচেইন:—মন্ত্ৰী ডাঙৰীয়াই যি আসোৱাহৰ কথা কৈছে আৰু সেই আসোৱাহ উলিওৱাৰ কাৰণে আমি তেখেতক ধন্যবাদ জনাইছোঁ আমি আশা ৰাখিছোঁ নতুন মন্ত্ৰী জন বৰ উদ্যোগী লোক তেখেতে অহা বাজেট অধিবেশনত সেইটো দাখিল কৰিম বুলি যি আশ্বাস দিছে সেই মতে দাখিল কৰিব।

শ্ৰীনগেন বৰুৱা ঃ—অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱ উঠাই লোৱাৰ পাছত আৰু কৰ লগীয়া একো নাথাকে গতিকে মাননীয় সদস্য জনক বহিবলৈ কব লাগে ।

শ্ৰীবীৰেশ মিশ্ৰ ঃ—অধ্যক্ষ মহোদয়, আমি আজ এই সদনে একটা দুঃসংবাদ দিতে যাচ্ছি। আমি এইমাত্র খবর পেলাম যে সারা লামডিং শহর আগুণে পুড়ে ছাই হয়ে গিয়েছে।

Mr. SPEAKER—Is it the pleasure of the hon. member to withdraw the cut motions.

শ্ৰীচামচন্দ্ৰ হুদা ঃ—মইয়ো কৰ্ত্তন প্ৰস্তাৱ উঠাই লৈছোঁ ।

Mr. SPEAKER.—Is it the pleasure of the House to grant permission to withdraw the motion.

(Voices—Yes.)

The motion occordingly is withdrawn.

The motion is that an additional amcunt of Rs.56,16,000 be granted to the Minist r-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March 1978 for administration of the heads '259--Public Works, 277—Education (III). 280—Medical (II), 282—Public Health, Sanitation and Water Supply—A—Public Health and Sanitation (II), 459-Capital Outlay on Public Works 477--Capital Outlay on Education, Art and Culture, 480—Capital Outlay on Medical, 481--Capital Outlay on Family Welfare 482—Capital Outlay on Public Health, Sanitation and Water Supply, 488—Capital Outlay on Social Security and Welfare—E—Other Social Security and Welfare programme. 495—Capital Outlay on otherSocial and Community Services, 510—Capital Outlay on Animal Husbandry, 544—Capital Outlay on other Transport and Communication Services.

(The motion Is passed)

Now, demand No.9. There is no cut motion.

শ্ৰীবীৰেশ মিশ্ৰ ঃ—মই আজি ৰেইলওৱেৰ পাণ্ডু অফিচৰ পৰা খবৰ পাইছোঁ যে লামডিংত জুই লাগি প্ৰায় ১০০ ঘৰ মানুহৰ ঘৰ চাই হৈ গৈছে অথচ তাত ফাইয়াৰ ব্ৰীগেডে এক ফোটা পানীয়ো দিব পৰা নাই। অৱশ্যে আমি এই বিষয়ত দিটেইল ৰিপোৰ্ট পোৱা নাই ।

মই অনুৰোধ কৰিব বিচাৰিছোঁ এই অগ্নিকাণ্ড যি কোনো মুহুৰ্ত্ততে হব পাৰে বা যি কোনোঠাইতে হব পাৰে গতিকে ফাইয়াৰ ব্ৰীগেড সদায় সাজু থাকিব লাগে। ইতিমধ্যে যি জুই লাগিছে বুলি কৈছে সেই বিষয়ে খবৰ-খাতি লৈ তাৰ যথা-যথ ব্যৱস্থা হাতত লব বুলি আশা ৰাখিলো ।

শ্ৰীআল্লাউদ্দীন চৰকাৰ ঃ—আমাৰ ধুবুৰীত ৩১ নং ৰাজআলিৰ আশে পাশে বহুতো মানুহ বসবাস কৰিছে, তাৰ ওচৰতে আগতে অগ্নিকাণ্ড হৈ গৈছে কিন্তু তাত অগ্নিনিৰ্ব্বাপকৰ কোনো ব্যৱস্থাই নাই। গতিকেই মই আপোনাৰ জৰীয়তে মাননীয়

মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছোঁ যাতে অনতিপলমে তাত অগ্নিনিৰ্ব্বাপক বাহিনীৰ ব্যৱস্হা কৰে।

• শ্ৰীগোলাপ চন্দ্ৰ বৰবৰা (মুখ্যমন্ত্ৰী) :—ইতিমধ্যে মাননীয় সদস্য বীৰেশ মিশ্ৰ ডাঙৰীয়াই লাৰ্মাডিংত যি জুই লগাৰ কথা কৈছে সেই বিষয়ে জানিবৰ বাবে আমি ব্যৱস্হ কৰিছো আৰু সেই সংক্ৰান্তত যি বিলাক ৰিলিফ ইত্যাদিৰ কাম কৰিবলগীয়া আছে সেই খিনিয়ো আগবঢ়াবলৈ প্ৰস্তুত থাকিম। আনজন মাননীয় সদস্যই কোৰা কথাষাৰো বিবেচনা কৰা হব।

Mr. Speaker, Sir, on the Recommendation of the Governor of Assam, I beg, Sir, to move that an additional amount of Rs.13,55,738 be granted to the Minister in-charge to defray certain charges which will come in the course of payment during the year ending 31st March, 1978 for the administratione of the head "260 – Fire Protection and Control".

Mr. SPEAKER—Those who are in favour of the motion say 'Ayes' those who are not in favour of the motion say 'No'. 'Ayes', have it. The motion is passed.

Shri GOLAP BORBORA (Chif Minister,)— Mr. Speaker, Sir, on the recommendation of the Governor of Assam, I beg, Sir, to move that of Rs.2,69,600 be granted to the Minister-in-charge to defray certain an additional amount charges which will come in the course of payment during the year ending 31st March, 1978 for the administration of the head "265—Other Administrativ Services—VI– Guest House".

Mr. SPEAKER—I put the motion now "that an additional amount of Rs.2,69,600 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending 31st March, 1978 for the administration of the head "265—other Administrative Services—VI- Guest House".

(The motion is adopted)

ডঃ কোষেশ্বৰ বৰাঃ—অসম ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে ১৯৭৮ চনৰ ৩১ মাৰ্চ্চত শেষ হব লগীয়া বছৰটোৰ কাল ছোৱাত কেতবোৰ ব্যয় বহণ কৰিবলৈ ২৬৭ সাহাৰ্য্য সামগ্ৰী আৰু সা-সজুলি সম্পকীয় শিতানৰ প্ৰশাসনৰ অৰ্থে ভাৰপ্ৰাপ্ত মন্ত্ৰীক অতিৰিক্ত ৬১,৩৮,০০০ টকা মঞ্জুৰ কৰিব লাগে।

Mr. SPEAKER :— The motion is moved.

(The motion is adopted)

মাননীয় অধ্যক্ষ :— কবলগা আছে নেকি ?

গিয়াছুদ্দিন আহমদ :— অধ্যক্ষ মহোদয়, পইন্ট অব অৰডাৰ নহলেও তেনেকুৱা এটা কথা মই কব বিচাৰিছো। মাননীয় অধ্যক্ষই অসমীয়াতে উপ থাপন কৰিছে। আইজ হেড ইট্, নোজ হেড ইট্, ইয়াৰো অসমীয়া পৰিভাষা কলে ভাল হয় নেকি ?

মাননীয় অধ্যক্ষ :— সেইটো বিবেচনা কৰা হব ।

Demand No.12 :

Shri LAKSHYADHR CHAUDHURY (Minister):—Mr. Speaker, Sir, on the recommendation of the Governor of Assam, I beg, Sir, to move that an additional amount of Rs.82,88,145 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending 31st March, 1978 for the administration of the heads "277 - Education—I and 677—Loans for Education, Art and Culture".

মাননীয় অধ্যক্ষ :—শ্ৰীচামচন্দ্ৰ হন্দা, আপোনাৰ কবলগীয়া আছে নেকি ?

* শ্ৰীচামচন্দ্ৰ হন্দা :—তেনেকৈ কব লগীয়া নাই ক্ৰাট মোচন কৰিছো যেতিয়া দদআষাৰ কবলাগিব । এস্কপ্লেনেটৰি নোটত দেখা যায়—

Rs.6,01,439 out of this amount an amount of Rs.4.73.439 only will be required to sanction the revised scales of pay to the employees of Sanskrit Tols and an amount of Rs.28,000 only will also be required for employees of Sanskrit College with effect from 1st January, 1973 to 28th February, 1977. The total requirement for both Tols and College comes to Rs.5,01,439 only including 5 per cent D. A. from 1st July 1973. In addition an amount of Rs.1,00,000 only will be required to meet the requirement of pay for the current year, i. e. 1977-78 for Tol and College. The total requirement of the above three items comes to Rs.6,01,439, Rs.3,30,437 is required to meet the shortfall in the Budget under pay, allowances, T. A. Contingencies and other expenditure required for implementation of Social Education schemes of C. D. Blocks during the current year.

প্ৰাইমাৰী স্কুল বিলাকত মাহেকত ২ টকাকৈ দাচটাৰ আদি কিনিবলৈ দিয়া হয় । মাহেকত দুই টকাকৈ হলে বছৰত কেইটকাকৈ হয় সেইটো হিচাব নিশ্চয় পাইছে । তাতে আকৌ মাহে মাহে সেইটো টকা তেওঁলোকে নাপায় আৰু সেই টকাটোৰ কাৰণে ডিপি, আই অফিচলৈ কেইবাবাৰো আহিব লগা হয় । এই বিষয়ে মই চৰকাৰৰ ওচৰত দৃষ্টি আৰ্কষণ কৰিলো । আন এটা কথালৈ আকৌ চৰকাৰৰ দৃষ্টি আৰ্কষণ কৰিব বিছাৰিছো । সেইটো হল এল, পি স্কুল বিলাক লৈ লক্ষ্য ৰাখিব' লাগে । এটা মাত্ৰ উদাহৰণ আপোনাৰ জৰীয়তে সদনত জনাব বিছাৰিছো । নগাঁওৰ মোৰাজান নামৰ এখন ঠাইত এখন এল, পি স্কুলত এজন শিক্ষকক ১০ মাহৰ কাৰণে ট্ৰেইনিংত পঠোৱা হল আৰু তাৰ ঠাইত কোনো শিক্ষকক দিয়া নহল । ফলত কি হ'ল লৰাছোৱালী খিনিক বাইজে পঢ়োৱালে এতিয়া পৰীক্ষা কোনে লব ? ৰাইজে ললে, বহী কোনে চাব', ৰাইজে চালে ৰিজাল্টও ৰাইজে দিলে । কিন্তু চাৰ্টিফিকেট, চাৰ্টিফিকেটো ৰাইজে দিলে । এনে ধৰণে চলাই আছিল। কিন্তু চাৰ্টিফিকেট বিলাক এপ্ৰোভ হব লাগে বুলি কোৱাত যেতিয়া ডি, পি, আই অফিচলৈ গল তেতিয়াহে খবৰ টো পোৱা গল। আমাৰ অসমত ২৫ হাজাৰ এলপি, স্কুল আছে । কিন্তু ইয়াৰ গৰখীয়া এজন । আৰু ইয়াৰ বাবে এটা বেলেগে ডাইৰেক্টৰীত এটা কৰা হৈছে আৰু সেইজনেই সৰ্বেসৰ্বা। আমাৰ যিটো ৰিভাইজ স্কেল দিয়া হৈছে, তেনেকৈ মাদ্ৰাছা বিলাকতো ৰিভাইজ স্কেল দিয়াৰ ব্যৱস্থা দিব লাগে বুলি আপোনাৰ জৰিয়তে অনুৰোধ কৰিলো। ৮ নংত দিয়া আছে চোচিয়েল এডুকেচনত ৩০ হাজাৰ ৪শ ৩৭ টকা ধৰা হৈছে এই বিলাকত যাতে যথাযথ ভাবে খৰছ হয় তাৰ কাৰণে মই সদনৰ দৃষ্টি গোচৰ কৰিলো।

* Speech not corrected

Mr. SPEAKER—Order, order, it is now 5 p. m. I, therefore, guillotine all the Cut Motions. I now put the Supplementary Demand No.12, 13, 14, 15, 16, 17, 18, 19, 20, 21, 22, 23, 24, 25, 26, 27, 28, 29, 30, 31, 32, 33, 34, 35, 36, 37, 38, 39 and 40.

(All the Supplementary Demands from No.12 to 40 are passed).

Now, the Appropration Bill would be circulated to all the hon'ble members.

THE ASSAM APPROPRIATION (No. 1) BILL, 1978

Shri KESHAB CHANDRA GOGOI—(Minister) Mr. Speaker, Sir, I beg leave of the House to introduce the Assam Appropriation (No. 1) Bill 1978.

Mr. SPEAKER—Has the hon'ble members grant leave to the Minister to introduce this Bill ?

(Voice—yes, yes)

Mr. SPEAKER—There is a communication from the Governor which is-"under the provision of Article 207(1) of the Constitution of India, I, Lallan Prasad Singh, Governor of Assam, recommend the introduction in the Assam Legislative Assembly of the Assam Appropration (No.1) Bill, 1978.

Sd/-LALLAN PRASAD SINGH,
Governor of Assam."

Shri KESHAB CHANDRA GOGOI (Minister)—Mr. Speaker, Sir, I now would like to introduce the Assam Appropriation (No.1) Bill, 1978.

(Secretary, Assam Legislative Assembly read out the title of the Bill).

Mr. SPEAKER—There is another massage from the Governor which is "Under the provision of Article 207(3) of the Constitution of India, I, Lallan Prasad Singh, Governor of Assam, recommed that the Assam Appropriation No.(1) Bill, 1978 be taken into consideration by the Assam Legislative Assembly.

Sd/-LALLAN PRASAD SINGH,
Governor of Assam."

Shri KESHAB CHANDRA GOGOI (Minister)—Sir, I beg to move that the Assam Appropriation (No.1) Bill, 1978 be taken into consideration.

মাননীয় অধ্যক্ষ ঃ—কোনোবাই কব নেকি ?

•শ্ৰীপ্ৰেমধৰ বৰা :—মাননীয় অধ্যক্ষ মহোদয়, ৩০ বছৰীয়া কংগ্ৰেসী শাসনৰ পিচত প্ৰথমবাৰৰ কাৰণে অসম ৰাজ্যত অকংগ্ৰেছী চৰকাৰ গঠিত হৈছে আমাৰ মূখ্যমন্ত্ৰী শ্ৰীগোলাপ বৰবৰাৰ নেতৃত্বত। অসম বাসী ৰাইজৰ ফালৰ পৰা তেখেতলৈ আমি অভিনন্দন জনাইছো। লগতে এই এপ্ৰ্ৰাপিয়েচন বিল সম্বন্ধেও কেইআষাৰমান কথা মই কব খুজিছো। অসম বাসী ৰাইজে এনেকুৱা এটা চৰকাৰ বিচাৰিছে যিটো চৰকাৰ প্ৰশাসনিক ক্ষেত্ৰত একেবাৰেই নিকা হয়। যি চৰকাৰ কাৰ্য্যদক্ষ হয়। যি চৰকাৰৰ ওপৰত অসমীয়া গাঁৱলীয়া ৰাইজে সমাদৰ লাভ কৰিব পাৰে। তেনেকুৱা এটা চতকাৰেই আজি অসমৰ ৰাইজে বিচাৰিছে। আজি কেইদিন মানৰ আগতে এই নতুন মন্ত্ৰী সভাই শপত গ্ৰহণ কৰোতে ঈশ্বৰৰ নামত শপত খাই জনসাধাৰণৰ সেৱাৰ কাৰণে আত্মোৎসৰ্গ কৰিম বুলি অংগীকাৰ কৰিছিল। এইখিনি সম্মানিত সদস্য সকলৰ জ্ঞাতাৰ্থে মই জনাব খুজিছো যে, আমাৰ বিধান সভাৰ নব নিৰ্বাচিত সদস্য সকল হৈছে অসমীয়া ৰাইজৰ আশা-আকাংখ্যাৰ প্ৰতীক। এইবাৰৰ বিধান সভাখন সচাঁকৈয়ে বৰ তাৎপৰ্য্যপূৰ্ণ। বৰ আকৰ্ষণীয় বিধান সভা এইবাৰ হৈছে। গান্ধীবাদত বিশ্বাসী কংগ্ৰেছ দল আৰু ইয়াৰ উপদল আৰু সেই একেই গান্ধীবাদতে বিশ্বাস কৰা শাসনত অধিষ্ঠিত আদি জনতা দল। এই বিধান সভাত আজি গান্ধীবাদত বিশ্বাস কৰা তিনিটা দলেই আছে। এই বিধান সভাখন অন্য এটা দিশৰ ফলৰ পৰাও তাৎপৰ্য্যপূৰ্ণ। মাক্সবাদী কমিউনিষ্ট দলেও আজি এই বিধান সভাত প্ৰবেশ কৰিছে। এইটো বৰ দুখৰ কথা। চি পি আই চি পি আই বৈপ্লৱিক কমিউনিষ্ট আছে। তাৰোপৰি চি পি আই (এম এলএচ ইউ চি আই, পি টি চি, নিৰ্দ্দলীয় দলটো আগৰে পৰাই আছেই। মুঠৰ ওপৰত এই বিধান সভাখন ৰং-বিৰঙৰ ধুনীয়া ধুনীয়া ফুলেৰে জাতিষ্কাৰ হৈ থকা এখনি ফুলনীৰ দৰেহে হৈছে। কিন্তু সেইটোৰ লগতে আমি আজি সন্তুষ্ট থাকিলে নহব। আমাৰ উদ্দেশ্য হব লাগিব আমি কি কৰিবলৈ আগবাঢ়িছো সেইটো অনুধাবন কৰাটোহে। আমাৰ উদ্দেশ্য আৰু লক্ষ্য একেটাই আৰু সেইটো হৈছে আমি প্ৰত্যেকজন লোককে অবস্ত্ৰৰ সংস্থান দিয়া আৰু সকলোকে সমান ভাবে সম্মান আৰু আদৰ কৰিবলৈ শিকিব লাগিব। গান্ধীবাদৰ নাম কৈ শাসন চলোৱা আগৰ চৰকাৰ আৰু দলে আজি অৱসৰ গ্ৰহণ কৰিছে। নিজেই অৱসৰ লওক বা ৰাইজেই দিয়ক, তেখেত সকলে আজি আজৰি লৈছে। বিশ্ৰাম লৈছে। অন্যহাতেদি যি সকলে এদিন বিৰোধী পক্ষত থাকি চৰকাৰক সমালোচনা কৰিছিল সেই সকলেই আজি নতুন চৰকাৰৰ দায়িত্ব লৈ চৰকাৰ গঠন কৰিছে। তেখেত সকলৰ পৰা আজি আমি কাম আশা কৰিছো, কথা শুনিবলৈ নিবিচাৰো। আজি যি সকলে অৱসৰ লৈছে সেই সকলে ধৈৰ্য্য ধৰি চাওক। লগতে ইয়াকো মই কৈ থওঁ যে তেখেত সকলেও নতুন চৰকাৰ গঠন কৰি যদি ব্যৰ্থ হয় তেতিয়াহলে আকো এটা নতুন চৰকাৰৰ দায়িত্ব লব পৰা মানুহ এই দলতো আছে।

সেই কাৰণে অধ্যক্ষ মহোদয় মই গাদীত বহা লোক সকলক সানুনয়ে অনুৰোধ কৰিছো যাতে প্ৰশাসনীয় যন্ত্ৰটো নিকা কৰিবলৈ তেওঁলোকে যৎপৰোনাস্তি চেষ্টা কৰে। লগতে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মণ্ডলীক অনুৰোধ কৰিছো তেখেত সকলে ভ্ৰমণ ত্যাগ কৰক। অসমৰ ৰাইজৰ প্ৰতিচ্ছবি বা ভিক্ষাৰী অৱস্থা চাবলৈ তেখেত সকলৰ আৰু ভ্ৰমণ কৰা দৰ্কাৰ নাই। গাঁৱলীয়া ৰাইজৰ দুৰ্দ্দশা গমচাবলৈ মন্ত্ৰী সকলে গৈ কৰিবলগীয়া একো নাই। তেওঁলোকে ছয় মাহ একান্তমনে বহি গাঁৱৰ ৰাইজৰ অৱস্থাটো ইয়াৰ পৰাই ভাবক, গাঁৱৰ চালি নোহোৱা প্ৰাথমিক স্কুলখনৰ কথা, মাটিহীন খেতিয়কৰ কথা, দুখীয়া কৰ্মচাৰীৰ কথা ইয়াত বহি চিন্তা কৰক। চৰকাৰী ভোজ ব্যৱস্থা পৰিহাৰ কৰক। ত্ৰিৰংগ

*Speach not corrected

পতাকা উৰুৱাই ড্ৰাইভাৰ সকলে যদি বজাৰ কৰিবলৈ যায়, বা লৰা-ছোৱালীক লৈ ঘূৰা-ফুৰা কৰে তেতিয়াহলে আমি বেয়া পাম। দুখীয়া ৰাইজৰ টকা পইচাৰে কিনা মটৰ গাড়ী সেই মটৰ গাড়ী যাতে জনসাধাৰণৰ কল্যাণকামী কামত আহে......

মাননীয় অধ্যক্ষ :—ড্ৰাইভাৰজনে পেট্ৰোল আনিবলৈ যাওঁতে যদি চাহ একাপ খাই আহে তেতিয়া......

***শ্ৰীপ্ৰেমধৰ বৰা :**—যিহেতু এই মন্ত্ৰী সভাই মহামানৱ মহাত্মা গান্ধীৰ শপত খাই কাৰ্য্যভাৰ গ্ৰহণ কৰিছে গতিকে লাহ বিলাহ বাদ দি ৰাইজক দুবেলা দুমুঠি খাব পৰা ব্যৱস্থা কৰি দিয়ক। কেৱল গাদীত বহিয়ে অফিচাৰ সকলক দোষ দিলে নহব। শিক্ষা মন্ত্ৰী হিতেশ্বৰ শইকীয়া থাকোতে যিজন ডি, পি, আই, আছে এতিয়া মাননীয় লক্ষ্য চৌধুৰীৰ দিনতো সেই একেজন বিষয়াই আছে, মাননীয় শ্ৰীদুলাল চন্দ্ৰ বৰুৱা গড়কাপ্তানী মন্ত্ৰী হলতো সেই একেজন চীফ ইঞ্জিনীয়াৰ একেজন চেক্ৰেটাৰীয়ে আছে গতিকে তেওঁলোকৰ দ্বাৰাই প্ৰশাসন নিকা কৰিব লাগিব। আমি আজি নতুন বিষয়া আমেৰিকাৰ পৰা নানো, বাহিৰৰ পৰা কৰ্ম্মচাৰী আনি কাম কৰিব নোৱাৰো। এইখিনি বিষয়াৰ দ্বাৰাই প্ৰশাসন নিকা কৰিব লাগিব। মই লগতে কব বিছাৰিছো অফিছাৰ সকলক মন্ত্ৰী সকলে মাতিলে আহিব লাগে কিন্তু তোষামোদ কৰিবৰ কাৰণে ৰাতি ১০-১২ বজাতো মন্ত্ৰীৰ ঘৰত ১০-১২ খন গাড়ী লৈ বিষয়া সকল যোৱাতো ভাল কথা নহয়। বিনা কামত ৰাতি মন্ত্ৰী সকলৰ ঘৰলৈ গৈ বিষয়া সকলে দিগদাৰী দিয়াটো বেয়া কথা। এইবিলাকৰ পৰা স্বজনপ্ৰীতি বা স্নেহ আহি পৰে যাৰ প্ৰৰা প্ৰশাসনত অসুবিধা হয়। সেই কাৰণে প্ৰথমতে নীতি নিৰ্দ্ধাৰণ কৰি সকলো কথাৰে আও ভাও বুজি তাৰ পিচত নামিব লাগে নহলে প্ৰশাসন নিকা নহয়। এতিয়া চাওক মই নিজে ফিয়েট চলাও মইহে জানো ক'ত কি খুটিনাতি আছে বা কি বেয়া হৈছে সেই কাৰণে আগতে চলাবলৈ হলে নিজে জানি লব লাগিব। মাৰ্ক্সবাদেই হওঁক বা গান্ধীবাদেই হওক সকলো দৰ্শনতে মানবতাবোধ আছে আৰু সেই হিচাবে কাম কৰি যাবলৈ মই চৰকাৰক অনুৰোধ কৰিলো। আনহাতে মন্ত্ৰী সকলে যাতে জিলা পৰ্য্যায়ৰ প্ৰশাসনত হাত নিদিয়ে কাৰণ তেওঁলোকে আগতে ইয়াত বুজি লওক। আমি যেতিয়া হেডমাষ্টৰ আছিলো তেতিয়া আমি ষ্টাফ মিটিং পাতি সকলো কথা আলোচনা কৰিছিলো। গতিকে আমি ভাবো আমাৰ মুখ্যমন্ত্ৰীয়েও তেখেতৰ মন্ত্ৰী সকলক ভালকৈ শিকাই বুজাই লওঁক, এটা টিম স্পিৰিট আনি লওক। প্ৰশাসন যন্ত্ৰটো একেবাৰে বেয়া হৈ পৰিছে। কিছুমান কথা কবলৈ ভাল নালাগে কিন্তু চাওঁক এখন বিল আনিবৰ কাৰণে আজি ৯ দিন বহি আছে আমি দুজন বিধান সভাৰ সদস্যই গৈও পৰা নাই। সেই কাৰণে মই কৈছো ক'ত এই কেৰোণ বিলাক হৈছে সেই বিলাক ভালকৈ বুজি লোৱা উচিত। আজি যদি ডি পি আই তেওঁৰ ষ্টাফ কন্ট্ৰোল কৰিব নোৱাৰে তেনেহলে শিক্ষামন্ত্ৰী বা শিক্ষা সচিবে গৈ তাক কন্ট্ৰোল কৰিব নোৱাৰে আজি ডি আই বিলাকে যদি এচ আই বিলাকে যদি এচ আই বিলাকক কন্ট্ৰোল নকৰে, এচ ডি চি বিলাকে যদি মণ্ডলবিলাক কন্ট্ৰোল নকৰে তেনেহলে প্ৰশাসন ক'ত থাকিব। পুলিচৰ বাজেটত কোৱা হৈছে যে অতিসোনকালে অৰ্থাত এমাহ ১৫ দিনৰ ভিতৰতে কেচবিলাকৰ ফাইনেল ৰিপোৰ্ট আহিব লাগে। ইয়াতো এটা কথা কৰিব লাগে মণ্ডল সকলক কৈ দিব লাগে যে ইমানদিনৰ ভিতৰত মাটিহীনৰ লিষ্ট ঠিক কৰি দিয়া। ঠিক এইদৰে কৰিলেহে প্ৰশাসন যন্ত্ৰটো কিছু নিকা হব। তাকে নকৰি যদি এইফালে এজন মন্ত্ৰী গল সেইফালে লীলা দাসৰ নিচিনাকৈ এজন গল সেইদৰে নহব। সেই কাৰণে কৈছো এপ্ৰোপ্ৰিয়েচন যাতে মিচএপ্ৰোপ্ৰিয়েচন নহয় তাৰ কাৰণে চেষ্টা লাগে। সেই কাৰণে মই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো এই ৰাজহৰ টকাবিলাক যাতে অপব্যয় নহয় ৰাইজৰ কামত লাগে তাৰ ব্যৱস্থা কৰিব।

---

* Speech not corrected

*শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া ঃ—মাননীয় অধ্যক্ষ মহোদয়, মই এপ্ৰপ্ৰিয়েচন বিলৰ ওপৰত দুৰাষাৰ মান কথা কব বিচাৰিছো কাৰণ মই পৰিপূৰক দাবীৰ ওপৰত কবলৈ সুবিধা নাপালো। বিশেষকৈ প্ৰাকৃতিক দুৰ্যোগৰ বাবে বিভাগীয় মন্ত্ৰীক ২০ লাখ টকা দিয়া হৈছে। প্ৰাণ্তিক দুৰ্যোগত যোৱা বছৰ ধুমুহাত বিশেষকৈ ৰাইজৰ ঘৰ ভাগিছিল আৰু ৰাজহুৱা অনুষ্ঠান স্কুল কলেজ আদিৰ বহুত ক্ষতি হল। এই স্কুল কলেজ বিলাকে কোনো ৰকমৰ সাহায্য পোৱা নাই। আমি শুনা মতে ডি আই বিলাকৰ পৰা, ইন্সপেক্টৰ বিলাকৰ পৰা, ডি পি আইৰ পৰা যিবিলাক হিচাব আহিছে সেই বিলাক কলেজত তিনি হাজাৰ, হাইস্কুলত ডেৰ হাজাৰ আৰু এল পি স্কুল বিলাকে এক হাজাৰ মানকৈ টকা পাব। এই দৰে প্ৰাকৃতিক দুৰ্যোগত ক্ষতি হোৱা স্কুল কলেজ বিলাকক ১।২ হাজাৰকৈ টকা দিলে এই টকা দিয়া নিদিয়া সমান হব। মই কব বিচাৰিছো যে এই বিষয়ত ৰাজহ মন্ত্ৰী ডাঙৰীয়া সচেতন হব লাগে। যিমান পৰিমানৰ সাহাৰ্যৰ আৱশ্যক হয় সিমান পৰিমানৰ সাহাৰ্য দিব লাগে। মাননীয় লামডিং আৰু কৰিমগঞ্জৰ সদস্য দুজনে জুই লগাৰ কথা কৈ গৈছে। মোৰ সমষ্টিৰ দিমাচাকুচিত বজাৰ বহি থাকোতেই জুই লাগি দহ লাখ মান টকাৰ সা-সম্পত্তি ধ্বংস হল। বৰ্টিনু মেনুৱেল মতে সাহায্য পাবলৈ হলে ২৫ টকাকৈ সাহায্য পায়। এতিয়া বজাৰত যিবিলাকৰ দহ হাজাৰ, ৫ হাজাৰ টকাৰ সা-সম্পত্তি ধ্বংস হলে সেই বিলাকক ৰেভিনিউ মেনুৱেল মতে সাহাৰ্য দিয়াৰ ব্যৱস্থা নাই। মঙ্গলদৈত যত ১০ লাখ অধিবাসী আছে তাত এটা মাত্ৰ ফায়াৰ ষ্টেচন আছে। মই আশা কৰিছো জনসংখ্যাৰ অনুপাতলৈ চাই টংলাটো এটা ফায়াৰ ষ্টেচনৰ ব্যৱস্হা কৰে। জুই লগাৰ পিচত টংলা আৰু দিমাচাকুচিত চি পি এময়ে পোষ্টাৰ মাৰিলে। এই পোষ্টাৰ বিলাকৰ সম্পৰ্কত ৰাইজৰ সন্দেহ উদ্ৰেক হৈছে। গতিকে মই এই সম্পৰ্কত এটা ন্যায়িক তদন্ত হবলৈ দাবী কৰিছো। আৰু যি বিলাক সৰু সৰু বেপাৰী ক্ষতিগ্ৰস্ত হল সেই বিলাকক ক্ষতি পূৰণ দিব লাগে। এই অঞ্চলত দিবলৈ যদি কোনো ব্যৱস্হা নাই তেনেহলে চিফ মিনিষ্টাৰ ৰিলিফ ফাণ্ডৰ পৰা সাহায্য দিয়াৰ ব্যৱস্হা কৰিব লাগে।

মই স্কুল সম্পৰ্কত কব বিচাৰিছো যে স্কুলৰ কাৰণে যি বিলাক টকা পইচা দিয়া হয় সেই বিলাক বছৰৰ শেষত গ্ৰাণ্ট দিয়াৰ নীতি চলি আহিছে। নতুন চৰকাৰে কাম হাতত লৈ নতুন নীতি নিয়ম কৰা নাই যদিও ৩১ মাৰ্চত টকা দিয়াটো বন্ধ কৰি ৰেকাৰিং গ্ৰাণ্ট দিয়াৰ ব্যৱস্হা কৰিব লাগে। আজিলৈকে স্কুলত ডি এ দিয়া হোৱা নাই। হাইস্কুল চৰকাৰী কৰণ কৰিলে যদিও এতিয়াও বহুত বিলাক স্কুলত পে দিয়াৰ ব্যৱস্হা নাই। প্ৰাইমেৰী স্কুলৰ সম্পৰ্কত যি অসন্তুষ্টি বাঢ়িল এই সম্পৰ্কত আৰু অসন্তুষ্টি বাঢ়িব যেন লাগে। এইচৰকাৰে এই বিলাক ব্যৱস্হা একো নকৰিলে আম্ৰাক জগৰীয়া কৰিব।

জনস্বাস্হ্য সম্পৰ্কত আমাৰ এম এল এ বিলাকৰ প্ৰতিটো সমস্তিতে তিনিটাকৈ স্বাস্হ্য কেন্দ্ৰ দিয়াৰ কথা আছিল। এই বিলাক স্বাস্হ্য কেন্দ্ৰ কলৈ গল কব নোৱাৰো। প্ৰতিটো সমস্তিত কিয় তিনিটাকৈ কেন্দ্ৰ নহল। এই বিলাক কথা চৰকাৰে বিবেচনা কৰিব লাগে।

Shri FAKRUL ISLAM—Sir, I shall take only two minutes. Regarding passing of the Supplementary Demand though we have passed all the Demands at the last moment we could not speak on each demand because of paucity of time. Therefore, my suggestion is that in future some definite time should be fixed for each demand so that all the hon. members desirous to speak may do so on each demand.

---

* Speech no corrected

Next. regarding Fire Service, Sir, in my constituency which is situated at a distance of 60 k.m. from the subdivisional headquarters, there is no fire fighting machine or any fire brigade station at Patharkandi. Recently, at Patharkandi fire broke out at the house of one Shri Narendra Chandra Singha and everything was gutted because there was no fire fighting instrument available locally ....(interruption..............).

Mr. SPEAKER :— Order, Order, Hon. Member may resume his seat. He will get a chance to speak when the general discussion on the Budget will come up. Now, Minister, Finance may reply.

*শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :—মাননীয় অধ্যক্ষ মহোদয়, এপ্ৰ'পিয়েচন বিলৰ সম্পৰ্কত মাননীয় সদস্য শ্ৰীবৰা আৰু চহৰীয়া ডাঙৰীয়াই যি কেইটা কথা কলে এই বিলাক চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। আমাৰ মন্ত্ৰী সকলৰ বিষয়ে যি বিলাক কথা কৈছে সেই বিলাক আমি আলোচনা কৰিছো। মন্ত্ৰী আৰু এম এল এ সকলৰ কড অব কনডাক্ট কেনেকুৱা হব' লাগে এই বিষয়ে চিন্তা কৰা হৈছে। আৰু এই বিষয়ত সোনকালে এটা সিদ্ধান্ত কৰা হব। গতিকে মই অনুৰোধ জনাইছো যাতে মাননীয় সদস্য সকলে এপ্ৰ'পিয়েচন বিল খন গ্ৰহণ কৰে।

Mr. SPEAKER:—Now, I put the Motion. The Motion is that the Assam Appropriation (No.1) Bill, 1978 be taken into consideration.

(The Motion is adopted)

Now, the consideration of the Assam Appropriation (No.I) Bill, 1978, clause by clause. Since there is no amendment to the clauses I put the Motion. The Motion is that all the clauses and the schedules, and the short title, etc. do form part of the Bill.

(The Motion is adopted)

Shri KESHAB CHANDRA GOGOI (Minister, Finance)—Sir, I move that the Assam Appropriation (No.1) Bill, 1978 be passed.

Mr. SPEAKER:—I put the motion. The Motion is that the Assam Appropriation (No.I) Bill, 1978 be passed.

(The Motion is adopted.)

MISCELLANEOUS

শ্ৰীনৰেন দত্ত :— অধ্যক্ষ মহোদয় এদহক স্কুলৰ শিক্ষক সকলক নৰ্ম্মাল প্ৰশিক্ষণ কাৰণে পঠোৱা হৈছে যোৱা জানুৱাৰী মাহতে।

মাননীয় অধ্যক্ষ :— ইয়াৰ আগতে মই জানিব খোজো যে, সদস্য সকলে কিমান সময় বহিব খোজে ?

(ভইচ ৬-৩০ বজালৈকে)

* Speech not corrected.

শ্ৰীনৰেন দত্ত :— কিন্তু এতিয়ালৈকে তেওঁলোকক দৰমহা দিয়া হোৱা নাই। আৰু ফেব্ৰুৱাৰী মাহৰ পৰা তেওঁলোকৰ বিল বন্ধ কৰি দিয়া হৈছে। প্ৰশিক্ষাৰ্থী সকল ঘৰলৈ ঘূৰি যাব লগা হৈছে। বিভাগীয় কৰ্তৃপক্ষক আবেদন নিবেদন কৰা হৈছে তথাপিও তেওঁলোকক দৰমহা দিয়াৰ ব্যৱস্থা হোৱা নাই। গতিকে মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো বিভাগীয় মন্ত্ৰী মহোদয় অতি সোনকালে এই শিক্ষক সকলক দৰমহা দিয়াৰ ব্যৱস্থা কৰি সংকট মোচন কৰে যেন। লগতে আৰু এটা কথা কও যে, আমাৰ নলবাৰী মহকুমাতে ১০০ খনৰো ওপৰ স্কুল আছে এজনীয়া শিক্ষকৰ। কেতিয়াবা সেই শিক্ষক জনৰ অসুখ বিসখ হৈ আহিব নোৱাৰে স্কুল বন্ধ হৈ যায়। আপোনাৰ জৰিয়তে মই শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো যাতে ইয়াৰ এটা সু-ব্যৱস্থা গ্ৰহণ কৰে।

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :—আমাৰ মাননীয় সদস্য গৰাকীয়ে আমাৰ নৰ্ম্মাল শিক্ষাৰ্থী সকলৰ যিটো অসুবিধা সেইটো এই সদনত দাঙি ধৰিছে। আৰু সেই বিষয়টো দৃষ্টিগোচৰ হৈছে আৰু তাক ততালিকে সু-ব্যৱস্থা কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে। আৰু যিটো এজনীয়া শিক্ষকৰ স্কুলৰ কথা কৈছে সেইটো অকল নলবাৰীতে নাই সকলো বাৰীতে আছে। পলাশ বাৰী জালুকবাৰী আদিতো আছে আৰু সেই বিলাকতো সেই ব্যৱস্থা কৰা হব।

Mr. SPEAKER :—Now, Item No.4.—Report of the Business Advisory Committee.

Under Rule 230 of the Rules of Procedure and Conduet of of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee yesterday at 5 p. m. in my chamber to discuss about the allotment of time for participating in the Debates on Governor's Address to different Parties/Groups of the House. After a thread-bare discussion it has been decided by the Committee to pass the Appropriation Bill relating to Vote on Accounts in the first hour of 29th March, 1978 and the remaining four hours will be devoted for Debate on Governor's Address. As a result of this, each member will get additional two minutes approximately over the time allotted earlier. It has also been dicided by the Committee that the Leaders of different Parties/Groups will submit a list of Members according to preference for participating in the discussion during the remaining days.

I hope, this has the approval of the House.

(Voices yes, yes).

Now, Item No.5. Shri Dulal Chandra Barua, Minister.

MOTIONS

Shri DULAL CHANDRA BARUAH (Minister) :—Sir, I beg to move that the Assembly recommends that the Assam Road Communication Board be constituted to advise Government in the matter of road development in the State with the following members and that they (members) do hold office for the life time of this Legislative Assembly :—

1. Minister in-charge, P. W. D., Chairman,
2. Secretary to the Government of Assam, P. W. D. Dispur, Member.
3. Chief Engineer, P. W. D. Roads, Assam, Member.

4. Additional Chief Engineer, P. W. D — Member.

(I) Eastern Zone, Dibrugarh — Member.

(II) Western Zone, Gauhati — Member.

(III) Central Zone, Gauhati — Member.

5. Deputy Secretary to the Government of Assam; P. W. Deptt.-in-charge Planning-Secretary to the Board.

6. 20 (Twenty) Members, one representing each Civil Subdivision to be elected by the Members of the Legislative Assembly.

7. 10 (Ten) Members to be nominated by the Government to represent Municipal Board/Town Committees, Mohkuma Parishads.

8. Minister-in-charge, Transport — Member.

Minister-in-charge Industries — Member.

Minister in-charge T. A. D. — Member.

Secretary, Transport Department — Member.

Secretary, Industries Department — Member.

Secretary, T. A. D. — Member.

9. 2 (Two) Members (One Member of Loka Sabha and One Member of Rajya Sabha from Assam) to be co-opted by the Government.

Mr. Speakar—The resolution is moved. I think this has the approval of the House.

(Voices, yes, yes)

The resolution is adopted

Now, Item No. 6

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী)ঃ—১৯৬৮ চনৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ আইনৰ ১০ (২) (ছ) ধাৰাৰ পৰিপ্ৰেক্ষিতত এই সদনৰ তিনিজন সদস্যক অসম কৃষি বিশ্ববিদ্যালয়ৰ পৰিচালনা মণ্ডলৰ সদস্য নিৰ্বাচন কৰা হওক।

অসম বিধান সভাৰ পঞ্চমখন বিধান সভা যোৱা ৩।৩।৭৮ তাৰিখে ভংগ হোৱা পৰিপ্ৰেক্ষিতত এই আসন কেইখন খালি হৈ ছে। অসম বিধান সভাৰ নিৰ্ব্বাচিত সদস্য সকল পাচ বছৰৰ কাৰণে অসম কৃষি বিশ্ববিদ্যালয়ৰ পৰিচালনা মণ্ডলৰ সদস্য ৰূপে কাৰ্য্যভাৰ গ্ৰহণ কৰিব।

Mr. Speaker:—The motion is moved.

(The motion is adopted)

Mr. Speaker—Now, Item No. 7

LAYING OF REPORT

Shri Dulal Chandra Barua (Minister)—Sir, I beg to lay the recommendation containing amendment to Rules 12, 12A of the Rules on Procedure and Conduct of Business in Assam Legislative Assembly.

Mr. Speaker—Now, the House Stands adjourned till 10 a. m. tomorrow (29th March 1978).

The House was then adjourned till 10 A. M. on wednesday the 29th March, 1978.

Dated Dispur :
The 28th March,
1978.

P. D. BRUA,
Secretary,
Assam Legislative Assembly.

AGP. (LA.) 943/78—1200—2-12-78.